বিনামূলীয়া পাঠ্যপুথি

# ঝংকাৰ

## (দ্বিতীয় ভাগ)

*(দ্বিতীয় শ্ৰেণীৰ বাবে)*



**বিদ্যালয় শিক্ষা বিভাগ, অসম চৰকাৰ**

# ডিজিটেল বিষয়বস্তু উপলব্ধ কৰিবলৈ কেনেদৰে QR Code ব্যৱহাৰ কৰিব ?

DIKSHA




আপোনাৰ মোবাইলৰ ব্ৰাউজাৰত diksha.gov.in টাইপ কৰক আৰু tap button স্পৰ্শ কৰক ।

অথবা




Google Play Store ত DIKSHA search কৰক আৰু App টো ডাউনলড কৰিবলৈ Install Button টো স্পৰ্শ কৰক

## মোবাইলত QR Code ব্যৱহাৰ কৰি কেনেকৈ ডিজিটেল বিষয়বস্তু উপলব্ধ কৰিব পাৰি




1. অগ্ৰাধিকাৰ দিয়া ভাষাটোক নিৰ্বাচন কৰক
2. আপোনাৰ ভূমিকা বাছনি কৰক- ছাত্ৰ/শিক্ষক/অন্য
3. QR Code Scan কৰিবলৈ QR ক'ডৰ আইকনটোত স্পৰ্শ কৰক
4. প্ৰৱেশ অনুমোদন কৰক আৰু এপ ব্যৱহাৰৰ অনুমতি দিয়ক
5. পাঠ্যপুথিৰ QR Codeত Camera কেন্দ্ৰীভূত/দৃষ্টিপাত (Focus) কৰক
6. QR Code সম্পৰ্কিত হৈ থকা বিষয়বস্তু প্ৰদৰ্শন কৰিবলৈ ক্লিক কৰক

## Desktop অত QR Code ব্যৱহাৰ কৰি ডিজিটেল বিষয়বস্তু কেনেদৰে উপলব্ধ কৰিব পাৰি




QR Codeৰ তলত আপুনি ছটা অংকবিশিষ্ট সংখ্যাটো (ডায়েল কোড) দেখিব



আপোনাৰ ব্ৰাউজাৰত https://diksha.gov.in/as/get টাইপ কৰক




৬ অংকৰ ডায়েল ক'ডটো আপোনাৰ Desktopৰ চাৰ্চবাৰডালত লিখক



উপলব্ধ বিষয়বস্তুৰ তালিকা নিৰীক্ষণ কৰক আৰু নিজৰ পছন্দৰ বিষয়বস্তুত ক্লিক কৰক

# ঝংকাৰ

## দ্বিতীয় ভাগ

*(পাঠ্য তথা অনুশীলন পুথি)*

(দ্বিতীয় শ্ৰেণীৰ বাবে)

D8T1D8

নাম ..............................................................................

শ্ৰেণী..................... শাখা ........................... ৰোল নং .....................

বিদ্যালয় ........................................................ শিক্ষাবৰ্ষ ..................

প্ৰস্তুতকৰ্তাঃ

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

**JHANKAR: DWITIYA BHAG:** An integrated text-cum-workbook for Class-II, in Assamese, developed and reviewed by SCERT, Assam through workshops, approved by the Government of Assam and published by the Assam State Textbook Production and Publication Corporation Ltd. on behalf of Government of Assam.

**Free Textbook.**

---

**All Right Reserved : No reproduction in any form of this book, in whole or in part except for brief quotation in critical articles or reviews may be made without written authorization from SCERT, Assam.**

গ্ৰন্থস্বত্ব ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

প্ৰথম প্ৰকাশ ঃ ২০২৩

দ্বিতীয় প্ৰকাশ ঃ ২০২৪

ঃ 70 GSM কাগজত মুদ্ৰিত পাঠ্যপুথি

প্ৰকাশক ঃ অসম চৰকাৰৰ দ্বাৰা বিনামূলীয়াকৈ বিতৰণৰ বাবে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ দ্বাৰা প্ৰকাশিত পাঠ্যপুথি।

মুদ্ৰক ঃ জিজ্ঞাস প্ৰিণ্টাৰ্ছ এণ্ড পাব্লিচাৰ্ছ
ইণ্ডাষ্ট্ৰিয়েল এৰিয়া, বামুণীমৈদাম,
গুৱাহাটী- ২১

**ডাঃ ৰনোজ পেগু,** এম. বি. বি. এছ
মন্ত্ৰী, অসম

শিক্ষা, ভৈয়াম জনজাতি আৰু
পিছপৰা শ্ৰেণী কল্যাণ বিভাগ



# শুভেচ্ছাবাণী...

বিদ্যায়তনিক শিক্ষাৰ প্ৰধান আহিলা হৈছে পাঠ্যপুথি। পাঠ্যপুথিৰ মাজেৰেই ছাত্ৰ-ছাত্ৰীয়ে জ্ঞানৰ অন্বেষণ কৰে। ছাত্ৰ-ছাত্ৰীসকলেই আমাৰ ৰাজ্যৰ তথা আমাৰ দেশৰ ভৱিষ্যতৰ মূল সম্বল। মানৱ সভ্যতাৰ ধাৰা শিক্ষাৰ দ্বাৰাই প্ৰভাৱান্বিত হয়। এই উপলব্ধিৰেই বৰ্তমান চৰকাৰে শিক্ষা ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে।

বৰ্তমানৰ ৰাজ্য চৰকাৰে শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে সফলতা অৰ্জন আৰু জীৱনৰ লক্ষ্য পূৰণ তথা ৰাজ্যৰ কল্যাণৰ হেতুকে আগুৱাই যোৱাৰ বাবে বিভিন্ন অভিলাষী আঁচনি ৰূপায়ণ কৰি আছে। 'প্ৰজ্ঞান ভাৰতী'ৰ অধীনস্থ বিনামূলীয়া পাঠ্যপুথিৰ অধীনত 'ক' শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ বিনামূলীয়া পাঠ্যপুথিৰ অবিৰত যোগান ধৰি আহিছে। ২০২০ চনৰ পৰা আমাৰ চৰকাৰে এই আঁচনি স্নাতক শ্ৰেণী পৰ্য্যন্ত সম্প্ৰসাৰিত কৰি আহিছে। সমগ্ৰ ৰাজ্যত উচ্চতৰ মাধ্যমিক আৰু স্নাতক শ্ৰেণীত নামভৰ্তিকৰণৰ মাচুল ৰেহাইৰ ঘোষণাৰে এক যোগাত্মক পদক্ষেপ লৈ থকা হৈছে। সমাজৰ আৰ্থিকভাৱে পিছপৰা পৰিয়ালৰ শিক্ষাৰ্থীলৈ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ মাচুল ৰেহাই দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে। লগতে মাধ্যমিক স্তৰতো ছাত্ৰ-ছাত্ৰীক সমবেশ (ইউনিফৰ্ম) যোগান ধৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে। 'আনন্দৰাম বৰুৱা আঁচনি'ৰ জৰিয়তে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক 'লেপ্‌টপ্' বা তাৰ বিনিময়ত আৰ্থিক অনুদান আগবঢ়োৱা হৈছে।

ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণৰ বাট সেন্দুৰীয়া কৰি তোলাৰ মহান উদ্দেশ্য সাৰোগত কৰি ৰূপায়ণ কৰি অহা 'প্ৰজ্ঞান ভাৰতী' আঁচনিৰ অন্তৰ্ভুক্ত বিনামূলীয়া পাঠ্যপুথি যোগানৰ দৰে পৱিত্ৰ কৰ্মযজ্ঞ সম্পাদন কৰাৰ ক্ষেত্ৰত অৰিহণা যোগোৱা ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ তথা অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ কৰ্মতৎপৰতাক মই শলাগ লৈছো। শিক্ষাৰ্থীসকলে নিৰলস জ্ঞান আহৰণৰ যজ্ঞত আত্মনিয়োগ কৰি ৰাষ্ট্ৰৰ সম্পদৰূপে নিজকে গঢ়ি তুলিব বুলি মই আশা ৰাখি আন্তৰিকতাৰে শুভেচ্ছা জ্ঞাপন কৰিলো।

(ডাঃ ৰনোজ পেগু)
শিক্ষামন্ত্ৰী, অসম

# পাতনি

শিক্ষাৰ গুণগত মান উন্নয়নৰ লক্ষ্যৰে ‘ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম’-এ ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ আৰু ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখা, (বুনিয়াদী স্তৰ) ২০২২ ৰ আধাৰত নতুন শিক্ষাবৰ্ষ ২০২৪-২৫ ৰ বাবে প্ৰাথমিক বিদ্যালয়ৰ প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ পাঠ্যপুথিসমূহ ন-কৈ প্ৰস্তুত কৰি উলিয়াইছে। প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ ভাষাৰ পাঠ্যপুথিকেইখন ক্ৰমে ঝংকাৰ (প্ৰথম ভাগ), ঝংকাৰ (দ্বিতীয় ভাগ) নামেৰে নামকৰণ কৰা হৈছে। নতুন শৈক্ষিকবৰ্ষত বিভিন্ন নতুন বিষয়বস্তুৰ সংযোজনেৰে পাঠ্যপুথিকেইখনক নতুন ৰূপ দিয়াৰ চেষ্টা কৰা হৈছে। নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ লগত সংগতি ৰাখি পাঠৰ বিষয়বস্তু নিৰ্বাচন কৰাৰ লগতে আনুষংগিক বিভিন্ন ক্ৰিয়া-কলাপ অন্তৰ্ভুক্ত কৰা হৈছে। শিশুসকলৰ জীৱনজোৰা বিকাশৰ প্ৰাথমিক বৰ্ষসমূহত সহায়ক হোৱাকৈ পাঠ্যপুথিকেইখন প্ৰস্তুত কৰা হৈছে। শিশুৰ মানসিক স্তৰৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰ যোগ্যতা তথা বৌদ্ধিক প্ৰয়োজনৰ প্ৰতি গুৰুত্ব প্ৰদান কৰা হৈছে।

পাঠ্যপুথিখন প্ৰস্তুত কৰোঁতে বিশেষভাৱে মূল্যবোধৰ শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা হৈছে। মূল্যবোধৰ শিক্ষাৰ বাবে বিভিন্ন সাধুকথা, গীত-মাত, পদ্যৰ ব্যৱহাৰ কৰা হৈছে, যি ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক জগতখনৰ বিকাশ হোৱাত যথেষ্ট সহায় কৰিব। লগতে পাঠ্যপুথিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক আনন্দ প্ৰদানৰ বাবে বিভিন্ন কলা সমন্বিত আৰু ক্ৰীড়া সমন্বিত বিষয় সন্নিৱিষ্ট কৰা হৈছে। ই ছাত্ৰ-ছাত্ৰীক শিকনৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ লগতে তেওঁলোকৰ মানসিক উৎকৰ্ষ সাধনতো সহায় কৰিব।

প্ৰতিটো পাঠৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ সুবিধা হোৱাকৈ QR Code (Quick Response Code) পাঠ্যপুথিকেইখনত উপলব্ধ হৈছে।

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (SCERT), অসমক পাঠ্যপুথি প্ৰস্তুতকৰণত সহায় সহযোগিতা কৰা প্ৰতিগৰাকী শৈক্ষিক বিষয়া তথা সমলব্যক্তি, বিষয়-বিশেষজ্ঞ, কলা-কুশলী আৰু কৰ্মকৰ্তাক এই ছেগতে SCERT ৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তেওঁলোকৰ প্ৰত্যক্ষ বা পৰোক্ষ সহযোগ যথাৰ্থ আদৰণীয়। লগতে পাঠ্যপুথি প্ৰস্তুতকৰণত সহযোগ কৰা Language and Learning Foundation (LLF) ক আন্তৰিক কৃতজ্ঞতা জনালোঁ।

সদৌশেষত, সদাশয় শিক্ষাপ্ৰেমী ৰাইজে পাঠ্যপুথিত অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুল-ত্ৰুটি তথা আসোঁৱাহসমূহ দূৰ কৰাত ইতিবাচক পৰামৰ্শ আগবঢ়াব বুলি আশা কৰিলোঁ।

(ড° নিৰদা দেৱী)
সঞ্চালক
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

# শিক্ষকলৈ দু-আষাৰ

**প্ৰিয় শিক্ষক-বন্ধুসকল,**

আমি আটায়ে জ্ঞাত যে, ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ এ শিশুৰ শিক্ষাৰ ক্ষেত্ৰত ভাষা আৰু সাক্ষৰতাৰ বিকাশৰ বাবে অত্যন্ত গুৰুত্ব প্ৰদান কৰিছে। ভাষা আৰু সাক্ষৰতাৰ সুদৃঢ় ভেটিয়ে শিশুৰ অন্যান্য বিষয় শিকনৰো ভেটি গঢ়ি দিয়ে বুলি বিশ্বাস কৰা হয়। ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ত বুনিয়াদী স্তৰত শিশুৰ ভাষা বিকাশৰ লগতে নিৰন্তৰ শিকন, সমস্যা সমাধান, যুক্তিসংগত আৰু সৃষ্টিশীল চিন্তাৰ বিকাশৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে। এই পৰ্যায়ত জাতীয় পৰম্পৰা, সাংস্কৃতিক মূল্যবোধ, চৰিত্ৰ গঠন, নৈতিকতা, পৰিৱেশৰ প্ৰতি সংবেদনশীলতাক ভাষাৰ লগতে অন্যান্য বিষয়পাঠে আৰু ক্ৰিয়া-কলাপত একত্ৰিত কৰাটোও বাঞ্ছনীয়।

'ঝংকাৰ'-দ্বিতীয় ভাগ পাঠ্যপুথিখন প্ৰস্তুত কৰাৰ সময়ত তলত উল্লেখ কৰা দিশসমূহ মনত ৰখা হৈছে —

- পঢ়া-শুনা আৰম্ভ কৰিবলৈ শিশুৰ জীৱনৰ লগত জড়িত বস্তুবোৰ যেনে—শিশুৱে চৌপাশে দেখি থকা বস্তু, জীৱ-জন্তু, চৰাই-চিৰিকটি, ঘৰুৱা পৰিৱেশত শুনি থকা শব্দ, গীত, মাত, সাধুকথা আদিক মৌলিক ভিত্তি হিচাপে লোৱা হৈছে যাতে এই প্ৰক্ৰিয়াটো সহজ আৰু অৰ্থপূৰ্ণ হৈ পৰে।
- ভাষা আমাৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ যিয়ে আমাক যোগাযোগৰ লগতে চিন্তা, বুজাবুজি, প্ৰশ্ন কৰা, সমস্যা সমাধান ইত্যাদিত সহায় কৰে। এই পাঠ্যপুথিখনত নিজৰ ভাষাত মত-বিনিময় কৰিবলৈ, শুনি থাকোঁতে কিবা এটা কৰিবলৈ, পদ্য উপভোগ কৰিবলৈ, শব্দ আৰু পাঠোদ্ধাৰৰ সৈতে খেলা কৰিবলৈ, শিল্প-সংগীতৰ সৈতে জড়িত ক্ৰিয়া-কলাপত অংশগ্ৰহণ কৰিবলৈ বহুতো সুযোগ প্ৰদান কৰে। বিভিন্ন প্ৰেক্ষাপটত বাৰে বাৰে এই সুযোগবোৰ প্ৰদান কৰিবলৈ ১০ টা অধ্যায় বাছনি কৰা হৈছে যিবোৰ শিশুৰ জীৱনৰ লগত জড়িত, যেনে-খেলা-ধূলা, পৰিয়াল, চৌপাশ, প্ৰকৃতি, খাদ্য, স্বাস্থ্য আৰু সুস্থতা, উৎসৱ-পাৰ্বন, সংস্কৃতি, যাতায়াত আৰু যোগাযোগ আৰু বতৰ। ১০ টা প্ৰসংগৰ ভিত্তিত ১০ টা অধ্যায় সজোৱা হৈছে।
- প্ৰতিটো পাঠতে একাধিক দক্ষতা বিকাশৰ বাবে ব্যৱস্থা লোৱা হৈছে। শিশুৰ দৃষ্টিকোণৰ পৰা পাঠবোৰ আকৰ্ষণীয় কৰি তুলিবলৈ ক্ৰিয়া-কলাপসমূহ বৈচিত্ৰ্যময় কৰাৰ প্ৰয়াস কৰা হৈছে। প্ৰতিটো পাঠৰ শেষত পাঠটো সামৰি লোৱা মূল শিকন ফলাফলসমূহ অন্তৰ্ভুক্ত কৰাৰ লগতে পুনৰালোচনাৰ বাবে ক্ৰিয়া-কলাপ দিয়া হৈছে।
- প্ৰতিটো অধ্যায়তে আখৰ আৰু স্বৰচিহ্নসমূহ ভাগ কৰি শিকোৱাৰ বাবে ক্ৰিয়া-কলাপ দিয়া হৈছে।
- ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ কাঠামো ২০২২ অনুসৰি ভাষা শিকিবলৈ আৰু শিকাবলৈ ভাষা-শিক্ষাৰ চাৰিটা স্তম্ভৰ ভিত্তিত কাম কৰা। এই চাৰিটা স্তম্ভ হ'ল মৌখিক ভাষাৰ বিকাশ, পাঠোদ্ধাৰ, পঠন আৰু লিখন।

**মৌখিক ভাষাৰ বিকাশ** — মনোযোগেৰে শুনা, বুজা, মৌখিক শব্দভাণ্ডাৰ বিকাশ কৰা আৰু নজনা কথা শিকিবৰ বাবে সমনীয়া, শিক্ষক, অভিভাৱক বা অন্য লোকৰ সৈতে কথোপকথন আৰু আলোচনাত ভাগ লোৱা।

**পাঠোদ্ধাৰ** — ইয়াৰ ভিতৰত ছপা সজাগতা আৰু ধ্বনি সজাগতা, চিহ্ন আৰু শব্দৰ সম্পৰ্ক স্থাপন, লিখিত শব্দ চিনাক্তকৰণ আৰু শব্দ লিখা আদি অন্তৰ্ভুক্ত।

**পঠন** — লিখিত বিষয় পঢ়ি বুজি পোৱা আৰু ইয়াৰ বিষয়ে সমালোচনাত্মকভাৱে চিন্তা কৰা।

**লিখন** —আখৰ আৰু শব্দবোৰ শুদ্ধকৈ লিখাৰ ক্ষমতা আহৰণৰ লগতে ধাৰণা বা তথ্যৰ যুক্তিযুক্ত আৰু সংগঠিত পদ্ধতিৰে লিখিত ৰূপত উপস্থাপনৰ প্ৰয়াস কৰা।

এই পাঠ্যপুথিখনত প্ৰতিটো অধ্যায়ৰ আশে-পাশে নিৰ্বাচন কৰা পাঠ তথা ক্ৰিয়া-কলাপসমূহ এই চাৰিটা স্তম্ভত তলত দিয়া ধৰণে ভাগ কৰা হৈছে-

**মৌখিক ভাষাৰ বিকাশ** ঃ- কিতাপখনৰ বিভিন্ন অংশ আছে, যেনে 'ছবি চাই কথা পাতোঁ আহা', 'শুনো আহা', 'গাওঁ আহা', 'কওঁ আহা' এই সকলোবোৰৰ মূল উদ্দেশ্য হৈছে শিশুৰ মৌখিক ভাষাৰ বিকাশ কৰোৱা। মন কৰিব যে, শুনিবলৈ, কথা পাতিবলৈ বা গাবলৈ দিয়া পাঠ, সাধু বা পদ্যসমূহ বৰ্ণ বা যুক্তাক্ষৰৰ পৰিচয় কৰোৱাৰ ওপৰত নিৰ্ভৰশীল নহয়।

**পাঠোদ্ধাৰ** ঃ- পাঠ্যপুথিখনত আখৰসমূহ শিকিবৰ বাবে ধ্বনি সজাগতা, চিহ্ন আৰু ধ্বনিৰ মাজৰ সম্পৰ্ক, স্বৰচিহ্নৰ ধ্বনি আৰু চিহ্নৰ ব্যৱহাৰ, লিখিত বৰ্ণ, আখৰ আৰু শব্দ চিনি পোৱা আৰু পঢ়ি লিখিব পৰা আদি ক্ৰিয়া-কলাপ অন্তৰ্ভুক্ত কৰা হৈছে।

**পঠন** ঃ- সাৱলীল পঠনৰ দক্ষতা আহৰণ কৰোৱাবলৈ বৰ্ণ-পৰিচয়, শব্দ, বাক্য আদি পঢ়া ক্ৰিয়া-কলাপসমূহ অন্তৰ্ভুক্ত কৰা হৈছে। তদুপৰি, ছবি চাই পঢ়া আৰু সাধু শুনাৰ সময়ত শিশুৱে গল্পৰ ছবিবোৰ চাই, কাহিনী শুনাৰ পিছত কথা পাতি, ছবি আকাৰত শব্দবোৰ বুজি, কিছুমান প্ৰশ্নৰ উত্তৰ দি অনুমান কৰি 'পঢ়া মানে অৰ্থ সৃষ্টি'ৰ ধাৰণাটো কৰিব পাৰিব। বিভিন্ন পাঠত সাৱলীল পঠনৰ বাবে দিয়া শব্দ, বাক্য বা দফাসমূহ ইতিমধ্যে শিকোৱা বৰ্ণ, স্বৰচিহ্নসমূহৰ আধাৰত ভিত্তি কৰিহে দিয়া হৈছে।

**লিখন** ঃ- আমি সকলোৱে জানো যে ছবিৰ পৰা লিখা আৰম্ভ হয় আৰু তাৰ পাছত ছবিৰ পৰা শিশুৱে ক্ৰমান্বয়ে শব্দ আৰু বাক্য লিখিবলৈ আৰম্ভ কৰে। শিশুসকলে যাতে ছবিৰ জৰিয়তে নিজৰ অভিজ্ঞতা আৰু চিন্তা প্ৰকাশ কৰিব পাৰে তাৰ প্ৰয়াস কৰা হৈছে। আখৰ এটা চিহ্নৰূপত লিখিব পৰা আৰু তাক ধ্বনিটোৰ লগত সংযোগ স্থাপন কৰিব পৰা কাৰ্যৰ পৰা আখৰ সংযোগ কৰি শব্দ লিখা, ছবি চাই শব্দ লিখা আদি ক্ৰিয়া-কলাপ অন্তৰ্ভুক্ত কৰা হৈছে। এই সকলোবোৰৰ লগত শিক্ষকৰ সহায় জড়িত হৈ আছে।

এই পাঠ্যপুথিখনত দহটা অধ্যায়ক কেন্দ্ৰ কৰি পঠন, লিখন, শব্দ চিনাক্তকৰণ আৰু কথোপকথন বিভিন্ন মাত্ৰাত সামৰি লোৱা হৈছে। পাঠ্যপুথি এখন পাঠদান-শিক্ষণ প্ৰক্ৰিয়াৰ এক আহিলা আৰু মাধ্যমহে। শিশুসকলক শ্ৰেণীকোঠাৰ চাৰিওফালে থকা প্ৰকৃতিৰ বিষয়ে সচেতন কৰিবলৈ পাঠ্যপুথিখন ব্যৱহাৰ কৰক আৰু লগতে তেওঁলোকে স্বতন্ত্ৰভাৱে অন্বেষণ কৰি শিকিবলৈ যাতে উপযুক্ত পৰিৱেশ পায়, সেই ক্ষেত্ৰত লক্ষ্য ৰাখিব। আপোনালোকক অনুৰোধ কৰা হৈছে যাতে তেওঁলোকে নিজৰ মনৰ কথা প্ৰকাশ কৰিবলৈ সুযোগ পায়। এই ক্ষেত্ৰত ভুল-ভাল বিচাৰ নকৰাকৈ শিশুৰ সৈতে কথোপকথনত জড়িত হোৱাটো অত্যন্ত জৰুৰী।

পাঠ্যপুথিখনত থকা ওমলা গীত, নিচুকনি গীত, সাধুকথা, কাহিনী আদিৰ উপৰি স্থানীয় প্ৰচলিত গীত-মাত কাহিনী আদি সংগ্ৰহ কৰি অনুশীলন কৰোৱাব। শিক্ষকে শিশুৰ সৈতে প্ৰদত্ত পাঠদান-সামগ্ৰী অতি আকৰ্ষণীয় আৰু ফলপ্ৰসূভাৱে তৈয়াৰ কৰি ল'ব পাৰে। ইয়াত মাত্ৰ কিছুমান পৰামৰ্শহে দিয়া হ'ল। আমি আশাকৰোঁ যে আপুনি আপোনাৰ শ্ৰেণীকোঠাত বৈচিত্ৰ্য উপভোগ কৰিব। শিশুৰ প্ৰসংগ অনুসৰি আখৰৰ খেল, গীত, কবিতা আৰু গল্প অন্তৰ্ভুক্ত কৰিব। বিভিন্ন সমলৰ সহায়ত শ্ৰেণীটোক অধিক আকৰ্ষণীয় কৰি তুলিব।

আখৰ-জোঁটনিৰ ক্ষেত্ৰত বিশেষকৈ 'চন্দ্ৰকান্ত অভিধান' আৰু 'অসমীয়া হেমকোষ'কৈ আধাৰ স্বৰূপে গ্ৰহণ কৰা হৈছে। প্ৰয়োজন সাপেক্ষে ব্যৱহাৰ কৰিব।

# ক্ৰিয়া-কলাপত ব্যৱহাৰ হোৱা প্ৰতীক-চিহ্নসমূহ

 লিখোঁ আহা, শব্দ গঠন কৰা, ছবিৰ নাম পূৰ কৰা, চাই চাই লিখা।

 শুনো আহা।

 আঁকা, আঁকো আহা, ৰং দিয়া, ছবি সম্পূৰ্ণ কৰা।

 কওঁ আহা, গাওঁ আহা।

 পঢ়োঁ আহা, পঢ়া, জানো আহা।

 আঁচ টানি মিলোৱা, শুদ্ধ উত্তৰত চিন দিয়া।

 খেলোঁ আহা, অভিনয় কৰোঁ আহা, প্ৰকল্প, সাঁজো আহা।

# সূচীপত্ৰ


অধ্যায়ঃ ১ খাদ্য ১২-২০

পাঠ - ১ - মিঠা ফল, টেঙা ফল

পাঠ - ২ - পিঠা-পনা

অধ্যায়ঃ ২ আমাৰ পৰিয়াল ২১-৩৩

পাঠ - ১ - শ্ৰৱণ কুমাৰ

পাঠ - ২ - ঘঁৰিয়াল আৰু বান্দৰ

অধ্যায়ঃ ৩ আমাৰ চৌপাশ ৩৪-৪৭

পাঠ - ১ - পখিলা

পাঠ - ২ - ছাগলী গ'ল ক'লৈ !

অধ্যায়ঃ ৪ খেল-ধেমালি ৪৮-৫৭

পাঠ - ১ - লুকা-ভাকু

পাঠ - ২ - ছাতি

অধ্যায়ঃ ৫ আমাৰ সংস্কৃতি ৫৮-৭১

পাঠ - ১ - আইতাৰ বৰপেৰা

পাঠ - ২ - বিহু গীত

# সূচীপত্ৰ


অধ্যায়ঃ ৬ বজাৰ ৭২-৮৩

পাঠ - ১ - শনিবৰীয়া বজাৰ

পাঠ - ২ - পুতলা কিনিবা কোনে?

অধ্যায়ঃ ৭ আমাৰ স্বাস্থ্য ৮৪-৯৯

পাঠ - ১ - বনৌষধি

পাঠ - ২ - সিংহ আৰু নাপিত

অধ্যায়ঃ ৮ ঋতু ১০০-১১৪

পাঠ - ১ - ঋতু আহে ঋতু যায়

পাঠ - ২ - কণল'ৰা আৰু হাতী

পাঠ - ৩ - বৰষুণৰ বতৰ

অধ্যায়ঃ ৯ যাতায়াত আৰু যোগাযোগ ১১৫-১২৭

পাঠ - ১ - যান-বাহন

পাঠ - ২ - উকি মাৰি ৰে'ল চলে

অধ্যায়ঃ ১০ উৎসৱ আৰু উদ্‌যাপন ১২৮-১৪০

পাঠ - ১ - মনালীৰ নৃত্য

পাঠ - ২ - আমাৰ ৰবীন মামা





## অধ্যায়ঃ ১

# খাদ্য

ছবি চাই কথা পাতোঁ আহা—





**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিকাৰুৰ সৈতে ছবিখনৰ বিষয়ে আলোচনা কৰিব আৰু তলত দিয়াধৰণে প্ৰশ্নৰে আলোচনা আগবঢ়াই নিব। যেনে— (১) ছবিখনত তুমি কি কি দেখিছা? (২) ল'ৰা-ছোৱালীবোৰে কি কৰি আছে? (৩) ছবিখনত দেখা পোৱা ফলবোৰৰ নাম কওঁ আহা। (৪) তোমালোকে কেতিয়াবা গছ-গছনিৰে ভৰি থকা বাৰী দেখিছানে? যদি দেখিছা, কি কি দেখিবলৈ পাইছা? আদি আলোচনা কৰোঁতে শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব।


পাঠ - ১

# মিঠা ফল, টেঙা ফল

**লগে-ভাগে গাওঁ আহা—**

মিঠা ফল, টেঙা ফল
আৰু কেঁহা ফল,
ফল খালে আমাৰ গাত
হয় বহু বল।





পকা পকা ফলবোৰত
পৰুৱাই ধৰে,
মিঠা মিঠা ফল, ফুলত
মৌ-মাখি পৰে।



**কথা পাতোঁ আহা—**

ক) তুমি কি কি ফল খাই ভালপোৱা কোৱা।
খ) কেইবিধমান টেঙা ফল আৰু কেঁহা ফলৰ নাম কোৱা।
গ) ফলৰ বাহিৰে আৰু কি কি খালে আমাৰ গাত বল হয়?
ঘ) ফল-মূল খোৱা কেইবিধমান জীৱ-জন্তুৰ নাম কোৱা।

---

**শিক্ষকলৈ নিৰ্দেশনা ঃ** পদ্যটো প্ৰথমে গাই শুনাব আৰু পাছত শিকাৰুৰ লগত গাব। শিকাৰুক এনে ধৰণৰ অন্য গীত/পদ্য গাবলৈ উৎসাহিত কৰিব আৰু কিয় সেইধৰণৰ গীতবোৰ ভাল পায় সুধিব। বিভিন্ন ফল-মূলৰ সোৱাদ, উপকাৰিতাৰ বিষয়ে আলোচনা কৰিব। আলোচনাত শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব।

## ক্ৰিয়া-কলাপ —

'ফল', 'গাত', 'ধৰে', 'পকা' — এই শব্দকেইটাৰ শেষৰ ধ্বনিৰ মিল থকা নতুন শব্দ গঠন কৰি খালি ঠাইত লিখোঁ আৰু পঢ়োঁ আহা—

| | | | |
|---|---|---|---|
| ফল | বল | কল | ............... |
| গাত | পাত | ............ | ............... |
| ধৰে | ............ | ............ | ............... |
| পকা | ............ | ............ | ............... |

ফল-মূলৰ নাম পঢ়োঁ আহা —


কল আম নেমু কঁঠাল অমিতা


আনাৰস আমলখি জলফাই তেঁতেলী শিলিখা

ফল-মূলবোৰ সোৱাদ অনুসৰি ভাগ কৰি লিখোঁ আহা —

| টেঙাফল | মিঠাফল | কেঁহাফল |
|---|---|---|
| | | |

ৰং বোলাওঁ আহা—





পাঠ - ২

# পিঠা-পনা

পঢ়োঁ আহা—

তিলপিঠা দীঘলীয়া
ঘিলাপিঠা গোল
বিহু হ'লে খাম দেই
বজাই এটা ঢোল।





ৰাতিপুৱাই কাউৰীয়ে
কৰে কা কা,
কোমল চাউল দৈ গাখীৰ
পকা কঁঠাল খা।

তলত দিয়া পিঠা আৰু লাৰুবোৰৰ নাম জানো আহা —



তিল পিঠা



ঘিলা পিঠা



খোলাচাপৰীয়া পিঠা



টেকেলি পিঠা



চুঙা পিঠা



সুতুলী পিঠা



নাৰিকলৰ লাৰু



তিলৰ লাৰু



মুড়িৰ লাৰু

বিঃদ্রঃ এই পাঠটো নির্মলপ্রভা বৰদলৈৰ 'শিশু সাহিত্য সম্ভাৰ' গ্রন্থখনিৰ (চতুর্থ প্রকাশ, মার্চ ২০২৩) 'অসমীয়া ওমলা গীত'ৰ পৰা ১৩ আৰু ১৪ নং স্তৱক দুটা তুলি দিয়া হৈছে। (পৃষ্ঠা নং ১৭৩, ১৭৪)

## ছবিৰ নাম সম্পূৰ্ণ কৰোঁ আহা—

| | | | |
|---|---|---|---|
| .........লাহী | আ.........ৰ | ...........লাও | .........ৰিকল |

## পঢ়োঁ আহা—

ভাত ৰুটী নিতৌ খাবা
তেহে গাত বল পাবা।



শাক-পাচলি খায় যি
সবল-সতেজ হয় সি।

## পঢ়োঁ আৰু লিখোঁ আহা—

| জিকা | বিলাহী | বেঙেনা | কেৰেলা |
|---|---|---|---|
| ................. | ................. | ................. | ................. |
| ................. | ................. | ................. | ................. |
| **ৰঙালাও** | **জাতিলাও** | **কোমোৰা** | **পটল** |
| ................. | ................. | ................. | ................. |
| ................. | ................. | ................. | ................. |

## সাঁথৰ ভাঙো আহা—



নেমু টেঙা, ৰবাব টেঙা
আৰু টেঙা কি?
পাতৰ আঁৰত দীঘল দীঘল
ওলমি থাকে যি?

## পঢ়োঁ আহা—

এদিনাখন দুটা ভোমোৰা এখন ফুলনিত সোমাল। এটা ভোমোৰা মৌ চুহি চুহি ভাগৰি পৰিল। সি ফুলগছত জিৰণি ল'লে। আনটো ভোমোৰাই লগৰীয়ালৈ অপেক্ষা কৰি বহি থাকিল।



## ছবিৰ নাম সম্পূৰ্ণ কৰোঁ আহা —


আ.........ৰস


..........কা


বে..........না


বিলা..........



.......হিয়াৰ


..........ণ


মা........


..........মোৰা

## তলৰ ছবি দুখনত কি কি অমিল আছে কওঁ আহা—





## শিকন ফলাফল

- গীত আৰু পদ্য শুনিবলৈ আগ্ৰহী হ'ব আৰু সেইধৰণৰ গীত পদ্য ভালপোৱাৰ কাৰণ দৰ্শাব পাৰিব।
- দুই-তিনিটা স্তৱকৰ পদ্য/গীত আবৃত্তি কৰিব/গাব পাৰিব।
- চুটি পদ্য বা গীত নিজৰ শব্দশৈলীৰে নিজাববীয়াকৈ সৃষ্টি কৰিব পাৰিব।
- আলোচনা কৰোঁতে বহুজনৰ মতামতৰ মাজত আলোচ্য বিষয় সন্দৰ্ভত ধাৰাবাহিকতা ৰক্ষা কৰিব পাৰিব।
- যিকোনো বিষয়বস্তু সন্দৰ্ভত হোৱা আলোচনাত ভাগ ল'ব পাৰিব আৰু সেই সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব আৰু নিজেও প্ৰশ্ন সুধিব পাৰিব।
- বহু অক্ষৰযুক্ত শব্দ (যুক্তাক্ষৰ, ব্যঞ্জনবৰ্ণৰ মণ্ডলকে ধৰি), অৰ্থহীন শব্দ সঠিকভাৱে পঢ়িব পাৰিব।
- সঠিক লয় সুৰ আৰু বিৰামসহ চুটি পাঠ শুদ্ধকৈ আৰু সলসলীয়াকৈ পঢ়িব পাৰিব।

## পুনৰালোচনা

### আদি ধ্বনি মিলাই কোৱা—

হাতী → হাত → ............ → ............

কল → কমলা → ............ → ............

মাকৈ → মাছ → ............ → ............

আম → আদা → ............ → ............

### পঢ়া—

| | | | |
|---|---|---|---|
| গাখীৰ | মাখন | ঘিউ | মৌ |
| চিৰা | দৈ | লাৰু | পিঠা |
| কোমোৰা | বেঙেনা | ৰহদৈ | ঔ-টেঙা |

পঢ়া—



এদিনাখন কমলে চোতালত বল খেলি আছিল। খেলি থাকোঁতে এবাৰত বলটো গৈ ঘৰৰ চালত পৰিল। সি ককাকক মাতি আনি লৈ ঘৰৰ চালত পৰি থকা বলটো আনি দিববৈলে ককাকক খাটনি ধৰিলে। ককাকে চালৰ পৰা বলটো আনি কমলৰ হাতত দিলে। সি আকৌ ৰংমনে খেলিবলৈ ধৰিলে।

ছবিৰ নাম সম্পূৰ্ণ কৰা—



........ লাহী



আ..............ল



..............লা



মি........ আলু



কৰ ..........



আ .......... ৰ

অধ্যায়ঃ ২

# আমাৰ পৰিয়াল

পাঠঃ ১

## শ্ৰৱণ কুমাৰ

J7W3V4

শুনো আহা —

তোমালোকৰ পৰিয়ালত কোন কোন আছে? তোমাৰ ঘৰৰ সদস্যসকলে এজনে আনজনক কিদৰে সহায় কৰে? তেওঁলোকক তোমালোকে ঘৰত কেনেদৰে সহায় কৰা?

শ্ৰৱণ কুমাৰ নামৰ এজন ল'ৰাই তেওঁৰ অন্ধ মাক-দেউতাকৰ প্ৰতি কেনেদৰে দায়িত্ব পালন কৰিছিল, জানো আহা—



শ্ৰৱণ কুমাৰ নামৰ এজন ল'ৰা আছিল। শ্ৰৱণৰ মাক-দেউতাক অন্ধ আছিল। শ্ৰৱণে মাক-দেউতাকক বৰ আদৰ-যতন লৈছিল। মাক-দেউতাকৰ বাবে গা-ধুবলৈ পানী অনা, ভাত-ৰন্ধা আদি সকলো কাম শ্ৰৱণে নিজে কৰিছিল।

মাক-দেউতাকে শ্ৰৱণৰ কষ্ট দেখি মনত খুব বেজাৰ পাইছিল। শ্ৰৱণে কৈছিল— "তোমালোকৰ বাবে কাম কৰি মই সুখহে পাওঁ। সেয়াই মোৰ আনন্দ।"



শ্ৰৱণৰ মাক-দেউতাকৰ তীৰ্থলৈ যাবলৈ বৰ ইচ্ছা আছিল। এদিন কথাটো তেওঁলোকে শ্ৰৱণক ক'লে। শ্ৰৱণে মাক-দেউতাকক তীৰ্থলৈ নিয়াৰ উপায় ভাবি উলিয়ালে।

শ্ৰৱণে দুটা ডাঙৰ পাচিত মাক-দেউতাকক বহুৱাই ভাৰ বান্ধি তীৰ্থলৈ লৈ গ'ল। শ্ৰৱণে মাক-দেউতাকক কান্ধত ভাৰ বৈ বিভিন্ন তীৰ্থস্থান দেখুৱালে। এনেদৰে মাক-দেউতাকৰ প্ৰতি দায়িত্ব পালন কৰি শ্ৰৱণে বৰ সন্তোষ পালে।

## ক্রিয়া-কলাপ —

### কথা পাতোঁ আহা—

(ক) কাহিনীটোত থকা ল'ৰাজনৰ নাম কি ?

(খ) শ্ৰৱণ কুমাৰে মাক-দেউতাকৰ বাবে কি কি কৰিছিল ?

(গ) শ্ৰৱণ কুমাৰে মাক-দেউতাকক কেনেদৰে তীৰ্থলৈ লৈ গৈছিল ?

(ঘ) তুমি তোমাৰ ঘৰখনত কি কি দায়িত্ব পালন কৰা ?

### কওঁ আহা —

| | |
|---|---|
| ককা | আইতা |
| পিতা | আই |
| দেউতা | মা |
| বৰদেউতা | বৰমা |
| খুৰা | খুৰী |
| পেহা | পেহী |

| | |
|---|---|
| মামা | মামী |
| তাৱৈ | আমৈ |
| মহা | মাহী |
| দাদা | বাইদেউ |
| ভাই | ভনী |

### পৰিয়ালৰ বিষয়ে জানো আহা—

কাক কি বুলি মাতা কোৱা—

| | |
|---|---|
| দেউতাৰ/মাৰ দেউতাকক ঃ...................... | দেউতাৰ/মাৰ মাকক ঃ............................ |
| দেউতাৰ ককায়েকক ঃ............................ | দেউতাৰ ভায়েকক ঃ............................ |
| দেউতাৰ বায়েকক ঃ............................ | দেউতাৰ ভনীয়েকক ঃ.......................... |
| মাৰ ককায়েকক ঃ................................ | মাৰ ভনীয়েকক ঃ................................ |

**প্ৰকল্প ঃ** তোমাৰ ঘৰত কোন কোন আছে, তাৰ এখন তালিকা তৈয়াৰ কৰা। তেওঁলোকৰ ফটো সংগ্ৰহ কৰি অথবা ছবি আঁকি এখন ডাঠ কাগজত আঠা দি লগোৱা আৰু তলত তেওঁলোকৰ নামবোৰ লিখা।

**প্ৰয়োজনীয় সামগ্ৰী ঃ** যিকোনো ডাঠ কাগজ এখিলা, ৰং, পেঞ্চিল, আঠা, পাচপ'ৰ্ট আকাৰৰ ফটো ইত্যাদি।

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিকাৰুক আন আন সম্বন্ধবাচক শব্দবোৰ শিকাব।
প্ৰকল্প প্ৰস্তুত কৰাৰ ক্ষেত্ৰত প্ৰয়োজন অনুসৰি সহায় কৰিব আৰু বুজাই দিব। লগতে সকলোৰে অংশগ্ৰহণ নিশ্চিত কৰিব।

## পঢ়োঁ আৰু কওঁ আহা —

আজি ৰিমঝিমৰ পেহীয়েকৰ বিয়া। বিয়া বুলি ককাক-আইতাক, খুৰাক-খুৰীয়েক, ভায়েক-ভনীয়েক সকলোৱে বৰ উৎসাহ। আলহী-অতিথি, ওচৰ-চুবুৰীয়াৰে ৰভাথলী ভৰি পৰিছে।

কিছুসময়ৰ পিছতে দৰাঘৰীয়া আহি পদূলিমুখ পালেহি। ৰিমঝিম দৰা চাবলৈ দৌৰি গ'ল। কিন্তু মানুহবোৰে দৰাজনক আগুৰি আছিল। তাই দৰাক দেখা নাপালে। দৰাক নেদেখি তাই ফেঁকুৰিবলৈ ধৰিলে। তাকে দেখি ওচৰতে থকা খুৰাকে তাইৰ হাতত ধৰি আগুৱাই নিলে। দৰাক দেখি ৰিমঝিমে বৰ ৰং পালে।

## কওঁ আহা —

ক) ৰিমঝিম কি চাবলৈ দৌৰি আহিছিল?

খ) মানুহবোৰে কাক আগুৰি ধৰি আছিল?

গ) কোনে ৰিমঝিমক হাতত ধৰি আগুৱাই নিছিল?

ঘ) তুমি কেতিয়াবা বিয়া খাবলৈ গৈ পাইছানে? বিয়ালৈ গৈ তোমাৰ কেনেকুৱা লাগে?

## তলৰ ছবিকেইখনত কি দেখিছা কোৱা—





## গাওঁ আহা—

গুড়ৰ টেকেলিত পৰুৱাৰ লানি,
নৈ, বিল, পথাৰত বাঢ়িছে পানী।
আকাশত জিলিকে ৰূপালী জোন,
আজি চাগে নাহে আৰু বৰষুণ!





ভোমোৰাই কয় শুনা
কৰি গুণ্ গুণ্,
ফুটাই পঢ়িবা পাঠ
নাই ভুন্ ভুন্।



হুৰ হুৰ বতা চৰাই
মোৰ ধান নাখাবি
তোক দিম গোটা কৰাই।

## জানি লওঁ আহা—

গু ⟶ গু
হু ⟶ হু
শু ⟶ শু
ৰূ ⟶ ৰূ
ৰু ⟶ ৰু



**জানো আহা**

'গ', 'শ', 'হ' আৰু 'ৰ'-ৰ লগত উ-কাৰ ( ু ) লগ হ'লে ৰূপ সলনি হৈ 'গু','শু','হু' আৰু 'ৰু' হয়।
আনহাতে 'ৰ'-ৰ লগত উ-কাৰ ( ূ ) লগ হ'লে ৰূপ সলনি হৈ 'ৰূ' হয়।

## পঢ়োঁ আহা —

| | | | | | |
|---|---|---|---|---|---|
| ৰূপ | ধূপ | গুণ | ধূন | ফাগুন | ধুৰূপ |
| মাগুৰ | কুৰুৱা | শুৰনি | মহুৱা | ৰূপালী | পৰুৱা |

**শিক্ষকলৈ নিৰ্দেশনা ঃ** স্বৰচিহ্ন যোগ হৈ ৰূপ সলনি হোৱা আখৰৰ বিষয়ে শিকাৰুক বুজাই ক'ব।

ছবি চাই খালী ঠাইত কি হ'ব লিখোঁ আহা—






গ............ শ...........ন শি........... প............

তলৰ আখৰ-জালৰ পৰা আখৰ বিচাৰি শব্দ গঠন কৰি পঢ়োঁ আৰু লিখোঁ আহা —

| | | | |
|---|---|---|---|
| ন | গ | ৰ্ধ | শু |
| হ | ৰু | প | ৰ্‌ |
| ৰু | গু | ড় | নি |
| ম | হু | ৰা | তি |

...................... ......................
...................... ......................
...................... ......................
...................... ......................
...................... ......................

পঢ়োঁ আহা —



পৰুৱা ককাই সুহুৰি মাৰি
কেনি বাৰু যোৱা,
চেনি গুটি পেলাই থৈছোঁ
খোৱা যদি খোৱা।

পঢ়া-শুনা কৰে যি
গুণী-মানী হয় সি।




বিঃদ্রঃ পদ্যটি নতুন পাঠ (প্ৰথম ভাগ, সংস্কৰণ ২০০২) ৰ পৃষ্ঠা ৮২ ৰ পৰা তুলি দিয়া হৈছে।


# ঘঁৰিয়াল আৰু বান্দৰ


ছবি চাই সাধু কওঁ আহা—













**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিকাৰুক ছবিকেইখন চাবলৈ দি প্ৰতিখন ছবিতে কোনে, কি, কিয় কৰিছে সুধিব। যেনে— ক) ছবিখনত কি কি জন্তু দেখিছা? খ) নদীৰ সিপাৰে কি ফলৰ গছ আছিল? গ) বান্দৰটো কেনেকৈ নদীখন পাৰ হ'ল? ঘ) বান্দৰটোৱে হাতত কি লৈ আহিছিল বাৰু? শেষত শিকাৰুক কাহিনীটো ক্ৰমত নিজৰ কথাৰে ক'বলৈ দিব। কথোপকথনত শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব।

## ক্ৰিয়া-কলাপ —

**কথা পাতোঁ আহা—**

ক) ছবিখনত কি কি জন্তু দেখিছা?


খ) নদীৰ সিপাৰে কি ফলৰ গছ আছিল?

গ) বান্দৰটো কেনেকৈ নদীখন পাৰ হ'ল?

ঘ) বান্দৰটোৱে হাতত কি লৈ আহিছিল?

ঙ) সাধুটো নিজৰ কথাৰে কোৱা।

**ছবি চাই খালী ঠাই পূৰ কৰোঁ আহা—**



ক) নদীৰ সিপাৰে........................ পকি আছিল।


খ) নদীত এটা ................................ আছিল।

**গাওঁ আহা—**

মা-দেউতা ককা-আইতা  
আৰু ভাই-ভনী,  
খুৰা-খুৰী পেহীৰে ভৰা  
আমাৰ ঘৰখনি।  
মামা-মামী মহা-মাহী  
যেতিয়া আলহী হয়,  
ককা-আইতাও লগত আহিলে  
সুখৰ নিজৰা বয়।

**সাঁথৰ ভাঙো আহা—**

চিত পখিলা, চিত পখিলা  
তিনি মূৰ, দহ ঠেং ক'ত দেখিলা?



লগে-ভাগে পঢ়োঁ আহা—

# বাটতে বৰষুণে পালে



ৰাজীৱ আৰু কৰিম পঢ়াশালিৰ পৰা ঘৰলৈ গৈ আছিল।



তেনেতে বৰষুণ দিবলৈ ধৰিলে। সিহঁতে আজি ছাতি আনিবলৈ পাহৰিলে।



সেই পথেৰেই ৰামধন খুৰা মটৰগাড়ী চলাই আহি আছিল।



খুৰাই সিহঁতক তিতি তিতি গৈ থকা দেখিলে। তেওঁ সিহঁতক গাড়ীত উঠিবলৈ মাতিলে।



দুয়ো দৌৰি গৈ গাড়ীত উঠিল। খুৰাকে সিহঁতক ঘৰলৈ লৈ গ'ল।

**কওঁ আহা —**

ক) ৰাজীৱ আৰু কৰিমে কি আনিবলৈ পাহৰিছিল?

খ) মটৰগাড়ী চলাই কোন আহি আছিল?

গ) ৰামধন খুৰাই সিহঁতক গাড়ীত উঠিবলৈ কিয় মাতিলে?

## শিকন ফলাফল

- দুই-তিনিটা স্তৱকৰ পদ্য/গীত আবৃত্তি কৰিব/গাব পাৰিব।
- আলোচনা কৰোঁতে বহুজনৰ মতামতৰ মাজত আলোচ্য বিষয় সন্দৰ্ভত ধাৰাবাহিকতা ৰক্ষা কৰিব পাৰিব।
- যিকোনো বিষয়বস্তু সন্দৰ্ভত হোৱা আলোচনাত ভাগ লব পাৰিব আৰু সেই সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব আৰু নিজেও প্ৰশ্ন সুধিব পাৰিব।
- একাধিক নিৰ্দেশনা অনুসৰণ কৰিব পাৰিব। (যেনেঃ যদি বৰষুণ দিয়ে, গছপুলিত পানী নিদিবা, তাৰ সলনি গুৰিবোৰ চাফা কৰি দিবা)
- গল্প বা সাধু এটা পঢ়ি লিখকৰ গল্প বা সাধুটো লিখাৰ উদ্দেশ্য ব্যাখ্যা কৰিব পাৰিব আৰু গল্প বা সাধুটো নিজে পুনৰ ক'ব পাৰিব।
- বহু অক্ষৰযুক্ত শব্দ (যুক্তাক্ষৰ, ব্যঞ্জনবৰ্ণৰ মণ্ডলকে ধৰি), অৰ্থহীন শব্দ সঠিকভাৱে পঢ়িব পাৰিব।
- সঠিক লয় সুৰ আৰু বিৰামসহ চুটি পাঠ শুদ্ধকৈ আৰু সলসলীয়াকৈ পঢ়িব পাৰিব।
- অপৰিচিত কাহিনী পঢ়িব পাৰিব আৰু কাহিনীৰ চৰিত্ৰ, পটভূমি, ঘটনাক্ৰম আৰু লিখকৰ দৃষ্টিকোণ আদি চিনাক্ত কৰিব পাৰিব।
- ক্ৰম অনুসৰি ছবি সজাব পাৰিব আৰু ছবিৰ লগত শুদ্ধকৈ দুটা বাক্য লিখিব পাৰিব।

## পুনৰালোচনা

### পঢ়া—

**পথাৰখন বৰ শুৱনি।**

**পথাৰত গৰু চৰিছে।**

**আকাশত শগুন উৰিছে।**

**অৰূপে চিলা উৰুৱাইছে।**

**আইতাই মহুৰা ফুৰাইছে।**

**ৰূপাই তাঁত বৈছে।**

### ছবি চাই নামবোৰ সম্পূৰ্ণ কৰা—





গ............ শি...........ল ম.........ৰা

✎ তলত দিয়া আখৰকেইটাৰে খালি ঠাইত নতুন শব্দ লিখা—

গু গুৰ ............... শু শুৰ ...............


ৰু গৰু ............... হু পহু ...............

ৰূ ৰূপ ...............

✎ খেলিমেলিকৈ দিয়া আখৰবোৰ মিলাই শব্দ সাঁজো আহা—

| | | | |
|---|---|---|---|
| য়ালঘঁৰি — | ঘঁৰিয়াল | ঘবা — | ............ |
| লশিয়া — | ............ | কলুভা— | ............ |
| হংসি — | ............ | হুপ— | ............ |

✎ তলৰ সাজ্জাটো সম্পূৰ্ণ কৰা —



অধ্যায়ঃ ৩— 

# আমাৰ চৌপাশ

পাঠ - ১

## পখিলা

H2R2K7

গাওঁ আহা —



পখিলাই পাখি মেলি
নাচে উৰি উৰি
আধাফুলা কলিটিক
চায় ঘূৰি ঘূৰি।



একেলগে খেলোঁ বুলি
কলিটিক ক'লে,
ভালপাই কলিটিয়ে
পাহি মেলি দিলে।



পাহি মেলি কলিটিয়ে
জক্‌মক্ কৰে,
উলাহতে পখিলাৰ
মন ভৰি পৰে।

**শিক্ষকলৈ নিৰ্দেশনা ঃ** অংগ-ভঙ্গীৰে পদ্যটো গাই শুনাব আৰু শিকাৰুৰ সৈতেও একেলগে গাব। শিকাৰুৱে ইতিমধ্যে জনা নিচুকনি গীত, ওমলা গীত আদি অংগ-ভঙ্গীৰে গাবলৈ দিব।

বিঃদ্রঃ 'পখিলা' পদ্যটি 'অংকুৰণ', প্ৰথম ভাগ (একাদশ প্ৰকাশ ২০২০) ৰ পৃষ্ঠা ২৭ ৰ পৰা তুলি দিয়া হৈছে।

## ক্ৰিয়া-কলাপ—

**কথা পাতোঁ আহা—**

ক) পখিলাই কেনেকৈ নাচে?

খ) পখিলাই কাৰ সৈতে খেলিব বিচাৰিছে?

গ) ফুলনিত তুমি পখিলাৰ বাহিৰে আৰু কি কি দেখা পোৱা?

ঘ) তুমি কি কি ৰঙৰ পখিলা দেখিছা?

ঙ) পখিলাৰ দৰে দুখন পাখি থাকিলে তুমি কি কৰিলাহেঁতেন?

**পঢ়োঁ আহা—**

| | | |
|---|---|---|
| উৰি | ঘূৰি | ফুৰি |
| ক'লে | দিলে | ফুলে |
| বেলি | ধূলি | বালি |

**ফুলৰ নাম কওঁ আহা—**


তগৰ


গোলাপ


কপৌ


শেৱালি


কৰবী


বকুল


**কাষত দিয়া ছবিকেইখন চাই খালী ঠাই পূৰ কৰোঁ আহা —**


ফুলপাহত................পৰিছে।


আকাশত ................... উৰিছে।

## ছবি চাই কাহিনী কওঁ আহা—

# ডাঙৰ বেলুন




**শিক্ষকলৈ নির্দেশনা ঃ** শিকাৰুক ছবিকেইখন চাবলৈ দি প্ৰতিখন ছবিতে কোনে, কি, কিয় কৰিছে সুধিব। যেনে— ছোৱালীজনীক বেলুনটো কোনে দিছে, ছোৱালীজনীয়ে বেলুনটোৰে কি কৰিছে, মেকুৰীটো কিয় ছোৱালীজনীৰ কাষলৈ আহিছে, বেলুনটো কি হ'ল, কোনে বেলুনটো ফুটালে আদি। শেষত শিকাৰুক কাহিনীটো ক্ৰম অনুসৰি নিজৰ ধৰণে ক'বলৈ দিব। কথোপকথনত শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব।


## ক্ৰিয়া-কলাপ—

**সঠিক শব্দটো বাছি বাক্যবোৰ পূৰ কৰোঁ আহা—**


(ক) ছোৱালীজনীয়ে এটা ডাঙৰ .............................. লৈ খেলি আছিল। **বেলুন/বল**

(খ) ছোৱালীজনীৰ এজনী পোহনীয়া .................................. আছিল। **মেকুৰী/ কুকুৰ**

**তলত দিয়া ছবিখনত ৰং কৰোঁ আহা—**



**মেকুৰীৰ পোৱালিটোৱে কোনটো ৰাস্তাৰে গ'লে মাকক লগ পাব?**





### পঢ়োঁ আহা—





গাইক দানা পানী যিমানে দিবা,
গাখীৰ খাবলৈ সিমানে পাবা।

হাঁহে বিচাৰে বাৰীৰ খাল,
কুকুৰাই বোলে গঁড়ালহে ভাল।





সকলো জীৱকে কৰিবা মৰম,
এয়েহে জানিবা পৰম ধৰম।

পুখুৰীত মেলিবা মাছৰ পোনা,
তেহে পাবা ধনৰ মোনা।

পাঠঃ ২

# ছাগলী গ'ল ক'লৈ!

শুনো আহা —

**তোমালোকৰ চৌপাশে দেখা জীৱ-জন্তুবোৰক মৰম কৰানে? তৰালীৰ দুটা বৰ মৰমলগা ছাগলী পোৱালি আছিল। তৰালী আৰু তাইৰ ছাগলী পোৱালিদুটাৰ সাধুটো শুনো আহা—**

তৰালীহঁতৰ ছাগলীজনীৰ দুটা পোৱালি জগিছে। এটা ক'লা, এটা বগা। তাই সদায় পোৱালিদুটাৰ সৈতে ওমলে।





এদিন দুপৰীয়া তৰালীয়ে পোৱালিদুটা ক'তো নেদেখিলে। তাইৰ বৰ দুখ লাগিল। তাই মাকৰ সৈতে ইফালে-সিফালে পোৱালি দুটা বিচাৰিলে। কিন্তু ক'তো নাপালে। পোৱালিদুটাক শিয়ালে খাই পেলালে বুলি ভাবি তৰালীয়ে বৰ দুখ কৰিলে।



তেনেতে তাই বাৰীৰ পাছফালে পোৱালি এটাৰ মাত শুনি দৌৰি গ'ল। তাই মাকৰ সৈতে পোৱালিদুটা চোতাললৈ আনিলে।



এইবাৰ তৰালীৰ মাকে পোৱালিদুটাৰ ডিঙিত দুটা টিলিঙা ওলোমাই দিলে।





পোৱালিদুটা চোতালত জঁপিয়াই ফুৰিবলৈ ধৰিলে। সিহঁত জঁপিওৱাৰ লগে লগে টিলিঙাদুটাও টিলিং টিলিংকৈ বাজি উঠিল।



তাকে দেখি তৰালীয়ে বৰ আনন্দ পালে। টিলিং টিলিং শব্দত তায়ো জঁপিয়াবলৈ ধৰিলে।

# ক্ৰিয়া-কলাপ —

**কথা পাতোঁ আহা —**

ক) তৰালীয়ে সদায় কাৰ সৈতে ওমলে?

খ) তৰালীয়ে ছাগলী পোৱালিদুটা ক'ত বিচাৰি পালে?

গ) পোৱালিদুটাক চোতাললৈ আনি মাকে কি কৰিলে?

ঘ) ছাগলী পোৱালিদুটা কি কি ৰঙৰ আছিল?

ঙ) তোমাৰ বস্তু হেৰালে তুমি কি কৰা?

চ) তোমাৰ ঘৰৰ আশে-পাশে কি কি জীৱ-জন্তু দেখা পোৱা?

**কওঁ আৰু লিখোঁ আহা —**

ক) তৰালীহঁতৰ ছাগলীজনীৰ কেইটা পোৱালি আছিল?

উত্তৰ ঃ ..........................................................................................................


খ) পোৱালিকেইটাৰ ডিঙিত কি ওলোমাই দিয়া হৈছিল?

উত্তৰ ঃ ..........................................................................................................

গ) ছাগলীৰ ডিঙিৰ টিলিঙাকেইটা বাজিলে কেনে শব্দ হয়?

উত্তৰ ঃ ..........................................................................................................

**তলৰ ছবিবোৰত থকা জীৱ-জন্তুবোৰৰ নাম কওঁ আৰু লিখোঁ আহা —**



..............................



..............................



..............................



..............................



..............................



..............................

## ✎ কাষৰ ছবিখন চোৱা আৰু ছবিখনৰ বিষয়ে দুটা বাক্য লিখা—

ক) ..............................................................................................


..............................................................................................

খ) ..............................................................................................


..............................................................................................



## ☺ কাগজৰ বিচনী সাজোঁ আহা —




প্ৰথমে দীঘলে পথালিয়ে সমান জোখৰ এখন কাগজ লোৱা আৰু কাগজখনৰ এটা মূৰত সৰুকৈ এটা জাপ দিয়া।



এইবাৰ কাগজখন ওলোটাই লৈ পুনৰ এটা সৰু জাপ দিয়া।




এনেদৰে কাগজখনৰ শেষ মূৰলৈকে ওলট-পালটকৈ সৰু সৰুকৈ জাপি যোৱা।



এইবাৰ জাপি লোৱা কাগজখন সোঁমাজেৰে দুভাগ হোৱাকৈ জাপি লোৱা আৰু এফালৰ মূৰ দুটা আঠা লগাই দিয়া।



আনফালৰ মূৰ দুটাত দুডাল সমান জোখৰ বাঁহৰ কাঠি আঠা লগোৱা।



এতিয়া আমাৰ বিচনী সজা হৈ গ'ল।

ছবি চাই নাম কওঁ আহা —

ৰেফ ‘র্’


দৰ্জা


পৰ্বত


কেৰ্কেটুৱা


কৰ্ণ

গাওঁ আহা —

সদায় পুৱা গৰ্গ মামাই
কৰ্কৰা ভাত খাই
ধৈৰ্য ধৰি কৰ্ম কৰে
গৰ্ব অকণো নাই।
অযথা তৰ্ক নকৰে কদাপি
সকলোতে তেওঁ পাৰ্গত,
হৰ্ষমনেৰে থাকে নিতৌ
বগাবও পাৰে পৰ্বত।

পদ্যটোত থকা ৰেফযুক্ত (র্) আখৰবোৰত ঘেৰ দিওঁ আহা —

পঢ়োঁ আহা —

| | | | |
|---|---|---|---|
| তৰ্ক | ধৰ্ম | গৰ্ব | খৰ্ব |
| কৰ্ণ | বৰ্ণ | দৰ্জা | পৰ্দা |
| অৰ্শ | বৰ্ষ | ধূৰ্ত | সৰ্প |
| অৰ্জুন | বৰ্ষণ | সুৱৰ্ণ | দৰ্শন |
| কৰ্কৰা | বৰ্ণনা | নৰ্মদা | মাৰ্জনা |

জানো আহা — শব্দৰ মাজৰ ‘ৰ’-ৰ উচ্চাৰণ স্বৰধ্বনিৰে শেষ নহ’লে তাৰ সলনি তাৰ পাছৰ আখৰটোৰ ওপৰত ৰেফ ‘র্’ হৈ বহে। যেনে - ‘ব’, ‘ৰ্’ আৰু ‘ণ’ মিলি ‘বৰ্ণ’ হৈছে। ব + ৰ্ + ণ = বৰ্ণ

✎ একে অৰ্থ বুজোৱা শব্দবোৰ পঢ়োঁ আৰু খালি ঠাইত লিখোঁ আহা —

| | | | | |
|---|---|---|---|---|
| সোণ | সুৱৰ্ণ | .................... | .................... | .................... |
| কাণ | কৰ্ণ | .................... | .................... | .................... |
| সাপ | সৰ্প | .................... | .................... | .................... |
| বছৰ | বৰ্ষ | .................... | .................... | .................... |

✎ লিখোঁ আহা —

| তৰ্ক | কৰ্ম | পৰ্বত | কৰ্ণ |
|---|---|---|---|
| .............. | .............. | .............. | .............. |
| .............. | .............. | .............. | .............. |

ছবিদুখন চাই পাৰ্থক্যবোৰ বাছি উলিয়াওঁ আহা —





পঢ়োঁ আহা —

## দীঘল-চুটি

বৰটোকোলাৰ ডিঙি দীঘল,
দীঘল তাৰ ঠেং
বিলৰ দাঁতিত থিয় দি খায়
মাছ, শামুক, বেং!
পাতি হাঁহৰ চুটি ঠেং
থপক থপক যায়,
পানীৰ তলত মূৰ গুঁজি
নাজানো কি খায়!



কওঁ আহা —

ক) বিলৰ দাঁতিত কোন থিয় দি আছে?

খ) পানীৰ তলত মূৰ গুঁজি কোনে খায়?

গ) এটি দীঘল ঠেঙৰ চৰাইৰ নাম কোৱা?

ঘ) পানীত আৰু কি কি চৰাই চৰে?

তলৰ ছবিকেইখন চোৱা আৰু প্ৰশ্নকেইটাৰ উত্তৰ দিয়া—



ক) বগলীৰ আগত কোন আছে?

খ) একেবাৰে শেষত কোন আছে?

গ) মাজত কোনটো চৰাই আছে?

ঘ) মাছৰোকাৰ পাছত কোন কোন আছে?

ঙ) হাঁহৰ আগত কোন আছে?

পদ্যটো নৰকান্ত বৰুৱাৰ 'শিশু সাহিত্য সমগ্ৰ' (সম্পাদনা গগণ চন্দ্ৰ অধিকাৰী) প্ৰথম খণ্ড (পৃষ্ঠা নং ২৫) ৰ পৰা তুলি দিয়া হৈছে।

## শিকন ফলাফল

- গীত আৰু পদ্য শুনিবলৈ আগ্ৰহী হ'ব আৰু সেইধৰণৰ গীত পদ্য ভালপোৱাৰ কাৰণ দৰ্শাব পাৰিব।
- দুই-তিনিটা স্তৱকৰ পদ্য/গীত আবৃত্তি কৰিব/গাব পাৰিব।
- চুটি পদ্য বা গীত নিজৰ শব্দশৈলীৰে নিজাববীয়াকৈ সৃষ্টি কৰিব পাৰিব।
- আলোচনা কৰোঁতে বহুজনৰ মতামতৰ মাজত আলোচ্য বিষয় সন্দৰ্ভত ধাৰাবাহিকতা ৰক্ষা কৰিব পাৰিব।
- যিকোনো বিষয়বস্তু সন্দৰ্ভত হোৱা আলোচনাত ভাগ লব পাৰিব আৰু সেই সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব আৰু নিজেও প্ৰশ্ন সুধিব পাৰিব।
- চৰ্তসাপেক্ষে একাধিক নিৰ্দেশনা অনুসৰণ কৰিব পাৰিব। (যেনেঃ যদি বৰষুণ দিয়ে, গছপুলিত পানী নিদিবা, তাৰ সলনি গুৰিবোৰ চাফা কৰিব দিবা)
- গাণিতীক ধাৰণা (যেনে ঃ দিশ সম্পৰ্কীয়, স্থান, জোখ-মাপ সম্পৰ্কীয়) সম্বলিত নিৰ্দেশনা দিব পাৰিব।
- গল্প বা সাধু এটা পঢ়ি লিখকৰ গল্প বা সাধুটো লিখাৰ উদ্দেশ্য ব্যাখ্যা কৰিব পাৰিব আৰু গল্প বা সাধুটো নিজে পুনৰ ক'ব পাৰিব।
- বহু অক্ষৰযুক্ত শব্দ (যুক্তাক্ষৰ, ব্যঞ্জনবৰ্ণৰ মণ্ডলকে ধৰি), অৰ্থহীন শব্দ সঠিকভাৱে পঢ়িব পাৰিব।
- সঠিক লয় সুৰ আৰু বিৰামসহ চুটি পাঠ শুদ্ধকৈ আৰু সলসলীয়াকৈ পঢ়িব পাৰিব।
- ছবিৰ সহায়ত উপস্থাপন কৰা বিষয়তকৈ ছবি নথকা পাঠ নিজাববীয়াকৈ পঢ়িবলৈ আৰম্ভ কৰিব।
- অপৰিচিত কাহিনী পঢ়িব পাৰিব আৰু কাহিনীৰ চৰিত্ৰ, পটভূমি, ঘটনাক্ৰম আৰু লিখকৰ দৃষ্টিকোণ আদি চিনাক্ত কৰিব পাৰিব।
- চুটি বাক্য শুনি, লিখিব (শ্ৰুতলিপি) পাৰিব।
- ক্ৰম অনুসৰি ছবি সজাব পাৰিব আৰু ছবিৰ লগত শুদ্ধকৈ দুটা বাক্য লিখিব পাৰিব।

## পুনৰালোচনা

### দফাটো পঢ়ি প্ৰশ্নকেইটাৰ উত্তৰ দিয়া—

এদিন এটা পৰুৱাই তাৰ ঘৰ সাজি আছিল। ফৰিং এটাই সদায় আহি পৰুৱাটোৰ লগত কথা-বতৰা পাতে। দুয়ো খেলা-ধূলাও কৰে। পৰুৱাটোৱে ফৰিঙক বাৰিষাৰ আগতেই তাৰ ঘৰটো সাজিবলৈ কৈছিল। ফৰিঙে পৰুৱাৰ কথাত মন-কাণ নিদিলে। বাৰিষাকাল পালেহি। এদিন আকাশখন ক'লা মেঘে ছানি ধৰিলে। ধাৰাসাৰ বৰষুণ আহিল। ফৰিংটো বৰষুণত জুৰুলি-জুপুৰি হ'ল। পৰুৱাটোৱে নিজৰ ঘৰৰ পৰা ফৰিংটোলৈ চাই থাকিল।

### কোৱা—

ক) পৰুৱাটোৱে কি কৰি আছিল?
খ) পৰুৱাটোৱে ফৰিঙক কি কৈছিল?
গ) বৰষুণত ফৰিঙৰ কি হ'ল?
ঘ) পৰুৱাটো কিয় বৰষুণত নিতিতাকৈ থাকিল?
ঙ) তুমি কি কি পতঙ্গৰ নাম জানা কোৱা।

### পঢ়া —



বগলীৰ ডিঙি দীঘল।
হাঁহৰ ডিঙি চুটি।



তামোল গছ ওখ।
বেঙেনা গছ চাপৰ।



গোৱা—

কেৰ্কেটুৱা কেৰ্কেটুৱা
নাকান্দিবা তুমি,
পোৱালিটো আনিছিলোঁ
দুখ পাইছে বুলি।
খুৱাই বুৱাই ৰাখিছিলোঁ
মৰম-চেনেহ কৰি,
ঘূৰাই দিছোঁ পোৱালিটো
ৰাখা যতন কৰি।



পঢ়া —

পূৰ্ণিমাৰ পূৰ্ণ জোন।
সুৱৰ্ণৰ অৰ্থ সোণ।

মূৰ্খই নাজানি তৰ্ক কৰে।
পাৰ্গত বুলি ফিতাহি মাৰে।

কৰ্ণ মানে কাণ।
পৰ্ণ মানে পাত।

তলৰ আখৰ-জালৰ পৰা আখৰ বিচাৰি শব্দ গঠন কৰি পঢ়োঁ আৰু লিখোঁ আহা —

| | | | |
|---|---|---|---|
| অ | দ | ব | ৰ্ষ |
| স | ৰ্প | ক | ৰ্ণ |
| ম | ন | য় | ন |
| য় | ত | লা | খ |

সৰ্প ........................ ........................

........................ ........................

........................ ........................

........................ ........................

শ্ৰুতলিপি —

শিক্ষকলৈ নিৰ্দেশনাঃ পাঠটোত শিকোৱা ৰেফ্‌যুক্ত আৰু ৰেফ্‌বিহীন শব্দৰ শ্ৰুতলিপি টোকাবহীত লিখিবলৈ দিব।

বিঃদ্ৰঃ পদ্যটি 'অংকুৰণ', (প্ৰথম ভাগ, সংস্কৰণ ২০২০) ৰ পৃষ্ঠা ১১ ৰ পৰা তুলি দিয়া হৈছে।

অধ্যায় ৪—

# খেল-ধেমালি

K1W9R6

ছবি চাই কথা পাতোঁ আহা—





**শিক্ষকলৈ নিৰ্দেশনা ঃ** ছবিখন শিকাৰুসকলক দলীয়ভাবে বহি চাবলৈ আৰু আলোচনা কৰিবলৈ দিব। ক) ছবিত কি কি খেল আছে? খ) এই খেলবোৰ খেলিবলৈ কি কি লাগে? গ) এই খেলবোৰ খেলি কিয় আনন্দ লাগে? ঘ) এই খেলবোৰ কিদৰে খেলা? ঙ) এই খেলবোৰৰ ভিতৰত তুমি কোনটো খেল খেলিছা, আৰু কিদৰে খেলিছা? এনেধৰণৰ প্ৰশ্ন কৰি আলোচনা আগবঢ়াব। আলোচনাত শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব।

## শুনি কওঁ আহা —

| | | | |
|---|---|---|---|
| কাব্য | নাট্য | বিদ্যা | নৃত্য |
| সত্য | বাদ্য | সাধ্য | ৰাজ্য |

জানো আহা — ■ আন ব্যঞ্জনবৰ্ণৰ লগত 'য়' যোগ হ'লে '্য' (য়) কাৰ ৰূপ লয়।

## শুনো আৰু গাওঁ আহা —

সজ ল'ৰাই পাঠ্যপুথি
নিয়াৰিকৈ থয়,
ধৈৰ্য ধৰি কাম কৰিলে
অসাধ্য সাধন হয়।
পঢ়াৰ বলত বিদ্যা লাভে
মন সবল কৰে,
আজৰি পৰৰ নৃত্য-গীতে
মন ফৰকাল কৰে।



পদ্যটোত থকা য় কাৰ (্য) যুক্ত শব্দবোৰত ঘেৰ দিয়া।

## তলত দিয়া শব্দবোৰ পঢ়োঁ আৰু লিখোঁ আহা—

| | | | |
|---|---|---|---|
| শিষ্য | শস্য | পুণ্য | পাঠ্য |
| ........................ | ........................ | ........................ | ........................ |
| ........................ | ........................ | ........................ | ........................ |
| সহ্য | উহ্য | দাহ্য | লেহ্য |
| ........................ | ........................ | ........................ | ........................ |
| ........................ | ........................ | ........................ | ........................ |

জানো আহা — ■ 'শ', 'ষ', 'স'-ৰ লগত 'য়' যোগ হ'লে উচ্চাৰণ 'চ' আৰু 'ছ'ৰ নিচিনা হয়।
■ 'হ'-ৰ লগত 'য়' লগ হ'লে 'হ'ৰ উচ্চাৰণ 'জ'ৰ নিচিনা হয়।

শিক্ষকলৈ নিৰ্দেশনা ঃ য়-কাৰ (্য) যুক্ত শব্দ শিকাওঁতে য়- কাৰ (্য) ৰ ৰূপ আৰু উচ্চাৰণৰ বিষয়ে বুজাই দিব।

শুনি কওঁ আহা —

## ৰ-কাৰ (্র)

| | | | |
|---|---|---|---|
| গ্ৰহ | ঘ্ৰাণ | শ্ৰম | প্ৰাণ |
| নম্ৰ | তাম্ৰ | মুদ্ৰা | অগ্ৰজ |
| বিশ্ৰাম | আশ্ৰয় | পৱিত্ৰ | দৰিদ্ৰ |

জানো আহা — অন্য আখৰৰ লগত 'ৰ' লগ হ'লে ৰূপ সলনি হৈ আখৰটোৰ তলত ৰ-কাৰ (্র) হয়।

খালী ঠাইত ৰ-কাৰ (্র) বহুৱাই শব্দ সাজি পঢ়োঁ আহা —


| | | | |
|---|---|---|---|
| পথম | বিগহ | বিশাম | দৰণ |
| মিয়মাণ | দৰিদ | পলয় | পাণ |

পঢ়োঁ আহা —

পৃথিৱীত অনেক প্ৰাণী আছে।

তাৰে ভিতৰত কিছুমান ঘৰচীয়া





আৰু কিছুমান বনৰীয়া।

গৰু ঘৰচীয়া প্ৰাণী।

বাঘ বনৰীয়া প্ৰাণী। ইয়াক ব্যাঘ্ৰ বোলা হয়।

হৰিণ এবিধ নম্ৰ প্ৰাণী।

**শিক্ষকলৈ নিৰ্দেশনা ঃ** ৰ-কাৰ (্র) যুক্ত শব্দ শিকাওঁতে ৰ- কাৰ (্র) ৰ ৰূপ আৰু উচ্চাৰণৰ বিষয়ে বুজাই দিব।

পাঠ ১

# লুকা-ভাকু

শুনো আহা—

**তোমালোকে লুকা-ভাকু খেলি পাইছানে? কেনেকুৱা লাগে বাৰু? ছবিখনলৈ চোৱাচোন। দেখিছানে? হাবিৰ জন্তুবোৰেও লুকা-ভাকু খেলিছে। সাধুটোত কি হ'ল শুনাচোন—**

এদিন এখন হাবিৰ জীৱ-জন্তুবোৰৰ লুকা-ভাকু খেলিবলৈ মন গ'ল। শিয়াল, হাতী, কেৰ্কেটুৱা, বান্দৰ সকলো লগ লাগিল। সকলোৱে মিলি কোনে প্ৰথমে চকু মুদি থাকিব আলোচনা কৰিলে।






অৱশেষত ঠিক হ'ল যে বান্দৰে চকু মুদি থাকিব। বাকী জন্তুবোৰ লুকাবলৈ গ'ল। কেৰ্কেটুৱা লুকাল এটা জোপোহাৰ আঁৰত। শিয়াল লুকাল এটা উঁই হাঁফলুৰ আঁৰত।



হাতীটো ওচৰৰে এজোপা গছৰ আঁৰত লুকাই থাকিল। সকলোৰে লুকোৱা হ'লত, কেৰ্কেটুৱাই ক'লে — 'কু....ক্।'



চকু মেলিয়েই হাঁহি হাঁহি বান্দৰটো গছজোপাৰ ওচৰলৈ গ'ল। লুকাই থকা হাতীটোক ক'লে— 'ভা......'



সকলোৱে ঢেক্‌ঢেককৈ হাঁহিবলৈ ধৰিলে।

## ক্ৰিয়া-কলাপ—

### কথা পাতোঁ আহা —

ক) হাবিত কোনে কোনে লুকা-ভাকু খেলিলে?

খ) লুকা-ভাকু খেলোঁতে কোনে চকুমুদি থকাটো ঠিক কৰিলে?

গ) হাতী ক'ত লুকাইছিল?

ঘ) বান্দৰে কিয় হাতীক প্ৰথমতে দেখিলে?

ঙ) তুমি লুকা-ভাকু খেলিলে ক'ত ক'ত লুকোৱা?

চ) লুকা-ভাকুৰ উপৰি তোমালোকে আৰু কি কি খেল খেলা আৰু কেনেকৈ খেলা?

ছ) সকলোৱে কিয় ঢেকঢেকৈ হাঁহিলে?

### লিখোঁ আহা —

ক) জোপোহাৰ আঁৰত কোন লুকাল?

.......................................................................................................


খ) লুকা-ভাকু ক'ত খেলিছিল?

.......................................................................................................

গ) শিয়ালে কিহৰ আঁৰত লুকাল?

.......................................................................................................

### তলত দিয়া ছবিবোৰ চাই খেল এটা খেলোঁ আহা—



## পঢ়োঁ আহা—

ৰেজিয়াৰ দেউতাক এজন খেতিয়ক। তেওঁ কবি, লাই, লফা, আলু, বেঙেনা, আদিৰ খেতি কৰে। তেওঁৰ বাৰীত ফলৰ গছো আছে। কল, মধুৰিআম, জলফাই গছেৰে বাৰীখন ভৰি আছে। আবেলি পৰত ৰেজিয়া বাৰীলৈ যায়। তাই দেউতাকক শাক-পাচলিত পানী দিয়াত সহায় কৰে। শাক-পাচলিবোৰ দেউতাকে বজাৰলৈ বেচিবলৈ নিয়ে।



## খালী ঠাই পূৰ কৰোঁ আহা —

ক) ৰেজিয়াৰ দেউতাক এজন ....................................... ।

খ) ৰেজিয়াৰ দেউতাকৰ বাৰীত...................... গছো আছে।

## লিখোঁ আহা —

ক) ৰেজিয়াৰ দেউতাকে কি কৰে?

উত্তৰ ঃ...........................................................................................................

খ) ৰেজিয়া কেতিয়া বাৰীলৈ যায়?

উত্তৰ ঃ...........................................................................................................

গ) ৰেজিয়াৰ দেউতাকে শাক-পাচলিবোৰ কিয় বজাৰলৈ নিয়ে?

উত্তৰ ঃ...........................................................................................................

পাঠ ২ ঃ

# ছাতি

পঢ়োঁ আহা—



এদিন ৰাতুল আৰু হিমানী দেউতাকৰ সৈতে বজাৰলৈ গ'ল। দেউতাকে সিহঁতক আজি ছাতি কিনি দিয়াৰ কথা। দুয়োৰে আজি কি যে ভাল লাগিছে! বজাৰত ইমানবোৰ দোকান! ৰাতুলক দেউতাকে তাৰ পৰা এটা নীলা ৰঙৰ ছাতি কিনি দিলে।



হিমানীয়ে আকৌ ৰং বিৰঙৰ ছাতি এটাহে বাছি ল'লে। ঘৰলৈ আহি সিহঁতে ভনীয়েক পূবালীক ছাতিদুটা দেখুৱালে।

লিখোঁ আহা —

ক) ৰাতুল আৰু হিমানী কাৰ সৈতে বজাৰলৈ গৈছিল?

উত্তৰ ..........................................................................................

খ) ৰাতুল আৰু হিমানী কিয় বজাৰলৈ গৈছিল?

উত্তৰ ..........................................................................................

গ) ৰাতুলক দেউতাকে কি ৰঙৰ ছাতি কিনি দিলে?

উত্তৰ ..........................................................................................

হিমানীয়ে কিনা ছাতিটো চোৱাচোন। ছাতিটোত কি কি ৰং আছে লিখোঁ আহা—

.................... .................... ....................

.................... .................... ....................

....................



## শিকন ফলাফল

- দুই-তিনিটা স্তৱকৰ পদ্য/গীত আবৃত্তি কৰিব/গাব পাৰিব।
- চুটি পদ্য বা গীত নিজৰ শব্দশৈলীৰে নিজাববীয়াকৈ সৃষ্টি কৰিব পাৰিব।
- আলোচনা কৰোঁতে বহুজনৰ মতামতৰ মাজত আলোচ্য বিষয় সন্দৰ্ভত ধাৰাবাহিকতা ৰক্ষা কৰিব পাৰিব।
- যিকোনো বিষয়বস্তু সন্দৰ্ভত হোৱা আলোচনাত ভাগ লব পাৰিব আৰু সেই সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব আৰু নিজেও প্ৰশ্ন সুধিব পাৰিব।
- চৰ্তসাপেক্ষে একাধিক নিৰ্দেশনা অনুসৰণ কৰিব পাৰিব। (যেনেঃ যদি বৰষুণ দিয়ে, গছপুলিত পানী নিদিবা, তাৰ সলনি গুৰিবোৰ চাফা কৰিব দিবা)
- বহু অক্ষৰযুক্ত শব্দ (যুক্তাক্ষৰ, ব্যঞ্জনবৰ্ণৰ মণ্ডলকে ধৰি), অৰ্থহীন শব্দ সঠিকভাৱে পঢ়িব পাৰিব।
- সঠিক লয় সুৰ আৰু বিৰামসহ চুটি পাঠ শুদ্ধকৈ আৰু সলসলীয়াকৈ পঢ়িব পাৰিব।
- অপৰিচিত কাহিনী পঢ়িব পাৰিব আৰু কাহিনীৰ চৰিত্ৰ, পটভূমি, ঘটনাক্ৰম আৰু লিখকৰ দৃষ্টিকোণ আদি চিনাক্ত কৰিব পাৰিব।
- ক্ৰম অনুসৰি ছবি সজাব পাৰিব আৰু ছবিৰ লগত শুদ্ধকৈ দুটা বাক্য লিখিব পাৰিব।

## পুনৰালোচনা

### পঢ়া —

আহাৰ মানে খাদ্য। প্ৰত্যেক জীৱই খাদ্য গ্ৰহণ কৰে। খাদ্যৰ বাবে মানুহে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে। খেতিয়কে নানা শস্যৰ খেতি কৰে।

বৃক্ষ মানে গছ। গছ-পুলি ৰোপণ কৰাটো আমাৰ কৰ্তব্য। গুণীজনে নিজৰ কৰ্তব্য নিয়াৰিকৈ পালন কৰে।

### লিখা —

ক) আহাৰ মানে কি?

.................................................................................................................

খ) কোনে নিজৰ কৰ্তব্য নিয়াৰিকৈ পালন কৰে?

.................................................................................................................

গ) খাদ্যৰ বাবে মানুহ কিহৰ ওপৰত নিৰ্ভৰশীল?

.................................................................................................................

ঘ) তিনিবিধ পাচলিৰ নাম লিখা।

.................................................................................................................

### খেলোঁ আহা —

চিত পখিলা চিত পখিলা
ৰঙা ৰং ক'ত দেখিলা?



**শিক্ষকলৈ নিৰ্দেশনা ঃ** ৰঙৰ খেলটো খেলাওঁতে ৰঙৰ নাম সলনি কৰি শ্ৰেণীকোঠাত থকা সামগ্ৰীবোৰৰ ৰং চিনাক্ত কৰিবলৈ দিব।

অধ্যায় - ৫

# আমাৰ সংস্কৃতি

তলৰ ছবিবোৰত থকা বস্তুবোৰ তোমালোকে কেতিয়াবা দেখিছানে? আহাচোন আমি ছবিবোৰৰ নাম জানি থওঁ —


ডুগডুগী


থুৰীয়া


গামখাৰু



মুঠিখাৰু


জোনবিৰি


ৰিহা


ঢোল


পেঁপা


টকা


গামোচা


টঙালি


মেখেলা চাদৰ

পাঠঃ ১

# আইতাৰ বৰপেৰা

শুনো আহা —

থুৰীয়া, গামখাৰু, মুঠিখাৰু, ডুগডুগী তোমালোকে পিন্ধি পাইছানে? সুলেখা, দূবৰিহঁতে বিহু নাচিবলৈ জোনবিৰি, ঢোলবিৰি ক'ত পালে জানো আহাচোন—



ব'হাগ বিহুৰ বতৰ। ব'হাগৰ তিনিদিন গ'লেই। সুলেখা, দূবৰি, অমলহঁত আজি ঘৰে ঘৰে হুঁচৰি গাবলৈ যাব। বিহুৱা, নাচনী সাজিবলৈ কাপোৰ বিচাৰি সিহঁতে দূবৰিৰ আইতাকৰ ওচৰ পালেগৈ।

আইতাকে নিজৰ বৰপেৰাটো মেলি ল'লে। তাৰ পৰা তেওঁ নিজে বোৱা ধুনীয়া ধুনীয়া ৰিহা, মেখেলা, টঙালি, চুৰীয়া আৰু গামোচা সিহঁতৰ বাবে উলিয়াই দিলে। দূবৰিহঁতক আইতাকে ৰিহা-মেখেলা পিন্ধাই দিলে। আন এটা টোপোলাৰ পৰা উলিয়াই আইতাকে দুয়োকে জোনবিৰি আৰু ঢোলবিৰিও পিন্ধাই দিলে।

ককাকে অমলক চুৰীয়া পিন্ধাই দিলে আৰু কঁকালত টঙালি বান্ধি দিলে। সি বেৰৰ পৰা নমাই ককাকৰ পুৰণি ঢোলটো কান্ধত আঁৰি ল'লে। তাকে দেখি ককাকে তাক বাঁহৰ টকা এটাও দিলে।





অমলহঁতে গাঁৱৰ এমূৰৰ পৰা হুঁচৰি গাবলৈ আৰম্ভ কৰিলে। কেইঘৰমানৰ চোতালত বিহুমৰাৰ পিছতেই অমলৰ ঢোলটো ফাটি থাকিল। সিহঁত বৰ বিপাঙত পৰিল। দুবৰিয়ে ক'লে—"ঢোল নহ'লেও আমি টকা বজায়ো নাচিব পাৰিম।"

তাৰপিছত সিহঁতে গাঁৱৰ বাকীকেইঘৰত টকা বজায়ে বিহু নাচিলে।

শেষৰদিনা দুবৰিহঁতৰ ঘৰৰ ওচৰৰ নৈ কাষৰ শিমলুজোপাৰ তলত সিহঁতে বিহু উৰুৱালে। তাৰ পিছত সকলোৰে মিলি আনন্দেৰে ভোজ-ভাত খালে।

---

**শিক্ষকলৈ নিৰ্দেশনা ঃ** সাৱলীলভাৱে কাহিনীটো পঢ়ি শুনাব। শিকাৰুৰ বিহু নচা বা ভোজ-ভাত খোৱা অভিজ্ঞতা সম্পৰ্কে কথা পাতিব।

ক্ৰিয়া-কলাপ—

## কথা পাতোঁ আহা —

ক) আইতাই গহনাবোৰ ক'ত ভৰাই ৰাখিছিল?

খ) সুলেখাহঁতে কি কি গহনা পিন্ধিছিল?

গ) বৰপেৰাৰ পৰা আইতাকে কি কি কাপোৰ উলিয়াইছিল?

ঘ) বিহুত নাচনীয়ে কিদৰে সাজোন-কাচোন কৰে?

## লিখোঁ আহা—

ক) সুলেখাহঁতে কি কৰিবলৈ যাব?

..............................................................



খ) আইতাকে কাপোৰ আৰু অলংকাৰ ক'ত ভৰাই থৈছিল?

..............................................................

গ) অমলে হুঁচৰি গাবলৈ যোৱাৰ আগতে ককাকে তাক কি কি দিছিল?

..............................................................

ঘ) আইতাকে সুলেখাহঁতক কি কি পিন্ধাই দিছিল?

........................................................................................................................

## ছবি চাই বাক্য লিখোঁ আহা —


→ ..............................................................



→ ..............................................................


→ ..............................................................

কিহৰ লগত কি মিলিব আঁচ টানি মিলাওঁ আহা—














সাঁথৰ ভাঙো আহা ঃ


শাহটো পেলাই বাকলিটো খায়
সেইটোনো কি কোৱাচোন ভাই?



তিনিকোণীয়া মাজত খাল
ঘাৰত ধৰি মাৰিবলৈ ভাল। কি?



এযোৰ পখী আছে।
পিছে কোনেও কাকো নেদেখে। কি?



## শুনো আৰু পঢ়োঁ আহা—

ল্ল, ন্ন, ত্ত, ট্ট, দ্দ, চ্চ, জ্জ

| | | | |
|---|---|---|---|
| উল্লাস | পল্লৱ | উল্লেখ | বল্লভ |
| অন্ন | প্ৰসন্ন | উন্নত | উন্নয়ন |
| উত্তৰ | উত্তীৰ্ণ | আপত্তি | উত্তৰণ |
| পট্টা | ঠাট্টা | অট্টালিকা | ভাট্টা |
| উচ্চতা | উচ্চাৰণ | সৰ্বোচ্চ | উচ্চতম |
| ইজ্জৎ | বজ্জাত | উজ্জয়িনী | উজ্জীৱন |
| উদ্দাম | উদ্দেশ্য | উদ্দীপনা | উদ্দীপিত |

জানো আহা — ল + ল ➡ ল্ল  ন + ন ➡ ন্ন  চ + চ ➡ চ্চ
ত + ত ➡ ত্ত  জ + জ ➡ জ্জ  ট + ট ➡ ট্ট
দ + দ ➡ দ্দ

## লিখোঁ আৰু পঢ়োঁ আহা—

| | | | |
|---|---|---|---|
| উল্লাস | প........ৰ | উচ্চ | উ ····· ৰণ |
| অন্ন | উ·····য়ন | উজ্জীৱন | উ ····· ৱিত |
| উত্তৰ | উ ·····ৰণ | উদ্দাম | উ····· শ্য |
| অট্টালিকা | প····· | | |

শিক্ষকলৈ নিৰ্দেশনা ঃ 'ল', 'ন', 'ত', 'ট', 'দ', 'চ', 'জ' ৰ লগত একে বৰ্ণ লগ হৈ পোৱা যুক্তাক্ষৰৰ উচ্চাৰণ আৰু ৰূপৰ পৰিবৰ্তন হৈ সৃষ্টি হোৱা যুক্তাক্ষৰ আয়ত্ত কৰিবলৈ লিখা আৰু পঢ়াৰ অনুশীলন বাৰে বাৰে কৰাব। লগতে একে অক্ষৰীয়া অন্যান্য যুক্তাক্ষৰসমূহো শিকাব।

✎ তলৰ আখৰ-জালৰ পৰা আখৰ বিচাৰি শব্দ গঠন কৰি পঢ়োঁ আৰু লিখোঁ আহা —

| | | |
|---|---|---|
| ধু | বি | ট |
| নী | হু | ঙা |
| য়া | ক | লী |
| গা | মো | চা |
| ব | জা | পি |

.......................... ..........................
.......................... ..........................

.......................... ..........................
.......................... ..........................

.......................... ..........................
.......................... ..........................

পঢ়োঁ আহা—

অৰ্ণৱ দিল্লীলৈ গৈছিল।


দিল্লী ভাৰতৰ ৰাজধানী।

দিল্লীৰ পৰা তেওঁ আগ্ৰালৈ গৈছিল।

আগ্ৰাত পৃথিৱী-বিখ্যাত তাজমহল আছে।



✎ শেষৰ আখৰেৰে নতুন শব্দ সাজোঁ আহা—



পাঠ - ২

# বিহুগীত



**গাওঁ আহা—**

বৰ্হমথুৰি বোলেৰে ওঁঠযুৰি বোলালোঁ
জেতুকাৰে বোলালোঁ হাত,
আয়ে বৈয়ে দিয়া মুগা ৰিহাখনি
মেৰিয়াই আহিলোঁ গাত।



স্বৰ্গদেউ ওলালে বাটচ'ৰাৰ মুখলে
দুলীয়াই পাতিলে দোলা,
কাণত জিলিকিলে জাংফাই কেৰু
গাত গোমচেঙৰ চোলা।

**কথা পাতোঁ আহা—**



ক) তোমালোকে কেতিয়াবা বিহু নাচি পাইছানে?

খ) বিহুৰ উপৰি তোমালোকে আন কি কি নাচ দেখিছা?

গ) বিহু নাচনীয়ে কি কি অলংকাৰ পিন্ধে?

ঘ) তোমালোকৰ ঘৰত কোনে কি কাপোৰ পিন্ধে কোৱা?

**কিহৰ লগত কি মিলে আঁচ টানি মিলাওঁ আহা —**

**বৰ্হমথুৰি** **জেতুকা** **জাংফাই** **স্বৰ্গদেউ**

**জানি লওঁ আহা**

বৰ্হমথুৰি — ওঁঠত ৰং লগাব পৰা দীঘলীয়া পাতৰ এবিধ গছ

বাটচ'ৰা —পদূলিমুখত সাজি থোৱা ঘৰ।

জাংফাই — কাণত পিন্ধা এবিধ গহনা

গোমচেঙ — বুটাবচা মিহি পাটৰ কাপোৰ।

জেতুকা — সৰু সৰু টুবুকা পাতেৰে এবিধ সৰু গছ, যি হাতত লগালে ৰঙা বৰণ ধৰে।

**শিক্ষকলৈ নিৰ্দেশনাঃ** সুৰ লগাই গাব আৰু শিকাৰুক গাবলৈ অনুপ্ৰেৰণা যোগাব। শিকাৰুৱে জনা অন্য গীত গাবলৈও উৎসাহিত কৰিব।

## গাওঁ আহা—

কি পিন্ধিবা কোৰা টপৰাই
পিন্ধিবা নেকি ৰিছা?
পিনি-পেকক, মিবু গালুক
নে ৰিগু ৰিখাউছা?
পেৰাত আছে কন্টং কামবুং
আৰু কাচং ফাচকাই,
তাৰে পৰা ল'ব পাৰা
দখনা, ফাচ্‌ৰা, আৰ'নাই।
চুৰিয়া, পাগুৰি, চেলেং
ৰিহা আৰু মেখেলা,
পাটানি, প'হ', গামোচা
উগন, ফালি, টাগলা।

## জানি লওঁ আহা—


পিনি পেকক


ফাচকাই


দখনা


চুৰিয়া


পাটানি


ৰিগু ৰিখাউছা

## শুনো আৰু কওঁ আহা—

**ন্দ, ন্ধ, ন্ত, ন্ম**

| | | | |
|---|---|---|---|
| বান্দৰ | এন্দুৰ | বন্ধ | সুগন্ধি |
| অন্ত | অন্তিম | অনন্ত | অন্তৰীক্ষ |
| জন্ম | সন্মান | উন্মেষ | উন্মীলন |

## শব্দবোৰ পঢ়োঁ আৰু যুক্তাক্ষৰ বহুৱাই লিখোঁ আহা —

| | | |
|---|---|---|
| বান্দৰ | সু……ৰ | ন……ন |
| অন্তৰ | অি……ম | চি……া |
| বন্ধ | আ……াৰ | সুগ…… |
| জন্ম | উে……ষ | উ……ীলন |



**জানো আহা —**

ন + দ ➡ ন্দ　　ন + ধ ➡ ন্ধ

ন + ত ➡ ন্ত　　ন + ম ➡ ন্ম

## পঢ়োঁ আহা —

বন্তি মানে চাকি। আনন্দহঁত গৰমৰ

বন্ধত বৰদোৱালৈ যাব।


বৰদোৱাত শংকৰদেৱৰ জন্ম হৈছিল।

---

**শিক্ষকলৈ নিৰ্দেশনাঃ** 'ন্দ', 'ন্ধ', 'ন্ত', 'ন্ম' ৰ উপৰি 'ন' সৈতে অন্য বৰ্ণ লগ হৈ পোৱা যুক্তাক্ষৰৰ উচ্চাৰণ আৰু ৰূপৰ পৰিৱৰ্তন হৈ সৃষ্টি হোৱা যুক্তাক্ষৰ আয়ত্ত কৰিবলৈ লিখা আৰু পঢ়াৰ অনুশীলন বাৰে বাৰে কৰাব।

## শুৱালকুছি

পঢ়োঁ আহা —



শুৱালকুছি পাট-মুগা কাপোৰৰ বাবে বিখ্যাত। ইয়াৰ শিপিনীসকলে সাধাৰণতে তাঁতশালত কাপোৰ বয়। কাপোৰত তেওঁলোকে বহু ধৰণৰ চানেকি তোলে। তাঁত ব'বৰ বাবে তেওঁলোকে ঘৰতে সূতা কাটে। সূতা কাটিবৰ বাবে যঁতৰ ব্যৱহাৰ কৰে। পাট-পলুৰ পৰা পাটসূতা উৎপাদন হয়। এৰী সূতাৰ পৰা এৰী কাপোৰ তৈয়াৰ কৰে। এৰী কাপোৰৰ বৰ উম।

### কথা পাতোঁ আহা—

ক) শুৱালকুছি কিহৰ বাবে বিখ্যাত?

খ) শিপিনীয়ে সূতা কাটিবৰ বাবে কি ব্যৱহাৰ কৰে?

গ) এৰী সূতাৰ পৰা কি তৈয়াৰ কৰা হয়?

ঘ) তাঁতশালত আৰু কি কি সঁজুলি ব্যৱহাৰ কৰা হয়?

### ছবিৰ সৈতে বাক্য মিলাওঁ আহা—






তাঁত বৈছে।

যঁতৰত সূতা কাটিছে।

বিহু নাচিছে।

ভাত ৰান্ধিছে।





# বিদ্যালয় সপ্তাহ

**পঢ়োঁ আহা —**

আজি বিদ্যালয় সপ্তাহৰ শেষৰ দিন। ছাত্ৰ-ছাত্ৰীসকল শোভাযাত্ৰাৰ বাবে সাজু হৈছে। সকলোৱে বিভিন্ন ধৰণৰ সাজপাৰ পিন্ধিছে। প্ৰবালহঁতৰ গাত মিচিং সাজ মিবু গালুক। ৰীমাহঁতে ডিমাচা সাজ ৰিগু ৰিখাউছা পিন্ধি আহিছে। কাৰ্বি সাজ পিনি পেকক পিন্ধি অহা দীপাহঁতক বৰ ধুনীয়া লাগিছে। বড়োসকলৰ দখনা পৰিহিত মূৰ্ছনাহঁতৰ দলটোও সাজি-কাচি আহিছে। আনসকলেও মেখেলা-চাদৰ, ধূতি, চোলা পৰিধান কৰিছে। সকলোৱে শাৰীপাতি শোভাযাত্ৰাত ভাগ লৈছে। প্ৰখৰ ৰ'দ সহিব নোৱাৰি হঠাৎ দীপা ঢলি পৰিল। প্ৰবালহঁতে তাইক ধৰি বহুৱাই দিলে। মূৰ্ছনাই ডিঙিত লোৱা আৰ'নাইখনেৰে তাইক বিচিবলৈ ধৰিলে।

**কথা পাতোঁ আহা —**

ক) বিদ্যালয় সপ্তাহৰ শেষৰ দিনা ছাত্ৰ-ছাত্ৰীসকলে কিয় ভিন ভিন সাজপাৰ পিন্ধি আহিছিল?
খ) ৰমেনহঁতে কি সাজ পৰিধান কৰিছিল?
গ) মূৰ্ছনাই ডিঙিত লোৱা আৰ'নাইখন কোন জনজাতিৰ?
ঘ) তোমাক যদি শোভাযাত্ৰাৰ বাবে যিকোনো এযোৰ পোচাক পিন্ধিবলৈ দিয়ে, তেনেহ'লে কি পিন্ধিবা?
ঙ) তোমাৰ কোনোবা বন্ধু বা বান্ধবী যদি মৰ্ছা গৈ মাটিত পৰি যায়, তুমি কি কৰিবা?

**পঢ়োঁ আহা —**



বড়োসকলৰ প্ৰধান ধৰ্ম হৈছে বাথৌ।
বাথৌ পূজাত খেৰাই নাচ নাচে।



আলি-আয়ে-লৃগাং মিচিংসকলৰ কৃষি উৎসৱ।
এই উৎসৱত ঐনিতম গাই গুমৰাগ নাচে।



কৰম পূজা আদিবাসীসকলৰ উৎসৱ।
ঝুমুৰ নাচ আদিবাসীসকলৰ দলীয় নাচ

# শিকন ফলাফল

- দুই-তিনিটা স্তৱকৰ পদ্য/গীত আবৃত্তি কৰিব/গাব পাৰিব।
- আলোচনা কৰোঁতে বহুজনৰ মতামতৰ মাজত আলোচ্য বিষয় সন্দৰ্ভত ধাৰাবাহিকতা ৰক্ষা কৰিব পাৰিব।
- যিকোনো বিষয়বস্তু সন্দৰ্ভত হোৱা আলোচনাত ভাগ লব পাৰিব আৰু সেই সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব আৰু নিজেও প্ৰশ্ন সুধিব পাৰিব।
- বহু অক্ষৰযুক্ত শব্দ (যুক্তাক্ষৰ, ব্যঞ্জনবৰ্ণৰ মণ্ডলকে ধৰি), অৰ্থহীন শব্দ সঠিকভাৱে পঢ়িব পাৰিব।
- সঠিক লয় সুৰ আৰু বিৰামসহ চুটি পাঠ শুদ্ধকৈ আৰু সলসলীয়াকৈ পঢ়িব পাৰিব।
- অপৰিচিত কাহিনী পঢ়িব পাৰিব আৰু কাহিনীৰ চৰিত্ৰ, পটভূমি, ঘটনাক্ৰম আৰু লিখকৰ দৃষ্টিকোণ আদি চিনাক্ত কৰিব পাৰিব।
- ক্ৰম অনুসৰি ছবি সজাব পাৰিব আৰু ছবিৰ লগত শুদ্ধকৈ দুটা বাক্য লিখিব পাৰিব।

# পুনৰালোচনা

## যুক্তাক্ষৰ থকা শব্দ পঢ়োঁ আহা —

| | | | |
|---|---|---|---|
| সান্দহ | চন্দন | আনন্দ | বন্দন |
| অন্ধ | বন্ধ | পোন্ধৰ | ধুৰন্ধৰ |
| উল্লাস | বল্লভ | কল্লোল | পল্লৱ |

## ছবি চাই বাক্য সম্পূৰ্ণ কৰা —



অমলহঁতে ..................................



আকাশত .............................

## পঢ়োঁ আহা —

তোমালোকে কিমান ধৰণৰ চৰাই দেখিছা? সেই সকলো চৰাইৰ নাম জানানে? কিমান চৰাইৰ নাম জানা সেইটো কেতিয়াবা কাগজত লিখি-লিখি হিচাপ কৰি চাইছানে? বহুতেই নাই চোৱা। এবাৰ এই সৰু কামটোকে কৰি চোৱাচোন। তোমাৰ লগৰীয়া এগৰাকী তালিকাখনৰ লগত তোমাৰ তালিকাখন মিলাই চোৱাচোন। তেওঁ তোমাতকৈ বেছি ধৰণৰ চৰাই দেখিছে নেকি? তেওঁ দেখা চৰাইবোৰ তুমি কিয় দেখা নাই? নে আচলতে তুমিও দেখিছা, কেৱল লিখিবলৈহে পাহৰিছা?

## লিখোঁ আহা —

ক) তোমালোকে দেখা চৰাই বিলাকৰ এখন তালিকা প্ৰস্তুত কৰা।

খ) তুমি কিমান ধৰণৰ চৰাই দেখিছা আৰু তোমাৰ লগৰীয়াবোৰে কিমান ধৰণৰ চৰাই দেখিছে মিলাই চোৱা।

## বাকচত যুক্তাক্ষৰ বহুৱাই শব্দ সাজোঁ আহা —

| | | | |
|---|---|---|---|
| প্ৰফু .......... | চ .......... ন | বা .......... ৰ | ল্ল |
| উ .......... তা | স .......... ন | ধুৰ .......... ৰ | চ্চ |
| | | | ন্দ |
| | | | ন্ধ |

## মাজৰ বাকচটোত থকা শব্দবোৰৰ সহায়ত উচ্চাৰণৰ মিল থকা শব্দ লিখোঁ আহা —

| | | | | |
|---|---|---|---|---|
| লাজ → | সাজ | সাজ | বাদ্য → | |
| কাঁহ → | | বাঁহ | অন্ন → | |
| সুন্দৰ → | | বাঁহী | হাঁহ → | |
| | | ভিন্ন | | |
| | | বান্দৰ | | |
| | | খাদ্য | | |

উৎস : ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ শিশু সাহিত্য সমগ্ৰ (প্ৰথম প্ৰকাশ, ২০০৬ চন) ৰ ১০২ পৃষ্ঠাত থকা 'সৰুকৈ আৰম্ভ কৰা ডাঙৰ কাম' ৰ প্ৰথম দফাটোৰ পৰা তুলি দিয়া হৈছে।

অধ্যায়ঃ ৬

# বজাৰ

ছবি চাই কথা পাতোঁ আহা—

B7K8T1






**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিকাৰুক মনোযোগেৰে ছবিখন নিৰীক্ষণ কৰিবলৈ দিব। স্থানীয় বজাৰ সম্পৰ্কে কথা পাতিব। ক) তোমালোকে বজাৰৰ পৰা কি কি বস্তু আনা? খ) তোমালোকে কেতিয়াবা বজাৰত তোমালোকৰ ঘৰত হোৱা কিবা সামগ্ৰী বিক্ৰী কৰি পাইছানে? গ) মা, দেউতাহঁত বজাৰলৈ গ'লে তোমালোকলৈ কি কি বস্তু আনে? ঘ) সৰু ছোৱালীজনীয়ে কি চাই আছে বাৰু? ঙ) ছাতি লৈ গৈ থকা ককাজনে হাতত কি নিছে? এনেধৰণৰ প্ৰশ্নৰ অৱতাৰণা কৰিব। শিকাৰুক ঘৰুৱা ভাষাত কথা পাতিবলৈ উৎসাহিত কৰিব।

বজাৰৰ ছবিখনত কি কি ফল-মূল, শাক-পাচলি দেখা গৈছে কওঁ আহা —










বজাৰৰ ছবিখনত ফল-মূলৰ বাদেও অন্য কি কি সামগ্ৰী ওলাইছে কওঁ আহা —






তলৰ ছবিকেইখন চাই কোৱা-





ক) মাছৰ দোকানখনত মাছৰ বেপাৰী আৰু গ্ৰাহককেইজনে কি কথা পাতিছে বুলি ভাবা?

খ) ডাঙৰ গছজোপাৰ তলত মানুহকেইজনে কি কথা পাতিছে বুলি ভাবা?

গ) ফল-মূলৰ দোকানীগৰাকীক ছোৱালীজনীয়ে কি কি সুধিছে বুলি ভাবা?

## পঢ়োঁ আহা —



দীপা আৰু মালতী পথাৰলৈ গৈছে। পথাৰত সিহঁতৰ মাক-দেউতাকে ধান দাই আছিল। সিহঁতে পথাৰলৈ গৈ বৰ ভাল পায়। দুয়োজনীয়ে উলাহতে নৰাৰ মাজে মাজে জঁপিয়াবলৈ ধৰিলে। দেউতাকে সিহঁতক নৰাৰে একোটাকৈ পেঁপা সাজি দিলে। পেঁপা বজাই দুয়ো ধানৰ লেছেৰি বুটলিলে। হঠাৎ সিহঁতে নৰাৰ ওপৰত এটা ফৰিং বহি থকা দেখিলে। মালতীয়ে ফৰিংটো ধৰি মাক-দেউতাকৰ ওচৰলৈ লৈ গ'ল। তেওঁলোকে মৰমেৰে ক'লে- "ফৰিংবোৰ নধৰিবা। পাখিত দুখ পালে সিহঁতে উৰিব নোৱাৰিব। সিহঁতক মুকলি মনেৰে উৰিবলৈ দিয়া।" মালতীয়ে আলফুলে ফৰিংটো এৰি দিলে।

## লিখোঁ আহা —

ক) পথাৰত দীপাহঁতৰ মাক-দেউতাকে কি কৰি আছিল?

উত্তৰ ঃ ..............................................................................

খ) দেউতাকে সিহঁতক কি সাজি দিছিল?

উত্তৰ ঃ ..............................................................................

গ) মালতীয়ে ফৰিংটো ধৰি ক'লৈ লৈ গৈছিল?

উত্তৰ ঃ ..............................................................................

**ছবিৰ সৈতে বাক্য আঁচ টানি মিলাওঁ আহা —**







| মাটি চহাইছে | ধান দাইছে | জাকৈ বাইছে |
|---|---|---|

## শুনো আৰু কওঁ আহা —

**স্থ, স্ক, স্ত, স্প, স্ফ, স্ম**

| | | | |
|---|---|---|---|
| স্থান | আস্থা | প্রস্থান | স্থবিৰ |
| স্কেল | স্কুল | নমস্কাৰ | পুৰস্কাৰ |
| বস্তা | সস্তা | স্তৰ | ৰাস্তা |
| স্পৰ্শ | স্পৃহা | নিস্পৃহ | ইস্পাত |
| স্ফূৰ্তি | স্ফটিক | স্ফুলিংগ | স্ফুৰণ |
| স্মৰণ | স্মাৰক | স্মৃতি | বিস্মৃতি |



**জানো আহা**

স+থ ➡ স্থ
স+ক ➡ স্ক
স+ত ➡ স্ত
স+প ➡ স্প
স+ফ ➡ স্ফ
স+ম ➡ স্ম

## শব্দবোৰ পঢ়োঁ আৰু যুক্তাক্ষৰ লিখোঁ আহা —

| | | |
|---|---|---|
| স্থান | আ ...... ন | প্র ...... ন |
| স্কেল | নম ...... ৰ | পুৰ ...... ৰ |
| স্তৰ | স ...... | ব ...... |
| স্পৰ্শ | ...... হা | নি ...... হ |
| স্ফুলিংগ | ...... তি | ......টিক |
| স্মৃতি | ...... ৰণ | বি ...... তি |

## পঢ়োঁ আৰু জানো আহা —

বেলিৰ আন এটা নাম ভাস্কৰ।

ভাস্কৰে লোকগীতত প্ৰথম পুৰস্কাৰ পালে।

**শিক্ষকলৈ নিৰ্দেশনা ঃ** 'স্থ', 'স্ক', 'স্ত', 'স্প', 'স্ফ', 'স্ম', ৰ দৰে 'স' লগত অন্য বৰ্ণ লগ লাগি পোৱা যুক্তাক্ষৰৰ উচ্চাৰণ আৰু ৰূপৰ পৰিৱৰ্তন হৈ সৃষ্টি হোৱা যুক্তাক্ষৰ আয়ত্ত কৰিবলৈ লিখা আৰু পঢ়াৰ অনুশীলন বাৰে বাৰে কৰাব।

পাঠ ঃ ১

# শনিবৰীয়া বজাৰ

ছবি চাই কথা পাতোঁ আহা —



কওঁ আহা —

ক) ওপৰৰ ছবিখনত কি কি গছ দেখিছা কোৱা?

খ) ছবিখনত ল'ৰা-ছোৱালীবোৰে কি কৰিছে?

গ) বজাৰখনত কোনে বস্তু বিক্ৰী কৰিছে?

ঘ) বজাৰত কি কি বস্তু ওলাইছে?

ঙ) বজাৰখন ক'ত বহিছে?

পঢ়োঁ আহা —



মেৰীহঁতৰ বিদ্যালয়ত আজি উখল-মাখল পৰিৱেশ। বহুত মানুহে আহি সিহঁতৰ বিদ্যালয়ত ভিৰ কৰিছেহি। কাৰণ আজি সিহঁতৰ বিদ্যালয়ৰ চৌহদত শনিবৰীয়া বজাৰ বহিছে। বজাৰত বস্তু কিনা-বেচাৰ বিষয়ে জানিবলৈ বিদ্যালত বজাৰ পাতিছে। ছাৰ-বাইদেউসকলে সহযোগ কৰিছে। তেওঁলোকে ঘৰৰ পৰা বিভিন্ন শাক-পাচলি, ফল-মূল, তামোল-পাণ লৈ আহিছে। মেৰীয়ে ১০ টা নেমু, ২ গুচি পাণ আৰু ৫ টা কৰদৈ আনিছিল। নেমুকেইটা তাই ৫ টকাকৈ বেচিলে, পাণ দুগুচি বেচি ৫ টকা আৰু কৰদৈকেইটা বেচি ১৫ টকা পালে।

শুদ্ধ উত্তৰটোত শুদ্ধ (✓) চিন দিওঁ আহা —

খ) মেৰীয়ে ১০ টা ............... আনিছিল। (কৰদৈ ☐ নেমু ☐ পাণ ☐ )

লিখোঁ আহা —

ক) মেৰীহঁতৰ বিদ্যালয়ত আজি কি বহিছে?

......................................................................................................

খ) মেৰীয়ে কি কি বেচিছে?

......................................................................................................

গ) মেৰীয়ে কি কি বস্তু বেচিলে আৰু মুঠ কিমান টকা পালে?

......................................................................................................

ঘ) বজাৰত কি কৰা হয়?

......................................................................................................

শুনো আৰু কওঁ আঁহা —

| | |
|---|---|
| ৰুক্ম | ৰুক্মিনী |
| যুগ্ম | অযুগ্ম |
| আত্মা | মহাত্মা |
| পদ্ম | ছদ্ম |
| চম্পা | চম্পাৱতী |
| অম্বৰ | নীলাম্বৰ |
| ৰম্ভা | সম্ভাৰ |
| অম্ল | অম্লান |



**জানো আহা**

| | |
|---|---|
| দ+ ম ➡ দ্ম | ম+ ব ➡ ম্ব |
| গ+ ম ➡ গ্ম | ম+ ভ ➡ ম্ভ |
| ত+ ম ➡ ত্ম | ম+ প ➡ ম্প |
| ক+ ম ➡ ক্ম | ম+ ল ➡ ম্ল |

কওঁ আৰু লিখোঁ আহা—

| | | | | | |
|---|---|---|---|---|---|
| পদ্ম | দ্ম | ছ······ | কুসুম্বৰ | ম্ব | অ······কা |
| যুগ্ম | গ্ম | বা······তা | সম্ভাৰ | ম্ভ | ৰ······ |
| আত্মা | ত্ম | মহা······ | সম্পদ | ম্প | ভূমিক······ |

পঢ়োঁ আহা —

মহাত্মা গান্ধীক বাপুজী বুলিও জনা যায়। শংকৰদেৱৰ পিতৃৰ নাম আছিল কুসুম্বৰ ভূঞা। তুলসী গুল্মজাতীয় গছ। যুগ্ম মানে যোৰ।

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিকাৰুক 'ম'ৰ লগত অন্য বৰ্ণ লগ হ'লে হোৱা আৰু অন্য বৰ্ণৰ লগত 'ম' লগ হ'লে হোৱা যুক্তাক্ষৰৰ উচ্চাৰণ আৰু ৰূপৰ পৰিৱৰ্তন হৈ সৃষ্টি হোৱা যুক্তাক্ষৰ আয়ত্ত কৰিবলৈ লিখা আৰু পঢ়াৰ অনুশীলন বাৰে বাৰে কৰাব।

# পুতলা কিনিবা কোনে?

## পঢ়োঁ আহা —

অমল মামাৰ লগত মিতালী, অনু আৰু অংকুৰ আজি বজাৰলৈ আহিছে। তাৰে এখন দোকানত সিহঁতে জিলাপি, নিম্‌কি আদি খাদ্যবোৰ দেখিলে। মিতালীৰ জিলাপি খাবলৈ মন গ'ল। জিলাপিবোৰ এখন ডলাত মুকলিকৈ থোৱা আছিল। সেইবাবে মামাকে সিহঁতক আন এখন দোকানলৈ লৈ গ'ল। তাত জিলাপি, লাৰু, পিঠা আদি খোৱা বস্তুবোৰ ধুনীয়াকৈ ঢাকি সজাই থোৱা আছিল। "আমি ইয়াৰে পৰাই খাওঁ দিয়া।" — অংকুৰে মামাকক ক'লে।

আন এখন দোকানত সিহঁতে কেইটামান ৰঙীন মাটিৰ পুতলা দেখিলে। পুতলাকেইটাৰ গাত একোটাকৈ ফুটা আছে। দোকানীজনে ক'লে যে, ফুটাবোৰেৰে খুচুৰা পইচা সুমুৱাই থ'ব পাৰি। অমলৰ মামাকে সিহঁতক পুতলা কিনি দিলে। তেওঁ সিহঁতক ক'লে — "এই পুতলা কেইটাত তোমালোকে পইচা জমা কৰিবা। অহাবাৰ পূজাত আমি সেই পইচাৰে সাধু কথাৰ কিতাপ আৰু পুতলা কিনিম।"

## শুদ্ধ উত্তৰত (✓) চিন দিওঁ আহা —

ক) মিতালী, অনু আৰু অংকুৰ ক'লৈ গৈছিল?

বিদ্যালয়লৈ ☐ বজাৰলৈ ☐ মেলালৈ ☐ পূজালৈ ☐

খ) মিতালীৰ কি খাবলৈ মন গৈছিল?

জিলাপি ☐ নিম্‌কি ☐ লাড়ু ☐ পিঠা ☐

গ) পুতলাবোৰৰ ভিতৰত পইচা জমা কৰিবলৈ কোনে কৈছিল?

মিতালীয়ে ☐ মামাকে ☐ অংকুৰে ☐ অনুৱে ☐

## লিখোঁ আহা —

ক) তোমালোকে খুচুৰা পইচা ক'ত জমা কৰা?

উত্তৰ ঃ মই খুচুৰা পইচা ..................................ত জমা কৰোঁ।

খ) জমা কৰা পইচাৰে তুমি কি কি কৰিবা?

উত্তৰ ঃ জমা কৰা পইচাৰে মই........................, ......................., .......................।

## পঢ়োঁ আহা — (সাৱলীল পঠন)




তোমালোকৰ ঘৰৰ মানুহবোৰে বাৰু তোমালোকে কি খোৱা, কি নোখোৱা, সেইবোৰ বুজি পায়। কিন্তু তোমালোকে লোকৰ ঘৰলৈ গ'লে কি হ'ব? সেই ঘৰৰ মাহীয়েৰা, জেঠায়েৰাই কিমান হেঁপাহেৰে তোমালোকক খুৱাবলৈ ৰন্ধা-বঢ়া কৰিব, আৰু খোৱাৰ পাতত বহি তোমালোকে ইটো-নাখাওঁ সিটো নাখাওঁ কৰিবা, — তেতিয়া মাহীয়েৰা-জেঠায়েৰাহঁতে মনত কিমান দুখ পাব ভাবি চোৱাচোন! সেই কাৰণে ডাঙৰে যি খাবলৈ দিয়ে, খাই যাবা।



*যতি চিহ্নৰ বিষয়ে জানো আহা —*

( , ) ক'মা — কম সময়ৰ বিৰতিৰ বাবে বাক্যৰ মাজত ক'মা (,) ব্যৱহাৰ কৰা হয়।

( । ) দাৰি — কোনো এটা বাক্যৰ ভাব সম্পূৰ্ণ হোৱাৰ পিছত দাৰি (।) ব্যৱহাৰ কৰা হয়।

( ? ) প্ৰশ্নবোধক চিন — প্ৰশ্ন সুধিবলৈ বাক্যৰ শেষত প্ৰশ্নবোধক চিন (?) ব্যৱহাৰ কৰা হয়।

### সঠিক ঠাইত যতি চিহ্ন বহুৱাওঁ আহা —

| , | ? | । |

আজি বজাৰৰ দিন মিতালী অনু
আৰু অংকুৰ বজাৰলৈ আহিছে
তুমি বজাৰলৈ যাবানে

বিঃদ্ৰঃ দফাটো ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'শিশু সাহিত্য সমগ্ৰ' (সংস্কৰণ, ফেব্ৰুৱাৰী, ২০০৬) পৃষ্ঠা নং ৬ ৰ শেষৰ দফাটো তুলি দিয়া হৈছে।

# শিকন ফলাফল

- আলোচনা কৰোঁতে বহুজনৰ মতামতৰ মাজত আলোচ্য বিষয় সন্দৰ্ভত ধাৰাবাহিকতা ৰক্ষা কৰিব পাৰিব।
- যিকোনো বিষয়বস্তু সন্দৰ্ভত হোৱা আলোচনাত ভাগ লব পাৰিব আৰু সেই সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব আৰু নিজেও প্ৰশ্ন সুধিব পাৰিব।
- গাণিতীক ধাৰণা (যেনে ঃ দিশ সম্পৰ্কীয়, স্থান, জোখ-মাপ সম্পৰ্কীয়) সম্বলিত নিৰ্দেশনা দিব পাৰিব।
- সৰল যতিচিহ্ন (দাৰি, ক'মা, আৰু প্ৰশ্নবোধক চিহ্ন) সঠিক সময়ত ব্যৱহাৰ কৰিব পাৰিব।
- বহু অক্ষৰযুক্ত শব্দ (যুক্তাক্ষৰ, ব্যঞ্জনবৰ্ণৰ মণ্ডলকে ধৰি), অৰ্থহীন শব্দ সঠিকভাৱে পঢ়িব পাৰিব।
- সঠিক লয় সুৰ আৰু বিৰামসহ চুটি পাঠ শুদ্ধকৈ আৰু সলসলীয়াকৈ পঢ়িব পাৰিব।
- অপৰিচিত কাহিনী পঢ়িব পাৰিব আৰু কাহিনীৰ চৰিত্ৰ, পটভূমি, ঘটনাক্ৰম আৰু লিখকৰ দৃষ্টিকোণ আদি চিনাক্ত কৰিব পাৰিব।
- ক্ৰম অনুসৰি ছবি সজাব পাৰিব আৰু ছবিৰ লগত শুদ্ধকৈ দুটা বাক্য লিখিব পাৰিব।

# পুনৰালোচনা

**পঢ়া —**

ৰুক্মিণীয়ে বাৰে বাৰে বাটলৈ চাই আছে। দেউতাক বজাৰৰ পৰা কেতিয়া যে আহি পাব! দেউতাকে এবস্তা তামোল বিক্ৰী কৰিবলৈ গৈছে। বজাৰৰ পৰা তাইৰ বাবে স্কুলবেগ এটা আনিব। তাই দেখিলে দেউতাকে দুটা মোনা লৈ কেঁকো-জেঁকোকৈ আহি আছে। তাই দৌৰি আগবাঢ়ি গ'ল। দেউতাকৰ অৱস্থা দেখি তাই স্কুলবেগৰ কথা পাহৰিয়ে গ'ল। দেউতাকক অলপ সহায় কৰোঁ বুলি তাই বজাৰৰ মোনা এটা ল'ব বিচাৰিলে। পিছে গধুৰ মোনাটো তাই দাঙিবই নোৱাৰিলে। দেউতাকে বজাৰৰ মোনাৰ পৰা তাইক স্কুলবেগটো উলিয়াই দিলে। তাই স্ফূৰ্তিতে দেউতাকক এটা চুমা যাঁচিলে।

**লিখা —**

ক) কাৰ দেউতাক বজাৰলৈ গৈছিল?

উত্তৰ ..............................................................................................

খ) দেউতাকে বজাৰৰ পৰা ৰুক্মিণীৰ বাবে কি আনিছিল?

উত্তৰ ..............................................................................................

গ) দেউতাক বজাৰৰ পৰা কিদৰে আহিছিল?

উত্তৰ ..........................................................................................

ঘ) ৰুক্মিণীয়ে দেউতাকক কিয় চুমা যাঁচিছিল?

উত্তৰ ..........................................................................................

পঢ়া —

স্থায়ী স্কুল চম্পা আস্থান ভাস্কৰ বাগ্মিতা

পদ্ম গুল্ম কম্পন মহাত্মা নমস্কাৰ ভূমিকম্প

ছবিৰ সৈতে সংগতি থকা একোটাকৈ বাক্য লিখা —




হিয়া মেলা চাবলৈ গ'ল।



প্ৰথমতে তাই জিলাপি খালে



তাই..............................



.....................................।

অধ্যায় ৭


# আমাৰ স্বাস্থ্য

গাওঁ আহা—

## বনৌষধি











সৰু-সুৰা বেমাৰতো
থাকে সংশয়,
নানা-পাতে নানা ৰোগ
কৰে নিৰাময়।
তুলসীৰ ৰসত মৌ খালে
কাহ নিৰাময় হয়,
মানিমুনি মছন্দৰীয়ে
পেটৰ ৰোগ কৰে লয়।
কটা-ছিঙাত নাৰ্জী পাত
বা থুপুকীলতা,
ছালৰ ৰোগত চিৰতা তিতা
নিম পাতৰ বটা।

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিকাৰুৰ সৈতে পদ্যটো লগে-ভাগে গাব। শিকাৰুৰ সৈতে বেমাৰ-আজাৰ হ'লে ব্যৱহাৰ কৰা ঘৰুৱা বনৌষধিৰ নাম আৰু বনৌষধিবোৰৰ লগত চিনাকি কৰি দি এই সম্পৰ্কে আলোচনা কৰিব। শিকাৰুৰে জনা অন্যধৰণৰ পদ্য গাবলৈ অনুপ্ৰাণিত কৰিব।

কথা পাতোঁ আহা —

ক) পদ্যটোত কি কি পাতে ৰোগ নিৰাময় কৰে বুলি কৈছে?

খ) কাহ হ'লে কি কৰিব লাগে?

গ) কি কি পাতে ছালৰ ৰোগ নিৰাময়ত সহায় কৰে?

ঘ) তোমাৰ ঘৰত ৰোগ নিৰাময়ত সহায় কৰা কি কি গছ আছে?

ঙ) তোমাৰ ঘৰত কাৰোবাৰ বেমাৰ হ'লে তুমি কি কৰা?

চ) কেতিয়াবা ক'ৰবাত দুখ পাই তেজ ওলালে কি কৰা ?

লিখোঁ আহা —

**ক) তুলসী পাতৰ ৰসৰ লগত কি খালে কাহ ভাল হয়?**

..............................................................................................................

..............................................................................................................

**খ) কি কৰিলে ছালৰ ৰোগ ভাল হয়?**

..............................................................................................................

..............................................................................................................

**গ) পেট ভালে থাকিবলৈ কি কি গছৰ পাতৰ ৰস খাব লাগে?**

..............................................................................................................

..............................................................................................................

**ঘ) কটা ছিঙাত নাৰ্জী পাতৰ বাহিৰে আৰু কি কি লগাব পাৰি?**

..............................................................................................................

..............................................................................................................

## প্ৰকল্প ঃ

বিভিন্ন ঠাইৰ পৰা সংগ্ৰহ কৰা গছৰ পাতবোৰ সঠিক ঠাইত আঠা লগাওঁ আহা —

| | | |
|---|---|---|
| নিম পাত | তুলসী পাত | নেমু পাত |
| নাৰ্জী পাত | মানিমুনি পাত | নৰসিংহৰ পাত |

## লিখোঁ আহা —



ৰাতিপুৱা শুই উঠি তুমি কি কৰা?

মই <u>দাঁত</u> মাজোঁ ।

মই.................................................... ।

মই.................................................... ।

মই.................................................... ।

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিকাৰুসকলক গছৰ পাতবোৰ চিনাক্ত কৰি আঠা লগোৱাত সহায় কৰিব।

ছবিখনত কোনে কি কৰি আছে লিখোঁ আহা —







ক) ছোৱালীজনীয়ে ..............................................................................।

খ) ..............................................................................................।


গ) ..............................................................................................।

তলত দিয়া বাক্যটোৰ সৈতে সম্পৰ্কিত এখন ছবি আকোঁ আহা —

“গছত কঁঠাল লাগিছে।”

# সিংহ আৰু নাপিত

ছবি চাই পঢ়োঁ আহা —




চুলিবোৰ ভালদৰে কাটিবা!
লৰচৰ নকৰিবা, ভালদৰে বহি থাকা।


এয়া তুমি কি কৰিলা? মইচোন তপা হৈ পৰিলোঁ।
আ... ৰে.... তুমিয়েইচোন কাটিবলৈ দিছিলা!




বিঃদ্রঃ কাহিনীটো 'নতুন পাঠ' (প্ৰথম ভাগ, সংস্কৰণ ২০০২) ৰ পৃষ্ঠা ২৭ ৰ পৰা তুলি দিয়া হৈছে।

## কথা পাতোঁ আহা —

ক) কাৰ মূৰ খজুৱাইছিল?

খ) "লৰচৰ নকৰিবা, ভালদৰে বহি থাকা।" বুলি কোনে কাক কৈছিল?

গ) সিংহটোৰ কিয় খং উঠিছিল?

ঘ) মূৰ খজুৱাই খজুৱাই সিংহ কাৰ ওচৰলৈ গৈছিল?

## লিখোঁ আহা —

ক) সিংহ আৰু নাপিতৰ কাহিনীটো নিজাববীয়াকৈ নিজৰ নিজৰ বহীত লিখোঁ আহা।

খ) তলৰ সংলাপফাকি সম্পূৰ্ণ কৰা —

"এয়া তুমি কি কৰিলা? মই চোন .................................... হৈ পৰিলোঁ।"

## লগে-ভাগে গাওঁ আহা —

ক্ষুৰ লগাই নাপিত ককাই
খুৰাই ভোবোৰা দাড়ি
খিল্‌খিল্‌কৈ হাঁহি থাকে,
উলিয়াই দাঁত পাৰি।



বিঃদ্রঃ পদ্যফাকি 'নতুন পাঠ' (প্ৰথম ভাগ, সংস্কৰণ ২০০২) ৰ পৃষ্ঠা ৪৭ ৰ পৰা তুলি দিয়া হৈছে।

লগে ভাগে পঢ়োঁ আহা —

**দ্ব, ধ্ব, শ্ব, স্ব, ন্ব**

| | | |
|---|---|---|
| বিদ্বান | উদ্বেগ | উদ্বিগ্ন |
| ধ্বনি | ধ্বজা | ধ্বংস |
| অশ্ব | বিশ্ব | শাশ্বত |
| স্বৰ | স্বাধীন | নিজস্ব |
| অন্বয় | অন্বেষণ | সমন্বয় |



**জানো আহা**

দ+ৱ ➡ দ্ব
ধ+ৱ ➡ ধ্ব
শ+ৱ ➡ শ্ব
স+ৱ ➡ স্ব
ন+ৱ ➡ ন্ব

লিখোঁ আৰু পঢ়োঁ আহা —

| | | |
|---|---|---|
| স্বৰ | ...... ধীন | নিজ ...... |
| বিশ্ব | অ ...... | শা ...... ত |
| বিদ্বান | ...... তীয় | উ ...... গ |
| ধ্বনি | ...... জা | ...... ংস |
| অন্বয় | সম...... য় | অ...... ষণ |

গাওঁ আহা —

শাশ্বতীৰ আছে এটি
ডাঙৰ সপোন,
কিতাপকে তাই হেনো
কৰিব আপোন।

বিদ্বান হৈ কৰিব
নানা অন্বেষণ,
বিশ্ববিদ্যালয়ত গৈ
কৰিব অধ্যয়ন।

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিকাৰুক অন্য বৰ্ণৰ লগত 'ৱ' লগ হ'লে হোৱা যুক্তাক্ষৰৰ উচ্চাৰণ আৰু ৰূপৰ পৰিৱৰ্তন হৈ সৃষ্টি হোৱা যুক্তাক্ষৰ আয়ত্ত কৰিবলৈ লিখা আৰু পঢ়াৰ অনুশীলন বাৰে বাৰে কৰাব।

### পঢ়োঁ আহা —

অৰুণহঁতৰ বিদ্যালয়ত স্বাধীনতা দিৱস পাতিছে। আগদিনা সকলোৱে বিদ্যালয়ৰ চৌপাশ চাফ-চিকুণ কৰিছে। বিদ্যালয়ৰ প্ৰৱেশদ্বাৰত সিহঁতে গেৰুৱা, বগা আৰু সেউজীয়া ৰঙৰ বেলুন আঁৰিছে। বিদ্যালয়ৰ ৰামেশ্বৰ শৰ্মা ছাৰে জাতীয় পতাকা তুলিছে।



### ছবি চাই বাক্য লিখোঁ আহা —




১। ..........................................................................

..........................................................................

১। ..........................................................................

..........................................................................





১। ..........................................................................

..........................................................................

## পঢ়োঁ আহা —

আজি কুঁৱলীৰ মাকৰ জন্মদিন। সেয়ে তাই আজি ৰাতিপুৱা শোৱাৰ পৰা সোনকালে উঠি খৰধৰকৈ মুখ-হাত ধুই ল'লে। পঢ়ামেজলৈ গৈ এখিলা কাগজ উলিয়াই ল'লে। ৰঙীন কলম এটাও বিচাৰি ল'লে। "শুভ জন্মদিন, মা" — তাই কাগজখিলাত লিখিলে। লগতে ধুনীয়া ফুল এপাহো আঁকি দিলে। জলপান খোৱাৰ সময়ত তাই মাকক কাগজখিলা দিলে। মাকে কুঁৱলীক ধন্যবাদ জনাই মৰমেৰে সাৱটি ধৰিলে।

## ছবি চাই কওঁ আহা —



- ছবিখনত দেখা সমস্যাটো কিদৰে সমাধান কৰিব পাৰি, উপায়বোৰ কোৱা।
- সমস্যাটো সমাধান কৰিবলৈ কাৰ কেনেদৰে সহায় ল'বা কোৱা।

শ্ৰুতলিপি।

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শ্ৰুতলিপিৰ বাবে আগতে শিকি অহা যুক্তাক্ষৰযুক্ত ৬-৭টা মান বাক্য দিব।

# চাফ-চিকুণতা

ছবি চাই পঢ়োঁ আহা —




কাইলৈ আকৌ লগ পাম।
তুমি হাতদুখন ধুই আহিলানে?
অ' মই পাহৰি গৈছিলোঁ, এতিয়াই ধুই ল'ম।
হাতদুখন চাবোনেৰে ভালদৰে ধোৱা। চাবোনেৰে ধুলে আমাৰ হাতত বীজাণু নাশ হয়। তেতিয়া আমাৰ বেমাৰ নহয়।
কিয় আইতা? চাবোনেৰে কিয় ধুব লাগে?

## লিখোঁ আহা —

**ল্ক, ক্ল, ক্ত**

ক) খেলপথাৰত খেলাৰ আগতে সিহঁতে কি কৰিছিল ?

.............................................................................................................

খ) খোৱাৰ আগতে কি কৰিব লাগে ?

.............................................................................................................

গ) চাবোনেৰে কিয় হাত ধুব লাগে ?

.............................................................................................................

## লগে-ভাগে কওঁ আহা —

| | | | |
|---|---|---|---|
| উল্কা | চিল্কা | পাল্কী | বল্কল |
| শুক্ল | ক্লীৱ | ক্লান্ত | অক্লান্ত |
| ৰক্ত | ভক্তি | চুক্তি | মুক্তি |



**জানো আহা**

ল + ক ➡ ল্ক

ক + ল ➡ ক্ল

ক + ত ➡ ক্ত

## লিখোঁ আৰু পঢ়োঁ আহা—

| | | |
|---|---|---|
| ক্লীৱ | ...... ন্ত | শু ...... |
| উল্কা | পা ...... | ব ...... ল |
| চুক্তি | ৰ ...... | ভ ...... |

## পঢ়োঁ আহা—

বল্কল মানে বাকলি। শুক্ল পক্ষত জোন ওলায়। ভগৱানক ভক্তি কৰিবা।

চৰাইবোৰ আকাশত মুক্তমনে উৰিছে। আকাশত কেতিয়াবা উল্কা দেখা যায়।

---

**শিক্ষকলৈ নিৰ্দেশনা ঃ** অন্য বৰ্ণৰ লগত 'ল', 'ক' আৰু 'ত' লগ হ'লে হোৱা যুক্তাক্ষৰৰ উচ্চাৰণ আৰু ৰূপৰ পৰিৱৰ্তন হৈ সৃষ্টি হোৱা যুক্তাক্ষৰ আয়ত্ত কৰিবলৈ লিখা আৰু পঢ়াৰ অনুশীলন বাৰে বাৰে কৰাব।

# শিকন ফলাফল

- গীত আৰু পদ্য শুনিবলৈ আগ্ৰহী হ'ব আৰু সেইধৰণৰ গীত পদ্য ভালপোৱাৰ কাৰণ দৰ্শাব পাৰিব।
- দুই-তিনিটা স্তৱকৰ পদ্য/গীত আবৃত্তি কৰিব/গাব পাৰিব।
- চুটি পদ্য বা গীত নিজৰ শব্দশৈলীৰে নিজাববীয়াকৈ সৃষ্টি কৰিব পাৰিব।
- আলোচনা কৰোঁতে বহুজনৰ মতামতৰ মাজত আলোচ্য বিষয় সন্দৰ্ভত ধাৰাবাহিকতা ৰক্ষা কৰিব পাৰিব।
- যিকোনো বিষয়বস্তু সন্দৰ্ভত হোৱা আলোচনাত ভাগ লব পাৰিব আৰু সেই সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব আৰু নিজেও প্ৰশ্ন সুধিব পাৰিব।
- চৰ্তসাপেক্ষে একাধিক নিৰ্দেশনা অনুসৰণ কৰিব পাৰিব। (যেনেঃ যদি বৰষুণ দিয়ে, গছপুলিত পানী নিদিবা, তাৰ সলনি গুৰিবোৰ চাফা কৰিব দিবা)
- বহু অক্ষৰযুক্ত শব্দ (যুক্তাক্ষৰ, ব্যঞ্জনবৰ্ণৰ মণ্ডলকে ধৰি), অৰ্থহীন শব্দ সঠিকভাৱে পঢ়িব পাৰিব।
- সঠিক লয় সুৰ আৰু বিৰামসহ চুটি পাঠ শুদ্ধকৈ আৰু সলসলীয়াকৈ পঢ়িব পাৰিব।
- অপৰিচিত কাহিনী পঢ়িব পাৰিব আৰু কাহিনীৰ চৰিত্ৰ, পটভূমি, ঘটনাক্ৰম আৰু লিখকৰ দৃষ্টিকোণ আদি চিনাক্ত কৰিব পাৰিব।
- চুটি বাক্য শুনি, লিখিব (শ্ৰুতলিপি) পাৰিব।
- ক্ৰম অনুসৰি ছবি সজাব পাৰিব আৰু ছবিৰ লগত শুদ্ধকৈ দুটা বাক্য লিখিব পাৰিব।
- কোনো ঘটনা বা অভিজ্ঞতাৰ বৰ্ণনা কৰি চুটি লেখা লিখিব পাৰিব।

# পুনৰালোচনা

## পঢ়া—

জিতুহঁতৰ বাৰীত এটা পুখুৰী আছে। পুখুৰীটোত পুঠি, গৰৈ, কাৱৈ, খলিহনা আদি মাছ আছে। আজি জিতুৱে সোণকণ আৰু বিপুলৰ সৈতে পুখুৰীটোত বৰশী টোপাব। ডিচেম্বৰ মাহ। বৰ জাৰ পৰিছে। তিনিও দুপৰীয়া পুখুৰীটোৰ পাৰ পালেগৈ। ৰ'দৰ উম লৈ থাকোঁতে জিতুৰ ভায়েক মিতু আহি সিহঁতৰ লগ লাগিলহি। আটায়ে বৰশীত টোপ লগাই ৰচীবোৰ পানীত এৰি দিলে। দুপৰীয়াৰ পৰা আবেলি হ'লহি। এতিয়ালৈকে কাৰো বৰশীত এটাও মাছ উঠা নাই। সোণকণৰ আমনি লাগিল। সি ঘৰলৈ যাবলৈ সাজু হ'ল। হঠাৎ, জিতুৱে মন কৰিলে তাৰ বৰশীৰ পুঙাটোত মাছে খুঁটিয়াই আছে। এপাকত সি বৰশী ডাঁৰিকীডাল চিপ মাৰি দিলে। এটা গৰৈ মাছ বৰশীটোত লাগিছে। মাছটো দেখি আটাইকেইটাই আনন্দত চিঞৰি উঠিল। মাছটোৱে ছটফটাই থকা দেখি জিতুৰ মনটো বেয়া লাগিল। সি মাছটো সাৱধানে এৰুৱাই পুনৰ পুখুৰীটোত মেলি দিলে।

## শুদ্ধ উত্তৰটোত (✓) চিন দিয়া —

১। জিতুৰ বৰশীত কি মাছ লাগিছিল?

ক) কাৱৈ খ) গৰৈ গ) পুঠি ঘ) খলিহনা

২। মাছটো পুখুৰীত কোনে মেলি দিছিল?

ক) জিতুৱে খ) সোণকণে গ) মিতুৱে ঘ) বিপুলে

## উত্তৰ লিখা —

১। সোণকণৰ কিয় আমনি লাগিছিল?

তলৰ যুক্তাক্ষৰবোৰেৰে দুটাকৈ শব্দ লিখা —

স্ব ঃ .............................

ল্ক ঃ .............................

শ্ব ঃ .............................

ধ্ব ঃ .............................

ক্ত ঃ .............................



তলৰ আখৰ-জালৰ পৰা আখৰ বিচাৰি শব্দ গঠন কৰি পঢ়োঁ আৰু লিখোঁ আহা —

| | | |
|---|---|---|
| ৰা | জ | ত্ব |
| স্বা | বা | ধ্ব |
| ধী | বি | নি |
| ন | শ্ব | ৰ |

.............................   .............................

.............................   .............................

.............................   .............................

.............................   .............................

.............................   .............................

.............................   .............................

শেষৰ আখৰটো সলনি কৰি নতুন শব্দ গঠন কৰোঁ আহা —


| | |
|---|---|
| আম | আন |
| বগলী | বগৰী |
| কলম | কল___ |
| অমিয়া | অমি___ |

অধ্যায় - ৮

# ঋতু

T6N5M9

ছবি চাই কথা পাতোঁ আহা—





**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিকাৰুক মনোযোগেৰে ছবিখন নিৰীক্ষণ কৰিবলৈ দিব। ক) ছবিখনত কি কি দেখিছা? খ) ছবিখন কোন সময়ৰ? গ) সৰু ল'ৰাজনক মাকে কি পিন্ধাই দিছে? ঘ) সৰু ছোৱালীজনী ক'লৈ যাবলৈ ওলাইছে? ঙ) ছবিত দেখা ককাজনে কি কৰি আছে? এনেধৰণৰ প্ৰশ্নৰ অৱতাৰণা কৰিব। শিকাৰুক ঘৰুৱা ভাষাত কথা পাতিবলৈ উৎসাহিত কৰিব।

✎ লিখোঁ আহা —

ক) শীত কালত তুমি কি কি কাপোৰ পিন্ধা?

উত্তৰ : ..............................................................................................

খ) জাৰ লাগিলে তুমি কি কৰা?

উত্তৰ : ..............................................................................................

গ) শীত কালত তুমি কি কৰা?

উত্তৰ : ..............................................................................................

✎ ঠাণ্ডা দিনৰ লগত জড়িত বস্তুবোৰৰ নামবোৰ বাকচৰ পৰা বিচাৰি লিখোঁ আহা —

**মোজা, কামিজ, চুৱেটাৰ, গামোচা, টুপী, জেকেট, কম্বল, চাদৰ, মাফলাৰ, হাত-মোজা, ফেন, বিচনী**

✎ তলত দিয়া ছবিবোৰ চাই কোনটো কি কালৰ ছবি লিখোঁ আহা —






শীতকাল ........................ ........................ ........................

পাঠ ঃ ১

# ঋতু আহে ঋতু যায়

গাওঁ আহা —



চ'ত-ব'হাগত ঋতু বসন্ত
বিৰিখে সলায় পাত,
জেঠ-আহাৰত গ্ৰীষ্ম ঋতু
ফল পকে নানা জাত।



শাওন-ভাদত বৰ্ষা ঋতু
খেতিৰ বাবে ভাল,
আহিন-কাতিত শৰৎ ঋতু
ভৰে শেৱালিৰ ডাল।



আঘোণ-পুহত ঋতু হেমন্ত
নিয়ৰ-কুঁৱলী পৰে,
মাঘ-ফাগুনত শীত ঋতু
গছৰ পাত সৰে।



বিঃদ্রঃ পদ্যটি নতুন পাঠ (দ্বিতীয় ভাগ, সংস্কৰণ ২০০২) ৰ পৃষ্ঠা ৮৭ ৰ পৰা তুলি দিয়া হৈছে।

✎ বাৰ মাহৰ নামবোৰ এফালৰ পৰা লিখোঁ আহা —

১। ব'হাগ

২।

৩।

৪।

৫।

৬।

৭।

৮।

৯।

১০।

১১।

১২।

গাওঁ আহা —

ঘড়ীটোৱে কয় শুনা
টিক্ টিক্ টিক্
সময় গৈছে উৰি
ঠিক ঠিক ঠিক।।




পুৱাৰ নিয়ৰে কয়
টুপ্ টুপ্ টুপ্,
নজগাবা ভাইটিক
চুপ্ চুপ্ চুপ্।।





ভোমোৰাই কয় শুনা
কৰি গুন গুন,
ফুটাই পঢ়িবা পাঠ
নাই ভুন ভুন।।

শুনো আহা—

কাকো তুচ্ছ বুলি ভাবি নল'বা। কাকো তাচ্ছিল্য কৰিব নালাগে। সদায় পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকিব লাগে। ইচ্ছা কৰিলে সকলো কাম কৰিব পাৰি।



পঢ়োঁ আহা —

তুচ্ছ    ইচ্ছা    উচ্ছেদ    বিচ্ছেদ

জানো আহা —
চ + ছ ➡ চ্ছ

'চ্ছ' যুক্তাক্ষৰৰ তলত আঁচ টানো আহা —

পৰিচ্ছন্ন    অবিচ্ছেদ্য    আচ্ছাদন    নিৰৱচ্ছিন্ন    সদিচ্ছা

তলত দিয়া শুভেচ্ছাপত্ৰখনত তোমাৰ বন্ধু বা বান্ধৱীলৈ জন্মদিনৰ শুভেচ্ছা জনাই এটি বাৰ্তা লিখা—

| | |
|---|---|
| মৰমৰ অনিল,<br>আশা কৰোঁ, ভালে আছা।<br>তোমাৰ জন্মদিনৰ শুভেচ্ছা জনালোঁ।<br>মৰমেৰে,<br>ইতি—<br>তোমাৰ বন্ধু | মৰমৰ ......................,<br>.........................................<br>.........................................<br>.........................................<br>.........................................<br>......................................... |


ওলট-পালটকৈ থকা আখৰবোৰ মিলাই অৰ্থপূৰ্ণ শব্দ লিখা—

| চ্ছাই | দচ্ছেবি | দিচ্ছাস | ভেশুচ্ছা | চ্ছেউদ |
|---|---|---|---|---|
| ↓ | ↓ | ↓ | ↓ | ↓ |
| ইচ্ছা | | | | |

পাঠ ঃ ২

# কণল'ৰা আৰু হাতী

**শুনো আহা —**



এদিন কণল'ৰা খৰি লুৰিবলৈ হাবিলৈ গৈছিল। খৰিমুঠা মূৰত তুলি সি ঘৰলৈ উভতি যাবলৈ লৈছিল। হঠাৎ, সি সেই বাটেৰে এটা হাতী আহি থকা দেখিলে। হাতীটো দেখি কণল'ৰাই ভয়তে খৰিমুঠা পেলাই উভতি দৌৰিবলৈ ধৰিলে। হাতীটোৱে কিন্তু তাৰ পিছ নেৰিলে। সি কণল'ৰাৰ পিছে পিছে গৈয়ে থাকিল। কিছু দূৰ দৌৰাৰ পিছত কণল'ৰা ভাগৰি পৰিল। ভাগৰত সি এজোপা গছৰ তলত বহি পৰিল। এনেতে হাতীটোৱে শুঁৰডাল তাৰ হাতত লগাই দিলে। ভয়ত কণল'ৰাৰ জীউ উৰি গ'ল। হাতীটোৱে কিন্তু তাৰ একো অনিষ্ট নকৰিলে। হাতীটোৱে তাৰ সম্মুখৰ সোঁ-ভৰিখন কণল'ৰাৰ আগত দাঙি দিলে। কণল'ৰাৰ চকুত পৰিল — এডাল কেঁটেলা পহুৰ কাঁইট হাতীটোৰ ভৰিত সোমাই আছে। কণল'ৰাৰ বুজিবলৈ আৰু বাকী নাথাকিল। সি সাহস গোটাই সৰ্বশক্তিৰে হাতীটোৰ ভৰিৰ কাঁইটডাল টানি উলিয়াই আনিলে। হাতীটোৱে ভৰিৰ বিষৰ পৰা সকাহ পালে। আনন্দতে সি কণল'ৰাক পিঠিত তুলি ল'লে। সেইদিনাৰ পৰা দুয়ো বিশ্বাসী বন্ধু হ'ল।

## কওঁ আহা —

ক) কণল'ৰা কিয় হাবিলৈ গৈছিল?

খ) হাতীটো আহি থকা দেখি কণল'ৰাই কি কৰিছিল?

গ) কণল'ৰাই হাতীটোৰ ভৰিৰ পৰা কি উলিয়াই আনিছিল।

ঘ) কণল'ৰাৰ ঠাইত তুমি হোৱা হ'লে কি কৰিলাহেঁতেন?

## লিখোঁ আহা —

ক) খৰিমুঠা পেলাই কণল'ৰা কিয় দৌৰিছিল?

উত্তৰ ঃ ..........................................................................................

খ) ভৰিৰ বিষৰ পৰা সকাহ পোৱাৰ পিছত হাতীটোৱে কি কৰিলে?

উত্তৰ ঃ ..........................................................................................

## তলৰ কাহিনীটো তোমাৰ নিজৰ ধৰণে কোৱা আৰু লিখা —

কৰবীহঁতৰ বিদ্যালয়ত আজিৰ পৰা ছমহীয়া পৰীক্ষা আৰম্ভ হৈছে। মাণিক বৰুৱা ছাৰে শ্ৰেণীকোঠাত প্ৰশ্নকাকত বিতৰণ কৰিলে। কৰবীয়ে পেঞ্চিলৰ বাকচটো আনিবলৈ পাহৰিলে। এতিয়া বাৰু তাই কি কৰিব?

..........................................................................

..........................................................................

..........................................................................

..........................................................................



পাঠ ঃ ৩

# বৰষুণৰ বতৰ

পঢ়োঁ আহা —



পুৱাৰে পৰা আকাশখন ডাৱৰে ঢাকি আছে। কিছুসময়ৰ পাছতে কিন্‌কিন্‌কৈ বৰষুণ পৰিবলৈ ধৰিলে। লাহে লাহে বৰষুণ বাঢ়ি আহিল। চৌপাশৰ খাল-বিলবোৰ পানীৰে ভৰি পৰিল। ন-পানী পাই ভেকুলীবোৰে আনন্দতে টোৰ্‌টোৰালে। পাতবেং এটাই গছৰ পাতেৰে পেঁপা এটা সাজি পেঁ পেঁ কৈ বজাবলৈ ধৰিলে।

পেঁপাৰ মাত শুনি কাৱৈ, পুঠি, খলিহনা মাছবোৰে কঁকাল ভাঙি নাচিবলৈ ধৰিলে। গৰৈ আৰু চেঙেলী মাছে উলাহতে জঁপিয়াবলৈ ধৰিলে। মাছবোৰৰ আনন্দ দেখি বতাহত উৰি ফুৰা জিএঙাবোৰো কাষ চাপি আহিল। জিএঙাবোৰক দেখি মাছবোৰে ক'লে — "আহা সখীহঁত, আহা, আমাৰ লগত সাঁতুৰি-নাদুৰি খেলাহি।"

জিএঙাবোৰে দুখ মনেৰে ক'লে —"আমাৰো তোমালোকৰ লগত খেলিবলৈ বৰ মন গৈছে। পিছে, সখীহঁত, আমি যে পানীত সাঁতুৰিব নোৱাৰোঁ। পানীত নামিলে আমাৰ ঠুনুকা পাখি ভাগি যাব। আমাৰ পাখিবোৰ যে বৰ আলসুৱা।"

ভেকুলীয়ে মাত লগালে — "তেনেহ'লে ভনীহঁত, তোমালোকে বতাহতে উৰি উৰি নাচা। মাছবোৰে পানীতেই উলাহেৰে নাচক।"

## উত্তৰ লিখোঁ আহা —

ক) পাতবেঙে কিহেৰে পেঁপা সাজিছিল?

খ) পেঁপাৰ মাত শুনি কোনে কোনে কঁকাল ভাঙি নাচিছিল?

গ) মাছবোৰৰ আনন্দ দেখি কোন সিহঁতৰ ওচৰ চাপি আহিছিল?

ঘ) ভেকুলীবোৰে কিয় আনন্দত টোৰ্‌টোৰাইছিল?

ঙ) জিএগবোৰে কিয় দুখ প্ৰকাশ কৰিছিল?



**জানো আহা**

| | | | | | |
|---|---|---|---|---|---|
| আলসুৰা | — | লাহী | সখী | — | বন্ধু/বান্ধৱী, মিত্ৰ |
| উলাহ | — | আনন্দ | ঠুনুকা | — | সহজে ভগা |

## ছবি চাই মাছবোৰ চিনো আহা —



**শিক্ষকলৈ নিৰ্দেশনা ঃ** পাঠটো আলোচনা কৰোঁতে বাৰিষা কালৰ পৰিৱেশ সম্পৰ্কে শিকাৰুৰ সৈতে বাৰ্তালাপ কৰিব। ঋতু সম্পৰ্কীয় আলোচনা কৰিব।

লগে ভাগে গাওঁ আহা—

শ্চ

# আমাৰ চাৰি-দিশ



পুৱাতেই শুই উঠি
বেলিটিলৈ চাই।
দুই হাত মেলি দিলে
চাৰিদিশ পায়।।
বেলি উঠে পূব দিশে
পিঠিলৈ পশ্চিম।
বাঁওহাতে উত্তৰ দিশ
সোঁহাতে দক্ষিণ।।

পঢ়োঁ আহা —

নিশ্চয়   আশ্চর্য   নিশ্চিত   পশ্চিম

**জানো আহা**

শ + চ ➡ শ্চ

ওলট-পালটকৈ থকা আখৰবোৰ মিলাই অৰ্থপূৰ্ণ শব্দ লিখোঁ আহা—

| মশ্চিপ | ত্যশ্চাপা | শ্চনিয় | ৰ্যশ্চআ | তশ্চিনি |
|---|---|---|---|---|
| ↓ | ↓ | ↓ | ↓ | ↓ |
| পশ্চিম | | | | |

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিকাৰুক 'শ'ৰ লগত অন্য বৰ্ণ লগ হ'লে হোৱা যুক্তাক্ষৰৰ উচ্চাৰণ আৰু ৰূপৰ পৰিৱৰ্তন হৈ সৃষ্টি হোৱা যুক্তাক্ষৰ আয়ত্ত কৰিবলৈ লিখা আৰু পঢ়াৰ অনুশীলন বাৰে বাৰে কৰাব।

পঢ়োঁ আহা —

# শেৱালি ফুলৰ মালা



পেহীয়েকৰ সৈতে পাহি চোতালত বহি আছিল। তেনেতে এটা মধুৰ সুবাস তাইৰ নাকত লাগিলহি। 'এয়া কিহৰ সুবাস পেহী?' তাই সুধিলে। 'এয়া শেৱালি ফুলৰ সুবাস', পেহীয়েকে ক'লে। পাহি শেৱালি গছজোপাৰ ওচৰলৈ দৌৰি গ'ল। মালা গাঁথিবলৈ তাই ফুলবোৰ ছিঙিবলৈ বিচাৰিলে। পেহীয়েকে ক'লে— "পাহি ফুলবোৰ নিছিঙিবা। পুৱা ফুলবোৰ নিজেই সৰিব। তুমি পুৱাই ফুলবোৰ বুটলিবা।" পিছদিনা ৰাতিপুৱাই পাহিয়ে তলসৰা শেৱালি ফুলবোৰ বুটলিলে।

তাই ফুলখিনি লৈ পেহীয়েকৰ ওচৰ পালেগৈ। পেহীয়েকক তাই মালা গাঁথি দিবলৈ খাটনি ধৰিলে। পেহীয়েকে চুটি চুটিকৈ তিনিডাল মালা গাঁথিলে। এডাল পাহিৰ ডিঙিত পিন্ধাই দিলে। দুডাল মালা খাৰুৰ দৰে দুহাতত পিন্ধাই দিলে। পাহিয়ে হাতৰ মালাডাল শুঙি চালে। তাই উলাহতে ক'লে— "বাঃ ইমান মধুৰ সুবাস!" ফুলৰ মালা পিন্ধাৰ আনন্দতে পাহিয়ে নাচিবলৈ ধৰিলে।



পেহীয়েকে তাইৰ নাচ দেখি গীত জুৰিলে— 'নাহৰ ফুলে নুশুৱায় তগৰ ফুলে শুৱাব...'।

**জানো আহা—**

**সুৱাস —** অতি সুন্দৰ গোন্ধ। **মধুৰ —** মৌৰ নিচিনা, সন্তোষ লগোৱা।
**শুৱাব —** শোভিত কৰা।

**শিক্ষকলৈ নির্দেশনা ঃ** 'নাহৰ ফুলে নুশুৱায়' গীতটো সংগ্ৰহ কৰি শিকাওক গোৱাব।

## লিখোঁ আহা —

১) পাহিয়ে কিহৰ সুবাস পাইছিল?

উত্তৰঃ ..........

২) পাহিয়ে কিয় শেৱালি ফুল ছিঙিব বিচাৰিছিল?

উত্তৰঃ ..........

৩) পেহীয়েকে পাহিক  ফুলবোৰ ছিঙিবলৈ কিয় মানা কৰিছিল?

উত্তৰঃ ..........

**'নাহৰ ফুলে নুশুৱায়' গীতটো গোৱা।**

**তলত দিয়া বাক্যসমূহ পঢ়ি তাৰ আধাৰত আৰু এটাকৈ বাক্য লিখোঁ আহা—**

১। আমাৰ ঘৰৰ পদূলিত এজোপা বকুল ফুলৰ গছ আছে।

..........

২। তোমালোকৰ বিদ্যালয়ত কি কি গছ আছে লিখা।

..........

## পঢ়া —

# শিয়াল আৰু ছাঁ




এন্ধাৰত শিয়ালটো জুপুকা মাৰি বহি আছিল। বেলি ওলালত সি উঠি তাৰ নিজৰ ছাঁটোলৈ চালে। বাঃ, সি দেখোন বৰ ওখ-পাখ, বেছ ডাঙৰ। 'আজি হাতী এটা নাখালে মোৰ ভোকেই নুগুচিব।' সি হাতী এটা বিচাৰি ওলাল। গোটেই ৰাতিপুৱাটো ঘূৰি ফুৰিলে। হাতী বা উট বা ঘোঁৰা একো নেপালে। দুপৰীয়া হঠাৎ সি তাৰ ছাঁটোলৈ চালে। সিচোন তেনেই সৰু। হাতী, উট, পহুৰ সলনি এটা এন্দুৰ খালেই দেখোন তাৰ চলি গ'লহেঁতেন।

বিঃদ্রঃ 'নৰকান্ত বৰুৱা শিশু-সাহিত্য সমগ্ৰ' (প্ৰথম খণ্ড, সম্পাদনা ঃ গগণ চন্দ্ৰ অধিকাৰী) অন্বেষা প্ৰকাশ, অক্টোবৰ ২০০৩ চনত প্ৰকাশিত পৃষ্ঠা ১৮৫ 'শিয়াল আৰু ছাঁ' পাঠটোৰ পৰা তুলি দিয়া হৈছে।

## শিকন ফলাফল

- গীত আৰু পদ্য শুনিবলৈ আগ্ৰহী হ'ব আৰু সেইধৰণৰ গীত পদ্য ভালপোৱাৰ কাৰণ দৰ্শাব পাৰিব।
- দুই-তিনিটা স্তৱকৰ পদ্য/গীত আবৃত্তি কৰিব/গাব পাৰিব।
- চুটি পদ্য বা গীত নিজৰ শব্দশৈলীৰে নিজাববীয়াকৈ সৃষ্টি কৰিব পাৰিব।
- আলোচনা কৰোঁতে বহুজনৰ মতামতৰ মাজত আলোচ্য বিষয় সন্দৰ্ভত ধাৰাবাহিকতা ৰক্ষা কৰিব পাৰিব।
- যিকোনো বিষয়বস্তু সন্দৰ্ভত হোৱা আলোচনাত ভাগ লব পাৰিব আৰু সেই সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব আৰু নিজেও প্ৰশ্ন সুধিব পাৰিব।
- গাণিতীক ধাৰণা (যেনে ঃ দিশ সম্পৰ্কীয়, স্থান, জোখ-মাপ সম্পৰ্কীয়) সম্বলিত নিৰ্দেশনা দিব পাৰিব।
- বহুকেইটা চৰিত্ৰ থকা আৰু জটিল পটভূমিৰ কাহিনী নিজাকৈ সাজিব পাৰিব।
- বহু অক্ষৰযুক্ত শব্দ (যুক্তাক্ষৰ, ব্যঞ্জনবৰ্ণৰ মণ্ডলকে ধৰি), অৰ্থহীন শব্দ সঠিকভাৱে পঢ়িব পাৰিব।
- সঠিক লয় সুৰ আৰু বিৰামসহ চুটি পাঠ শুদ্ধকৈ আৰু সলসলীয়াকৈ পঢ়িব পাৰিব।
- অপৰিচিত কাহিনী পঢ়িব পাৰিব আৰু কাহিনীৰ চৰিত্ৰ, পটভূমি, ঘটনাক্ৰম আৰু লিখকৰ দৃষ্টিকোণ আদি চিনাক্ত কৰিব পাৰিব।
- চুটি বাতৰি, বিজ্ঞাপন আদি পঢ়িব পাৰিব আৰু বিষয়বস্তু ব্যাখ্যা কৰিব পাৰিব।
- ক্ৰম অনুসৰি ছবি সজাব পাৰিব আৰু ছবিৰ লগত শুদ্ধকৈ দুটা বাক্য লিখিব পাৰিব।
- ছবি চাই সাধু লিখিব পাৰিব।
- কোনো ঘটনা বা অভিজ্ঞতাৰ বৰ্ণনা কৰি চুটি লেখা লিখিব পাৰিব।

## পুনৰালোচনা

### পঢ়া—

ৰাধিকাহঁতৰ ঘৰ সোণাপুৰত। সিহঁতৰ বাৰীখন বতৰৰ বিভিন্ন ফলেৰে ভৰি থাকে। গ্ৰীষ্মকালত আম, কঁঠাল, লিচু, জামু আদি ফলবোৰ ডাল ভৰি পকি থাকে। শীত কালত পকা পকা কমলাবোৰ লমালমে লাগি থাকে। ৰাধিকাই ৰ'দত বহি কমলা খাই বৰ ভাল পায়। ভায়েক ৰাজুৰ আকৌ পকা কঁঠাল বৰ প্ৰিয়। পুৱাই দেউতাকে পকা কঁঠাল এটা আনি পিৰালিত থ'লেহি। কঁঠাল খাবৰ বাবে ৰাজুৱে তাৰ সমনীয়া দীপুকো মাতিলে। ৰাজুহঁতৰ মাকে দুয়োকে কঁঠালৰ কোহবোৰ খাবলৈ দিলে। ৰাজুৱে মন কৰিলে দীপুৱে কঁঠালৰ গুটিবোৰ দূৰলৈ পেলাই দিছে। দীপুৰ কাম দেখি ৰাজু আচৰিত হ'ল। সি দীপুক ক'লে —"কঁঠালগুটিবোৰ পেলাই নিদিবা। এইবোৰ আমি সিজাই নাইবা পুৰিও খাব পাৰোঁ। ই আমাৰ শৰীৰৰ বাবে অতি উপকাৰী।"

### শুদ্ধ উত্তৰত (✓) চিন দিওঁ আহা—

ক) ৰাধিকাহঁতৰ বাৰীখনত শীতকালত কোনবিধ ফল লমালমে লাগে?

আম ☐ কঁঠাল ☐ লিচু ☐ কমলা ☐

খ) ৰাজুৱে পকা কঁঠাল খাবলৈ কাক মাতিছিল?

দীপুক ☐ দেউতাকক ☐ ৰাধিকাক ☐ মাকক ☐

ওলট-পালটকৈ থকা আখৰবোৰ মিলাই অৰ্থপূৰ্ণ শব্দ লিখা —

| | | |
|---|---|---|
| চ্ছাই | → | ইচ্ছা |
| মশ্চিপ | → | |
| য়শ্চনি | → | |
| ভেচ্ছাশু | → | |
| দিচ্ছাস | → | |

ভাবা আৰু বৰষুণৰ সৈতে জড়িত কেইটামান শব্দ লিখা—

বৰষুণ

বেছি গৰম লাগিলে তুমি কি কি কৰা লিখা।

তলৰ বাক্যশাৰী সুন্দৰ আখৰেৰে তিনিবাৰ লিখা।

# কাকো তাচ্ছিল্য নকৰিবা।

অধ্যায় - ৯

# যাতায়াত আৰু যোগাযোগ

পাঠ ঃ ১

N3X7G9

## যান-বাহন

পঢ়োঁ আহা —

আমি এঠাইৰ পৰা আন ঠাইলৈ যাবলৈ বিভিন্ন বাহনৰ সহায় লওঁ। আগৰ দিনত মানুহে খোজকাঢ়ি, গৰুগাড়ী, ঘোঁৰাগাড়ী আদিত উঠি এঠাইৰ পৰা আন ঠাইলৈ গৈছিল আৰু বস্তু-বাহানিও কঢ়িয়াই নিছিল। বৰ্তমান সময়ত ব্যৱহাৰ হোৱা যান-বাহনৰ বিষয়ে জানো আহাচোন—

চাইকেল, মটৰচাইকেল, ৰে'লগাড়ী, উৰাজাহাজ, নাও, ফেৰী আদিৰে আমি এঠাইৰ পৰা আনঠাইলৈ অহা-যোৱা কৰোঁ। বাহনবোৰৰ ভিতৰত একেবাৰে সৰল বাহনখন হ'ল চাইকেল। ই দুচকীয়া বাহন। ইয়াৰ চিটত বহি মানুহে ভৰিৰে পেডেল মাৰি চলায়। ৰিক্সা, অট'ৰিক্সা আদি তিনিচকীয়া বাহন।





পথত চলা সৰু-বৰ মটৰগাড়ীবোৰে মানুহ আৰু বয়-বস্তু কঢ়িয়ায়। মটৰগাড়ীবোৰ সাধাৰণতে চাৰিচকীয়া। বহুচকীয়া মটৰগাড়ীও আছে।

নাও, জাহাজ, ফেৰী আদি পানীত চলাচল কৰা বাহন। জাহাজ ৰখা ঠাইক জাহাজঘাট বা বন্দৰ বুলি জনা যায়।



উৰাজাহাজৰ সহায়ত অতি কম সময়তে এঠাই পৰা আন ঠাইলৈ অহা-যোৱা কৰিব পাৰি। এই বাহনখনে বায়ুপথে অহা-যোৱা কৰে।



ৰে'লগাড়ীবোৰ লোৰ চিৰিত চলে। ৰেলত বহুতো দবা আৰু চকা থাকে। একোটা দবাত বহুত চকা থাকে।আজিকালি ৰে'লগাড়ী বিদ্যুতৰ সহায়তো চলে।



**জানো আহা —**

ভিন ভিন পথ সমূহ: স্থলপথ | ৰে'লপথ | বায়ুপথ | জলপথ

**কথা পাতোঁ আহা—**

ক) দুচকীয়া বাহনৰ নাম কোৱা।

খ) কিহৰ ওপৰেৰে ৰে'লগাড়ীবোৰ চলাচল কৰে?

গ) কোনবোৰ বাহন বায়ু পথেৰে যায়?

ঘ) কোনবোৰ বাহনে পানীত চলাচল কৰে?

ঙ) যান-বাহন নাথাকিলে মানুহবোৰে কিদৰে যাতায়াত কৰিলেহেঁতেন?

চ) এখন তিনিচকীয়া বাহনৰ নাম কোৱা।

## ✎ উত্তৰ লিখোঁ আহা—

ক) চাইকেল কেনেদৰে চলায় লিখা।

উত্তৰ ঃ ..............................................................................................

খ) পানীত চলা যান-বাহন দুখনৰ নাম লিখা।

উত্তৰ ঃ ..............................................................................................

গ) তুমি উঠি ভালপোৱা কেইবিধমান বাহনৰ নাম লিখা।

উত্তৰ ঃ ..............................................................................................

## ✎ তলত দিয়া বাহনবোৰৰ কোনবোৰত তুমি উঠি পাইছা ( ✓ ) চিন দিয়া—

| | | | |
|---|---|---|---|
| মটৰগাড়ী | ☐ | ৰে'লগাড়ী | ☐ |
| চাইকেল | ☐ | পানীজাহাজ | ☐ |
| উৰাজাহাজ | ☐ | গৰুগাড়ী | ☐ |

## ✎ লিখোঁ আহা—

তুমি বিদ্যালয়লৈ কাৰ সৈতে আৰু কিদৰে অহা-যোৱা কৰা?

..............................................................................................

..............................................................................................

মটৰগাড়ী নাথাকিলে আমাৰ কি কি অসুবিধা হ'লহেঁতেন?

..............................................................................................

..............................................................................................

শুনো আহা —

# ৰেণুকাহঁতৰ ভ্ৰমণ

ৰেণুকাহঁতে তিনিদিনৰ বাবে গুৱাহাটী ভ্ৰমণলৈ ওলাল। দেউতাকে দিন অনুসৰি কি কি চাব আৰু কিহেৰে অহা-যোৱা কৰিব তাৰ সূচী তৈয়াৰ কৰিলে।

| | | |
|---|---|---|
| সোমবাৰ | চিৰিয়াখানা আৰু তাৰকাগৃহ | অট'ৰে |
| মঙ্গলবাৰ | যাদুঘৰ আৰু বিজ্ঞান যাদুঘৰ | মটৰগাড়ীৰে |
| বুধবাৰ | কলাক্ষেত্ৰ আৰু শিল্পগ্ৰাম | চিটিবাছেৰে |

সিহঁতে গুৱাহাটীৰ বিভিন্ন ঠাইবোৰ চাই ফুৰোঁতে সময়ে সময়ে ফল-মূল, ভাত, মিঠাই আদি খাইছিল।

লিখোঁ আহা—

ক) ৰেণুকাহঁতে ক'লৈ ভ্ৰমণ কৰিবলৈ ওলাইছিল?

খ) ৰেণুকাহঁত যাদুঘৰ চাবলৈ কোনদিনা আৰু কিহেৰে যাব?

গ) চিটিবাছেৰে সিহঁত ক'লৈ যাব?

তালিকাখন পূৰাওঁ আহা —

| প্ৰিয় ঠাইৰ নাম | প্ৰিয় খাদ্যৰ নাম | প্ৰিয় খেলৰ নাম | প্ৰিয় গীতৰ নাম |
|---|---|---|---|
| | | | |

পাঠ ঃ ২

# উকি মাৰি ৰে'ল চলে

গাওঁ আহা—





উকি মাৰি ৰে'ল চলে
ঝক্ ঝক্কৈ,
ধুবুৰীলৈ যাম বুলি
মইনা থাকে ৰৈ।
আলিবাটত মটৰ, অট'
চাইকেল, বাছ পাওঁ,
নদ-নদী, সাগৰত
চলে জাহাজ, নাও।
আকাশত উৰাজাহাজ
চৰাইৰ দৰে উৰে,
খিৰিকীৰে দেখা পাবা
মেঘ উৰি ফুৰে।





**শিক্ষকলৈ নিৰ্দেশনা ঃ** পদ্যটো সুৰ লগাই গাই শুনাব। লগতে শিকাৰুক গাবলৈ উৎসাহিত কৰিব। কথোপকথনৰ বাবে মুক্ত আৰু বন্ধ পৰিসৰৰ প্ৰশ্নৰে আলোচনা আগবঢ়াই নিব।

## লিখোঁ আহা—

(ক) ৰে'লগাড়ী কেনেকৈ চলে?

........................................................................................................................................

(খ) মইনা ক'লৈ যাবলৈ ৰৈ আছিল?

........................................................................................................................................

গ) আলিবাটত কি কি চলে?

........................................................................................................................................

ঘ) আকাশত আমি চৰাই উৰি ফুৰা দেখা পাওঁ। নদ-নদী, খাল-বিলত আমি কি দেখা পাওঁ?

........................................................................................................................................

(ঙ) তোমালোকে ৰে'ল, বাছ বা মটৰগাড়ীৰ খিৰিকীৰে বাহিৰলৈ চাই পাইছানে? কি কি দেখা পোৱা বাৰু?

........................................................................................................................................

## তলৰ শাৰীবোৰ নিজে সম্পূৰ্ণ কৰোঁ আহা—

ৰীণাই খেলি ভালপায়
পুতলাৰ খেল,
মই খেলি ভালপাওঁ
..............................................................






ডাল ভৰি লাগি আছে
পকা পকা আম,
হাকুটিৰে পাৰি আনি
..............................খাম।

**শিক্ষকলৈ নিৰ্দেশনা ঃ** কবিতাৰ পংক্তিদুটা সম্পূৰ্ণ কৰি লিখিবলৈ শিকাৰুক উৎসাহ প্ৰদান কৰিব।

✎ সাঁথৰ ভাঙি লিখোঁ আহা—

ক) ওপৰৰ পৰা পৰিল টেকেলি
তাৰ ভিতৰত এশ ভেকুলী।

.......................................



খ) এদঁতীয়া হাতী
ধান খায় পাচি-পাচি।

..................................





**জানো আহা**

সামগ্ৰী— বস্তু

যাতায়াত — অহা-যোৱা কাৰ্য

অলেখ— অসংখ্য

বন্দৰ— সাগৰ বা নৈৰ পাৰৰ জাহাজ বন্ধা আৰু বেপাৰৰ ঠাই

✎ শেষৰ আখৰেৰে নতুন শব্দ লিখোঁ আহা —

| | | | | |
|---|---|---|---|---|
| কলম | মইনা | নাহৰ | | |
| উকি | | | | |

✎ 'উৰাজাহাজ' শব্দত থকা প্ৰতিটো আখৰৰ পৰা তিনিটাকৈ নতুন শব্দ সাজোঁ আহা—

উ উল্কা ........ ........ ........

ৰা ৰাইজ ........ ........ ........

জা জাহাজ ........ ........ ........

হা হাতী ........ ........ ........

জ জলপান ........ ........ ........

✎ কি কি নিয়ম মানি চলিবা, লিখোঁ আহা —

বাটেৰে খোজ কাঢ়োঁতে ........................................

মটৰ গাড়ীত উঠি যাওঁতে ........................................

মটৰচাইকেলত উঠিলে ........................................

শিক্ষকলৈ নিৰ্দেশনা ঃ 'কি কি নিয়ম মানি চলিবা' ক্ৰিয়া-কলাপটো কৰোঁতে দলত আলোচনা কৰিব।

পঢ়োঁ আহা—

# পৰিভ্ৰমী চৰাই



ৰতন আৰু ৰীমা সদায় ৰাতিপুৱা ককাক-আইতাকৰ সৈতে খোজ কাঢ়িবলৈ যায়। কেইদিনমানৰ পৰা ওচৰৰ বিলখনত সিহঁতে বিভিন্ন অচিনাকি চৰাই দেখিছে। চৰাইবোৰ চাবলৈ দূৰ-দূৰণিৰ পৰা বহুতো মানুহ অহাও সিহঁতে লক্ষ্য কৰিছে। এই কথাটোৱে সিহঁতৰ মনত খু-দুৱাই আছে। সেয়েহে সিহঁতে ককাকক চৰাইবোৰৰ বিষয়ে সুধিলে। ককাকে ক'লে— 'সেইবোৰ পৰিভ্ৰমী চৰাই। পৰিভ্ৰমী মানে হৈছে — যি এখন ঠাইৰ পৰা আন এখন ঠাইলৈ আহে। কুলি, কেতেকী, বনৰীয়া হাঁহ আদি চৰাইবোৰ পৰিভ্ৰমী। ইহঁত সাধাৰণতে শীতকালত অসমলৈ আহে।' পৰিভ্ৰমী চৰাইৰ বিষয়ে জানি সিহঁতৰ বৰ ভাল লাগিল। ঘৰলৈ গৈ ককাকে সিহঁতক অসমলৈ অহা পৰিভ্ৰমী চৰাইৰ ছবি দেখুৱালে।

লিখোঁ আহা—

ক) পৰিভ্ৰমী মানে কি?

.................................................................................................................

খ) ককাকে সিহঁতক কি দেখুৱাইছিল?

.................................................................................................................

গ) ৰতন আৰু ৰীমাৰ মনত কি কথা খু-দুৱাই আছিল?

.................................................................................................................

শুনো আহা—

পদুম ফুলক পঙ্কজ বোলে।
বৃদ্ধলোকক সন্মান কৰিবা।
সন্ধিৰ বাঁহ বুদ্ধিৰে কাটিব পাৰি।

পঢ়োঁ আহা —

| | | |
|---|---|---|
| পঙ্কজ | শঙ্কা | অঙ্ক |
| শঙ্খ | শৃঙ্খল | বিশৃঙ্খল |
| অঙ্গ | সঙ্গ | মাতঙ্গ |
| বৃদ্ধ | বুদ্ধি | সিদ্ধি |
| দুগ্ধ | মুগ্ধ | বিদগ্ধ |
| বন্ধ | গন্ধ | আন্ধাৰ |

**জানো আহা—**

'ঙ' ৰ লগত 'ক', 'খ' আৰু 'গ' লগ হ'লে ক্ৰমে - 'ঙ্ক', 'ঙ্খ' আৰু 'ঙ্গ' হয়।

শব্দৰ মাজত বা শেষত 'ঙ' স্বৰধ্বনিৰে শেষ নহ'লে তাৰ বিকল্পে যুক্তাক্ষৰটোৰ পিছত আখৰটোৰ আগত 'ং' ব্যৱহাৰ কৰা হয়। পাঠত 'ং' ৰ প্ৰয়োগো দেখুওৱা হৈছে।

যেনে — অ+ঙ্+ক ➡ অঙ্ক ➡ অংক

'দ', 'গ', 'ন' ৰ লগত 'ধ' লগ হ'লে ক্ৰমে দ্ধ, গ্ধ, ন্ধ হয়।

'দ্ধ' আৰু 'ঙ্ক' ৰ সহায়ত শব্দ গঠন কৰোঁ আহা —

অ, বে, প — ঙ্ক
বৃ, যু, শু — দ্ধ

পঢ়োঁ আহা —

শঙ্কা বেঙ্ক পঙ্ক বুদ্ধি অশুদ্ধ

শিক্ষকলৈ নিৰ্দেশনা ঃ শিকাৰুক 'ঙ' লগত অন্য বৰ্ণ লগ হ'লে আৰু অন্য বৰ্ণৰ লগত 'ধ' লগ হ'লে হোৱা যুক্তাক্ষৰৰ উচ্চাৰণ আৰু ৰূপৰ পৰিৱৰ্তন হৈ সৃষ্টি হোৱা যুক্তাক্ষৰ আয়ত্ত কৰিবলৈ লিখা আৰু পঢ়াৰ অনুশীলন বাৰে বাৰে কৰাব।

### পঢ়োঁ আহা —




আজি ৰীতা আৰু নয়ন ঘৰতে আছে। সিহঁতৰ মাক-দেউতাক বজাৰলৈ গৈছে। তেনেতে সিহঁতৰ ঘৰলৈ পেহাক আৰু পেহীয়েক ফুৰিবলৈ আহিল। ৰীতা আৰু নয়নে দুয়োকে বহিবলৈ দিলে। পেহীয়েকহঁতক কি খাবলৈ দিব পাৰি ৰীতাই ভাবিবলৈ ধৰিলে। তেনেতে তাইৰ নেমুৰ চৰবতৰ কথা মনত পৰিল। তাই লগে লগে নেমু কাটি পৰিমাণ মতে চেনী আৰু নিমখ মিহলাই দুগিলাছ চৰবত তৈয়াৰ কৰিলে। চৰবত দুগিলাছ তাই পেহাকহঁতক খাবলৈ দিলে। পেহাকহঁতে তাইক খুব প্ৰশংসা কৰিলে।

### গাওঁ আহা —



**বাঘে চলায় চাইকেল**
**কৰে কেৰ্‌কেৰ্**
**ভালুক উঠিল গৰুগাড়ীত**
**কৰে ঘেৰ্‌ঘেৰ্**

### শুনি লিখোঁ আহা —

কামাখ্যাত এটা ৰে'ল জংচন আছে।

গোপীনাথ বৰদলৈ বিমান বন্দৰ গুৱাহাটীৰ সমীপত।

ব্ৰহ্মপুত্ৰ নদীত জাহাজ চলে।

বিঃদ্ৰঃ পদ্যটি নতুন পাঠ (প্ৰথম ভাগ, সংস্কৰণ ২০০২) ৰ পৃষ্ঠা ৪৯ ৰ পৰা তুলি দিয়া হৈছে।

**শিক্ষকলৈ নিৰ্দেশনা ঃ** ছাত্ৰ-ছাত্ৰীসকলক ওপৰত দিয়া বাক্যকেইটা শ্ৰুতলিপি দিব।

## শিকন ফলাফল

- দুই-তিনিটা স্তৱকৰ পদ্য/গীত আবৃত্তি কৰিব/গাব পাৰিব।
- চুটি পদ্য বা গীত নিজৰ শব্দশৈলীৰে নিজাববীয়াকৈ সৃষ্টি কৰিব পাৰিব।
- আলোচনা কৰোঁতে বহুজনৰ মতামতৰ মাজত আলোচ্য বিষয় সন্দৰ্ভত ধাৰাবাহিকতা ৰক্ষা কৰিব পাৰিব।
- যিকোনো বিষয়বস্তু সন্দৰ্ভত হোৱা আলোচনাত ভাগ লব পাৰিব আৰু সেই সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব আৰু নিজেও প্ৰশ্ন সুধিব পাৰিব।
- গাণিতীক ধাৰণা (যেনে ঃ দিশ সম্পৰ্কীয়, স্থান, জোখ-মাপ সম্পৰ্কীয়) সম্বলিত নিৰ্দেশনা দিব পাৰিব।
- বহু অক্ষৰযুক্ত শব্দ (যুক্তাক্ষৰ, ব্যঞ্জনবৰ্ণৰ মণ্ডলকে ধৰি), অৰ্থহীন শব্দ সঠিকভাৱে পঢ়িব পাৰিব।
- সঠিক লয় সুৰ আৰু বিৰামসহ চুটি পাঠ শুদ্ধকৈ আৰু সলসলীয়াকৈ পঢ়িব পাৰিব।
- ছবিৰ সহায়ত উপস্থাপন কৰা বিষয়তকৈ ছবি নথকা পাঠ নিজববীয়াকৈ পঢ়িবলৈ আৰম্ভ কৰিব।
- অপৰিচিত কাহিনী পঢ়িব পাৰিব আৰু কাহিনীৰ চৰিত্ৰ, পটভূমি, ঘটনাক্ৰম আৰু লিখকৰ দৃষ্টিকোণ আদি চিনাক্ত কৰিব পাৰিব।
- চুটি বাতৰি, বিজ্ঞাপন আদি পঢ়িব পাৰিব আৰু বিষয়বস্তু ব্যাখ্যা কৰিব পাৰিব।
- কোনো ঘটনা বা অভিজ্ঞতাৰ বৰ্ণনা কৰি চুটি লেখা লিখিব পাৰিব।
- কল্পকাহিনী আৰু বাস্তৱিক কাহিনীৰ কিতাপ পঢ়িবলৈ আগ্ৰহী হ'ব আৰু পঢ়িব পাৰিব।

## পুনৰালোচনা

### পঢ়া—

এখন অৰণ্যত এটি অকণমানি হাতী পোৱালিয়ে বাস কৰিছিল। এদিন পোৱালিটোৱে বাটত এটা বল পৰি থকা দেখা পালে। বলটো পাই পোৱালিটোৰ খেলিবলৈ বৰ মন গ'ল। অকলে অকলে বলটো খেলি অকণমানি পোৱালিটোৰ আমনি লাগিল। সি ইফালে-সিফালে চালে। তেনেতে কেইটিমান শিশুক জঁপিয়াই জঁপিয়াই খেলি থকা দেখা পালে। বলটো লৈ হাতী পোৱালিটো সিহঁতৰ ওচৰলৈ গ'ল। সি শুঁৰেৰে বলটো সিহঁতৰ ফালে লাহেকৈ ঠেলি পঠিয়ালে। ল'ৰা-ছোৱালীকেইটিয়ে বলটো লৈ আকৌ তাৰ ফালে দলিয়াই দিলে। হাতী পোৱালিটোৰ বৰ ভাল লাগিল। সি সিহঁতৰ ওচৰ পালেহি। লৰা-ঢপৰা কৰি এইদৰে সকলোৰে বল খেলিবলৈ ধৰিলে।

### কথা পাতোঁ আহা —

ক) হাতী পোৱালিটো ক'ত বাস কৰিছিল?

খ) হাতী পোৱালিটোৱে কি খেলি আছিল?

গ) হাতী পোৱালিটোৰ কিয় আমনি লাগিছিল?

ঘ) হাতী পোৱালিটোক তুমি লগ পালে কি কৰিলাহেঁতেন?

পঢ়া—

| | | | |
|---|---|---|---|
| কান্ধ | দুগ্ধ | বন্ধু | বৃদ্ধি |
| শঙ্কা | লঙ্কা | অঙ্ক | সঙ্কেত |

হাতী পোৱালিৰ কাহিনীটো নিজাববীয়াকৈ লিখা।

বাক্য সাজা —

যাতায়াত ঃ ..........

ৰে'লগাড়ী ঃ ..........

বন্দৰ ঃ ..........

অলেখ ঃ ..........

সামগ্ৰী ঃ ..........

তুমি কি কি যান-বাহনত উঠি পাইছা নামবোৰ লিখা।

তলত সান-মিহলিকৈ দিয়া শব্দবোৰ লগ-লগাই বাক্য সাজা।

উৰে আকাশত উৰাজাহাজ।

উকি ৰে'লগাড়ী মাৰি যায়।

চলে সাগৰত পানীজাহাজ।

অধ্যায় - ১০


পাঠ ঃ ১

## উৎসৱ আৰু উদ্‌যাপন

## মনালীৰ নৃত্য

Y7B1F3

শুনো আহা —



মনালীহঁতৰ ঘৰ গোৰেশ্বৰত। প্ৰতিবছৰৰ দৰেই এইবাৰো গাঁৱত বিষুৱাভা দিৱস ধুম-ধামেৰে পাতিবলৈ আয়োজন কৰিছে। ঘৰে ঘৰে সৰু ডাঙৰ ল'ৰা-ছোৱালীবোৰে গীত, নৃত্য, নাটকৰ আখৰা কৰি আছে। মনালীয়েও প্ৰথমবাৰৰ বাবে এটা নৃত্য পৰিৱেশন কৰাৰ কথা ভাবিলে। মাকে তাইৰ মনৰ ভাব গম পাই নবীন খুৰাৰ ওচৰলৈ লৈ গ'ল। নবীন খুৰাই তাইক ৰাভাদেৱৰ 'টিলাই টিলাই ঘূৰি ফুৰে........" গীতটোত নাচিবলৈ শিকালে।




২০ জুনৰ দিনটো আহিল। পুৱা ৯ বজাৰ পৰা বিষ্ণুৰাভা দিৱসৰ কাৰ্যসূচী আৰম্ভ হ'ল। জাকে জাকে মানুহ অনুষ্ঠান চাবলৈ আহিল। গীত, নৃত্য, নাটকৰ বাবে বিভিন্ন সাজ-পোছাক পিন্ধি ল'ৰা-ছোৱালীবোৰ সাজু হ'ল। মনালীও সাজি-কাচি মঞ্চৰ কাষতে সাজু হৈ থাকিল। সমবেত সংগীতৰ পাছতেই মনালীক মঞ্চলৈ মাতিলে। গীতটো বজাৰ লগে লগে মনালীয়ে নাচিবলৈ আৰম্ভ কৰিলে। হঠাৎ তাই ৰৈ গ'ল। তাই নাচৰ ভংগিমা পাহৰি গ'ল। লাজে-ভয়ে মনালী ৰঙা-চিঙা পৰিল। তেনেতে তাই নবীন খুৰাক মঞ্চৰ সন্মুখত থিয় হোৱা দেখিলে। খুৰাকে গীতৰ তালে তালে নাচিবলৈ ধৰিলে। তেওঁৰ নাচ দেখি মনালীৰো সাহস ঘূৰি আহিল আৰু নাচৰ ভংগিমাবোৰো মনত পৰিল।পুনৰ তাই নাচিবলৈ আৰম্ভ কৰিলে। দুয়োজনে গীতৰ তালে-তালে নৃত্য পৰিৱেশন কৰিলে। গাঁৱৰ ৰাইজে মনালীৰ লগতে নবীন খুৰাৰ নাচো উপভোগ কৰিলে। সকলোৱে জাউৰিয়ে জাউৰিয়ে হাত-চাপৰি বজালে।

**কথা পাতোঁ আহা —**

ক) মানুহবোৰ জাক পাতি ক'লৈ আহিছিল?

খ) মনালীক নাচিবলৈ কোনে শিকাইছিল?

গ) মনালীয়ে কোনটো গীতত নৃত্য কৰিছিল?

**লিখোঁ আহা —**

ক) মনালীহঁতৰ গাঁৱত কি দিৱস পাতিছিল?

..................................................................................................................

খ) নবীন খুড়াই মনালীক কি শিকাইছিল?

..................................................................................................................

গ) মনালীৰ কেতিয়া সাহস ঘূৰি আহিল?

..................................................................................................................

**জানো আহা**

**ভংগিমা — ভংগি, অংগ বিন্যাস**

**কাৰ্যসূচী — কোনো অনুষ্ঠানৰ ক্ৰমানুসাৰে কৰিবলগীয়া কামৰ তালিকা**

**আয়োজন — আৰম্ভ, যো-জা**

**পঢ়োঁ আহা —**

## দেৱালী

দীপ দীপ দীপাৱলী
আমি বোলো দেৱালী
ফটকা-ফুলজাৰী
পোহৰৰ মালাধাৰী।



**দীপাৱলী পোহৰৰ উৎসৱ। দীপাৱলীক দেৱালীও বোলে।**

ছবি চাই সাধু কওঁ আহা —

# নিগনিৰ কাণ্ড



**শিক্ষকলৈ নিৰ্দেশনা ঃ** প্ৰতিখন ছবিতে কি দেখিছে, কি কৰিছে, কিয় কৰিছে, কোনে কৰিছে আদি প্ৰশ্নবোৰ সুধিব। কাহিনী কওঁতে শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব।

## ক্ৰিয়া-কলাপ

### পঢ়োঁ আহা —

| | | |
|---|---|---|
| শুষ্ক | পৰিষ্কাৰ | আৱিষ্কাৰ |
| দুষ্ট | কৃষ্টি | বৃষ্টি |
| কনিষ্ঠ | অনুষ্ঠান | প্ৰতিষ্ঠান |
| উষ্ণ | তৃষ্ণা | সহিষ্ণু |
| পুষ্প | বাষ্প | পুষ্পক |
| ভীষ্ম | উষ্ম | গ্ৰীষ্ম |



**জানো আহা —**

ষ+ক ➡ ষ্ক  ষ+প ➡ ষ্প
ষ+ট ➡ ষ্ট  ষ+ম ➡ ষ্ম
ষ+ঠ ➡ ষ্ঠ  ষ+ণ ➡ ষ্ণ

### লগ লগাই লিখোঁ আহা —

ষ

ক ……………  ট ……………  ঠ ……………  ণ ……………  ম ……………  প ……………

### বাক্য পঢ়োঁ আহা —

শুষ্ক মানে শুকান।

নিষ্ঠাৱান ব্যক্তি সন্মানৰ পাত্ৰ।

গ্ৰীষ্ম বন্ধত সংগীতৰ কৰ্মশালা আছে।

কৃষ্ণ এজন কষ্ট সহিষ্ণু ল'ৰা।

### ওলট-পালটকৈ থকা আখৰবোৰ মিলাই অৰ্থপূৰ্ণ শব্দ গঠন কৰোঁ আহা—

ষ্কনিক ……………………  ৰিপুৰষ্কা ……………………

ষ্ঠানতিপ্ৰ ……………………  হিষ্ণুস ……………………

ৱিৰআষ্কা ……………………  কষ্পপু ……………………

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিকাৰুক 'ষ' লগত অন্য বৰ্ণ লগ হ'লে হোৱা যুক্তাক্ষৰৰ উচ্চাৰণ আৰু ৰূপৰ পৰিৱৰ্তন হৈ সৃষ্টি হোৱা যুক্তাক্ষৰ আয়ত্ত কৰিবলৈ লিখা আৰু পঢ়াৰ অনুশীলন বাৰে বাৰে কৰাব।

পাঠ ঃ ২

# আমাৰ ৰবীন মামা

## পঢ়োঁ আহা —

ৰবীন মামাই গাঁৱৰ সংঘটোত এখন চিত্ৰ প্ৰদৰ্শনী পাতিছে। তেওঁ এজন ৰাজ্যিক বঁটাপ্ৰাপ্ত শিল্পী। গাঁৱত তেওঁৰ এখন চিত্ৰকলাৰ বিদ্যালয় আছে।

ৰবীন মামাই কথা ক'ব নোৱাৰে আৰু নুশুনেও। তেওঁ আপোনমনে নিজৰ কাম কৰে। শিশুসকলক তেওঁ বৰ মৰম কৰে। শিশুসকলেও তেওঁক শ্ৰদ্ধা কৰে। তেওঁ বৰ যত্নৰে ছবি আঁকিবলৈ শিকায়। তেওঁলোকেও ছবিবোৰ ধুনীয়াকৈ আঁকিবলৈ যত্ন কৰে। আজি মামাৰ লগত সিঁহত সংঘলৈ আহিছে। মামাই সংঘৰ পদূলিমুখত কলপুলি পুতি ৰঙীন কাগজৰ মালা লগাইছে। তেওঁলোকে মামাক সহায় কৰি দিছে। মামাৰ পুৰস্কাৰ পোৱা ছবিসমূহ প্ৰদীপ দাদাই গাড়ীত তুলি সংঘলৈ আনিলে। আটায়ে ছবিসমূহ মেৰিয়াই থোৱা কাগজবোৰ এৰুৱাবলৈ ধৰিলে। মামাই ছবিবোৰ সাৱধানে খুলি বেৰত আঁৰিবলৈ সিহঁতক ইংগিতেৰে বুজাই দিলে।

## কথা পাতোঁ আহা —

ক) গাঁৱৰ সংঘটোত কোনে চিত্ৰপ্ৰদৰ্শনী পাতিছিল?
খ) তোমালোকৰ গাঁৱত সংঘ আছেনে?
গ) সংঘত তোমালোকে কি কি কৰা?
ঘ) মামাই সংঘটো কেনেকৈ সজাইছিল?
ঙ) মামাই তেওঁলোকক ইংগিতেৰে কি কৈছিল?



## লগে-ভাগে গাওঁ আহা —

বিলতে হালিছে ধুনীয়া পদুমী
ফুলনিত ফুলিছে ফুল।
সেই ফুলে ফুলে পখিলাই চুমিছে
সানিছে ৰেণুৰে বোল।।
ফুলৰে ডালতে গাইছে কুলিয়ে
কুউ কুউ কুউ কই।
দূৰ দূৰণিতে জুৰিটিয়ে নাচিছে
তিৰ বিৰ তিৰ বিৰ কই।
নিজান বননিত কেতেকী চৰায়ে
সুহুৰি মাৰিছে ৰ'ই।।

— বিষ্ণুপ্ৰসাদ ৰাভা

**জানো আহা —**



প্ৰত্যেক বছৰে বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যু দিন ২০ জুন তাৰিখে ৰাভা দিৱস উদযাপন কৰা হয়।

(সংগ্ৰহ ঃ বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ, প্ৰথম খণ্ড, ১৮৮ পৃষ্ঠা, প্ৰথম প্ৰকাশ, ফেব্ৰুৱাৰী, ১৯৮৯ চন, বিষ্ণুৰাভা ৰচনাৱলী প্ৰকাশন সংঘ, মুখ্য সম্পাদক- যোগেশ দাস)

গাওঁ আহা —

বগলী এ’ সবাহলৈ নগ’লি কিয় ?
গৈছিলোঁ গৈছিলোঁ
বাটতে বৰষুণে পালে
চেংদৈৰ ঘৰতে
সোমাব খোজোঁতে
পখৰা কুকুৰে খালে।
ছেই কুকুৰ ছেই
নাহিবি জপনা ডেই
বাঁহৰ মূঢ়া বগৰীৰ গুড়া
ক’ৰ পৰা আহিলা চকু ছেলোৰা বুঢ়া ?





উৎসঃ পদ্যটি ‘নৰকান্ত বৰুৱা শিশু-সাহিত্য সমগ্ৰ’ (প্ৰথম খণ্ড) সম্পাদনাঃ গগণচন্দ্ৰ অধিকাৰী (অন্বেষা প্ৰকাশন, ২০০৩) পৃষ্ঠা নং ১৮ ৰ পৰা তুলি দিয়া হৈছে।

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিকাৰুসকলৰ সৈতে লগে-ভাগে গীতটি গাব। গীতটোৰ ভিত্তিত কথোপকথন কৰিব। বগলী ক’লৈ গৈছিল ? ক’ৰবালৈ গৈ থাকোঁতে বাটত বৰষুণ দিলে তুমি কি কৰা ? গীতটোত পখৰা কুকুৰৰ কথা কৈছে আৰু কি কি ৰঙৰ কুকুৰ তুমি দেখিছা ? এনেধৰণৰ প্ৰশ্নৰ অৱতাৰণা কৰিব। শিকাৰুক ঘৰুৱা ভাষাক গুৰুত্ব দিব।

ছন্দ মিল থকা শব্দ লিখোঁ আহা —

| পালে | ছেই | মূঢ়া |
| --- | --- | --- |
| | | |

পঢ়োঁ আহা —




কওঁ আহা —

ক) শিশু দিৱস কোন দিনা উদ্‌যাপন কৰা হ'ব?

খ) শিশু দিৱস কোন ঠাইত উদ্‌যাপন কৰা হ'ব?

গ) শিশু দিৱসৰ দিনা কি কি অনুষ্ঠিত হ'ব?

পঢ়োঁ আহা —

# বনভোজ



জয়ন্ত ছাৰ আৰু সোণালী বাইদেৱে এদিন ছাত্ৰ-ছাত্ৰীসকলক বনভোজ খাবলৈ লৈ গৈছিল। ঠাইডোখৰ মুকলি আৰু বৰ মনোমোহা আছিল। ছাত্ৰ-ছাত্ৰীসকলে আনন্দতে দৌৰি দৌৰি খেলিবলৈ ধৰিলে। কিছু সময়ৰ পিছত সিহঁতৰ ভোক আৰু ভাগৰ লাগিল। ছাৰ-বাইদেউহঁতে সিহঁতৰ কাৰণে বহুত খোৱা বস্তু আনিছিল। তেওঁলোকে খোৱা বস্তুৰ টোপোলাটো খুলি সকলোকে খাবলৈ মাতিলে। সকলোৱে খেলা সামৰি হাত-মুখ ধুই খাবলৈ বহিল। তেনেতে জয়ন্ত ছাৰে দেখিলে যে খাবৰ বাবে থাল আনিবলৈ পাহৰি গ'ল। ছাৰ চিন্তাত পৰিল। তেনেতে সোণালী বাইদেৱে ক'লে — "আমি সকলোৱে গছৰ পাতেৰে থাল সাজোঁ আহা।"

বাইদেউৰ কথামতেই সকলোৱে গছৰ পাত ছিঙি আনিলে। পাতবোৰ পৰিষ্কাৰকৈ ধুই বাইদেউক দিলেহি। সোণালী বাইদেৱে সৰু-সৰু বাঁহৰ কাঠি গোটাই ল'লে। এখনৰ ওপৰত আন এখন পাত চিলাই থাল সাজিবলৈ শিকালে। সকলোৱে নিজৰ বাবে একোখনকৈ থাল সাজি তাতে খালে। সকলোৱে বৰ আনন্দ পালে আৰু বাইদেউক ধন্যবাদ দিলে।

## লিখোঁ আহা —

ক) ছাত্ৰ-ছাত্ৰীসকলক লগত লৈ জয়ন্ত ছাৰ আৰু সোণালী বাইদেউ ক'লৈ গৈছিল ?

খ) বনভোজলৈ আহোঁতে জয়ন্ত ছাৰে কি আনিবলৈ পাহৰিছিল ?

গ) সোণালী বাইদেৱে পাতেৰে কি সাজিবলৈ শিকাইছিল ?

শুনো আহা —

| | | | |
|---|---|---|---|
| লুপ্ত | সুপ্ত | সপ্তম | দীপ্তি |
| শব্দ | জব্দ | শঙ্কৰাব্দ | শকাব্দ |

লগলগাই লিখোঁ আহা —

| | | |
|---|---|---|
| শ | ব্দ | |
| জ | | |
| শকা | | |

জানো আহা— প + ত ➡ প্ত    ব + দ ➡ ব্দ

পঢ়োঁ আহা —

শগুন এবিধ লুপ্তপ্ৰায় পক্ষী।

অভিধানত বহুতো শব্দৰ অৰ্থ পোৱা যায়।

বীণা সপ্তম শ্ৰেণীত পঢ়ে।

তলত দিয়া যুক্তাক্ষৰবোৰ থকা দুটাকৈ শব্দ লিখা—

প্ত ................................ ................................

ব্দ ................................ ................................

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিকাৰুক 'প' লগত অন্য বৰ্ণ আৰু 'ব' লগত অন্য বৰ্ণ লগ হ'লে হোৱা যুক্তাক্ষৰৰ উচ্চাৰণ আৰু ৰূপৰ পৰিৱৰ্তন হৈ সৃষ্টি হোৱা যুক্তাক্ষৰ আয়ত্ত কৰিবলৈ লিখা আৰু পঢ়াৰ অনুশীলন বাৰে বাৰে কৰাব।

### পঢ়োঁ আহা —




বৰ্তমান সময়ত ম'বাইল ফোন এক প্ৰয়োজনীয় আহিলা। ইয়াৰ সহায়ত আমি দূৰ-দূৰণিৰ মানুহৰ সৈতে কথা পাতিব পাৰোঁ। গান শুনিব আৰু ছবি তুলিব পাৰোঁ। ইণ্টাৰনেট ব্যৱহাৰ কৰি দেশ-বিদেশৰ কথা জানিব পাৰোঁ। কিন্তু ম'বাইল ফোনৰ অধিক ব্যৱহাৰে আমাৰ চকুৰ বৰ ক্ষতি কৰে। মগজুৰো ক্ষতি কৰিব পাৰে। সেয়ে ডাঙৰৰ অনুমতি লৈহে প্ৰয়োজন অনুসৰি ইয়াক ব্যৱহাৰ কৰা উচিত।

### থাল সাজিবলৈ শিকোঁ আহা —

স্তৰ-১ ঃ গছৰ পাত দহ/বাৰটামান ধুই ল'ব।
স্তৰ-২ ঃ বাঁহৰ সৰু সৰু কাঠি যোগাৰ কৰি ল'ব।
স্তৰ-৩ ঃ পাতবোৰ এখনৰ ওপৰত এখন পাতি বাঁহৰ কাঠিৰে চিলাব।
স্তৰ-৪ ঃ তলৰ শাৰী চিলোৱা হ'লে তাৰ ওপৰত আৰু এটাকৈ পাত চিলাব।
স্তৰ-৫ ঃ মাজ ভাগত চিলোৱা পিছত লাহে লাহে ঘেৰ হোৱাকৈ পিছৰ পাতকেইখিলা চিলাব।
স্তৰ-৬ ঃ শেষত ঘূৰণীয়া আকাৰ ল'বৰ বাবে পাতবোৰ তল-ওপৰ মিলাই চিলাই দিব।

### পঢ়োঁ আহা —



## বৰদিন



**বৰদিন বৰদিন**
**কি যে শুভদিন**
**সকলোৰে মিলি পাতোঁ**
**যীশুৰ জন্ম দিন।**

**বৰদিন যীশুৰ ওপজা দিন। বৰদিনত সমূহীয়া উপাসনা কৰা হয়। বৰদিনত ইজনে সিজনৰ কুশল কামনা কৰে।**

## শিকন ফলাফল

- গীত আৰু পদ্য শুনিবলৈ আগ্ৰহী হ'ব আৰু সেইধৰণৰ গীত পদ্য ভালপোৱাৰ কাৰণ দৰ্শাব পাৰিব।
- দুই-তিনিটা স্তৱকৰ পদ্য/গীত আবৃত্তি কৰিব/গাব পাৰিব।
- আলোচনা কৰোঁতে বহুজনৰ মতামতৰ মাজত আলোচ্য বিষয় সন্দৰ্ভত ধাৰাবাহিকতা ৰক্ষা কৰিব পাৰিব।
- যিকোনো বিষয়বস্তু সন্দৰ্ভত হোৱা আলোচনাত ভাগ লব পাৰিব আৰু সেই সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব আৰু নিজেও প্ৰশ্ন সুধিব পাৰিব।
- বহু অক্ষৰযুক্ত শব্দ (যুক্তাক্ষৰ, ব্যঞ্জনবৰ্ণৰ মণ্ডলকে ধৰি), অৰ্থহীন শব্দ সঠিকভাৱে পঢ়িব পাৰিব।
- সঠিক লয় সুৰ আৰু বিৰামসহ চুটি পাঠ শুদ্ধকৈ আৰু সলসলীয়াকৈ পঢ়িব পাৰিব।
- ছবিৰ সহায়ত উপস্থাপন কৰা বিষয়তকৈ ছবি নথকা পাঠ নিজৰবীয়াকৈ পঢ়িবলৈ আৰম্ভ কৰিব।
- অপৰিচিত কাহিনী পঢ়িব পাৰিব আৰু কাহিনীৰ চৰিত্ৰ, পটভূমি, ঘটনাক্ৰম আৰু লিখকৰ দৃষ্টিকোণ আদি চিনাক্ত কৰিব পাৰিব।
- চুটি বাতৰি, বিজ্ঞাপন আদি পঢ়িব পাৰিব আৰু বিষয়বস্তু ব্যাখ্যা কৰিব পাৰিব।
- চুটি বাক্য শুনি, লিখিব (শ্ৰুতলিপি) পাৰিব।
- কোনো ঘটনা বা অভিজ্ঞতাৰ বৰ্ণনা কৰি চুটি লেখা লিখিব পাৰিব।
- কল্পকাহিনী আৰু বাস্তৱিক কাহিনীৰ কিতাপ পঢ়িবলৈ আগ্ৰহী হ'ব আৰু পঢ়িব পাৰিব।

## পুনৰালোচনা

### পঢ়া—

ৰংজুলি প্ৰাথমিক বিদ্যালয়ত যোৱা ৫ জুন তাৰিখে দিনজোৱা কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰা হয়। পৰিৱেশ দিৱসৰ কাৰ্যসূচীৰ অংশ হিচাবে পুৱাৰ ভাগতে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয় চৌহদত গছ পুলি ৰোপণ কৰে। সভাত অৰণ্য মানৱ যাদৱ পায়েঙে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। বিদ্যালয়ৰ প্ৰধান শিক্ষক হৰেণ বৰুৱাই তেখেতক এখনি ফুলাম গামোচাৰে সম্ভাষণ জনায়। সহ শিক্ষক জুনু ৰাভাই ছাত্ৰ-ছাত্ৰীসকলক তেখেতৰ সৈতে পৰিচয় কৰাই দিয়ে। দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ মুকুল নাৰ্জাৰীয়ে তেখেতক এটা আমলখি গছৰ পুলি উপহাৰ হিচাপে দি সম্ভাষণ জনায়। যাদৱ পায়েং ডাঙৰীয়াই গছৰ উপকাৰিতা আৰু ৰোপণৰ প্ৰয়োজনীয়তা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক বুজাই দিয়ে। অভিভাৱক আৰু স্থানীয় ৰাইজ উপস্থিত থকা এই সভাত তেখেতে সকলোকে গছ নাকাটিবলৈ অনুৰোধ জনায়। তেখেতৰ ভাষণ শুনি ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজ যথেষ্ট অনুপ্ৰাণিত হয়। সভাৰ শেষত বিদ্যালয়ৰ মাতৃগোটৰ প্ৰতিনিধি অৰ্চনা হাজঙে শলাগৰ শৰাই আগবঢ়ায়।

### তলত দিয়া প্ৰশ্নটোৰ শুদ্ধ উত্তৰটোত (✓) চিন দিয়া —

ৰংজুলি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ নাম কি?

ক) যাদৱ পায়েং ☐ খ) হৰেণ বৰুৱা ☐ গ) মুকুল নাৰ্জাৰী ☐ ঘ) অৰ্চনা হাজং ☐

### লিখা —

ক) মুকুল নাৰ্জাৰীয়ে যাদৱ পায়েংদেৱক কিহেৰে সম্ভাষণ জনাইছিল?

.......................................................................................................

খ) বিশিষ্ট অতিথি হিচাপে কোনে অংশ গ্ৰহণ কৰিছিল?

.......................................................................................................

আমি বিদ্যালয়ত কি কি দিৱস পালন কৰোঁ বাকচৰ পৰা বিচাৰি উলিয়াই লিখোঁ আহা —

ক) ..........................................................
খ) ..........................................................
গ) ..........................................................
ঘ) ..........................................................
ঙ) ..........................................................
চ) ..........................................................
ছ) ..........................................................
জ) ..........................................................
ঝ) ..........................................................

শিশু দিৱস
সৰস্বতী পূজা
শিক্ষক দিৱস
বিষ্ণু ৰাভা দিৱস
বন দিৱস
কবিতা দিৱস
যোগ দিৱস
বিশ্ব পৰিৱেশ দিৱস
শিল্পী দিৱস

তলৰ যুক্তাক্ষৰ থকা এটাকৈ শব্দ লিখা —

ষ্ক ..................... ষ্ট ..................... ষ্ঠ .....................

ষ্ম ..................... ষ্ণ ..................... ষ্প .....................

পঢ়া —

ৰমজান মুছলমানসকলৰ শুভ মাহ। ৰমজানৰ শেষত ঈদ উৎসৱ হয়। ঈদত সমূহীয়া নামাজ পঢ়ে। ইজনে সিজনক ঈদ মোবাৰক জনায়।

গোৱা —

মোৰ মনত ভেদ ভাৱ
নাই অ' আল্লা
মোৰ মনত হীন পৰ
নাই অ' আল্লা
হিন্দু কি মুছলমান
একে আল্লাৰ ফৰমান
মোৰ মনত একেটি ভাৱ।

# ভাষাৰ পাঠ্যপুথি 'ঝংকাৰ' (দ্বিতীয় ভাগ)ৰ লগত জড়িত ব্যক্তিসকল

R3V2S6

**উপদেষ্টা ঃ**

**ড° নিৰদা দেৱী, সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম**

**সমল ব্যক্তি ঃ**

জয়ন্ত মজুমদাৰ, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী
প্ৰাণেশ্বৰ গোস্বামী, জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ
ড° চৈয়দা নাচিফা ইচলাম, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বঙাইগাঁও
চুনুমণি ডেকা, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, মৰিগাঁও
ড° মধুমিতা চেতিয়া, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, শিৱসাগৰ
প্ৰিয়ংকা বৰগোহাঁই, প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
মিজানুৰ ৰহমান, সহকাৰী শিক্ষক, ২২৩৪ নং গুটিপাৰা এল.পি. স্কুল, বিলাসীপাৰা, ধুবুৰী
আবুল কাসিম তপাদাৰ, সহকাৰী শিক্ষক, ৭৬৯ নং অকুমাৰী প্ৰাথমিক বিদ্যালয়, কৰিমগঞ্জ
দীপজ্যোতি চহৰীয়া, প্ৰধান শিক্ষক, ১৯৫৯ নং দক্ষিণ বাহিৰ ছুৰাপাতা প্ৰাঃ বিদ্যালয়, বিলাসীপাৰা, ধুবুৰী
চৈয়দ আব্দুৰ ৰছিদ চৌধুৰী, সহকাৰী শিক্ষক, আনন্দৰাম উচ্চ বুনিয়াদী বিদ্যালয়, কামৰূপ মহানগৰ
মল্লিকা দত্ত, সহকাৰী শিক্ষয়িত্ৰী, চিলভাৰ জুবিলী প্ৰাথমিক বিদ্যালয়, বালিপাৰা, শোণিতপুৰ
নিজু ৰাভা গগৈ, সহকাৰী শিক্ষয়িত্ৰী, পূব জালনি প্ৰাথমিক বিদ্যালয়, ডিব্ৰুগড়
চম্পক কুমাৰ নাথ, খণ্ড সমল ব্যক্তি, ভৱানীপুৰ শিক্ষাখণ্ড, বৰপেটা।
তৃষ্ণামণি ডেকা, সহকাৰী শিক্ষয়িত্ৰী, গোসাইবড়ি মধ্য ইংৰাজী বিদ্যালয়, নগাঁও
কন্দৰ্প চহৰীয়া, সহকাৰী শিক্ষক, ২২৪৩ নং ছাতাপাৰা প্ৰাথমিক বিদ্যালয়, ধুবুৰী
পাৰ্থজ্যোতি বৰুৱা, সহকাৰী শিক্ষক, চেগুনবাৰী ২ নং ডিব্ৰুজান প্ৰাথমিক বিদ্যালয়, তিনিচুকীয়া
পিয়ানু বৰুৱা, উপ-সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

**পুনৰীক্ষক ঃ**

ড° লীলাৱতী শইকীয়া, অৱসৰী অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° দীপ্তি ফুকন পাটগিৰি, অৱসৰী অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
গৌৰীকান্ত ভূঞা, অৱসৰী প্ৰধান শিক্ষক, নতুন ফটাশিল টাউন হাইস্কুল, গুৱাহাটী
নীল শৰ্মা, অৱসৰী প্ৰৱক্তা, বাণীকান্ত অগ্ৰণী শিক্ষা প্ৰতিষ্ঠান, গুৱাহাটী
ড° যুতিফুল বৰুৱা, অৱসৰী উপ সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী
ড° দীপামনি হালৈ, সহযোগী অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° বিন্দু ভূষণ বৰা, সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, কমাৰ্চ কলেজ, কোক্ৰাঝাৰ, অসম
জয়ন্ত মজুমদাৰ, প্ৰৱক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী, অসম

---

**অলংকৰণ**
শংকৰ কলিতা, চিত্ৰশিল্পী, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
জয়ন্ত শৰ্মা, ডিজাইনাৰ, গুৱাহাটী

**সমন্বয়ক**
পিয়ানু বৰুৱা, উপ-সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

**ডি.টি.পি.**
হৃদিকেশ দাস
আশুলিপিকাৰ, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ডিব্ৰুগড়
সীমা নন্দী, অম্বিকা দত্ত

# দ্বিতীয় শ্ৰেণীৰ প্ৰথম-ভাষা অসমীয়াৰ অৰ্হতা আৰু শিকন-ফলাফলসমূহ

## অৰ্হতা

- সহজ গীত আৰু পদ্য শুনি গাব/আবৃত্তি কৰিব পাৰিব।
- সহজ গীত আৰু পদ্য নিজাববীয়াকৈ সৃষ্টি কৰিব পাৰিব।
- সাৱলীলভাবে আৰু অৰ্থপূৰ্ণভাৱে কথা পাতিব পাৰিব।
- জটিল কামৰ বাবে দিয়া মৌখিক নিৰ্দেশনা বুজি পাব আৰু একে কামৰ বাবে স্পষ্ট মৌখিক নিৰ্দেশনা দিব পাৰিব।
- পঢ়ি শুনোৱা/বৰ্ণনা কৰা, সাধু/গল্প বুজি পাব আৰু চৰিত্ৰবোৰৰ বিষয়ে ক'ব পাৰিব। লিখিত পাঠ আৰু ছবিপাঠৰ জৰিয়তে কি ক'ব বিচৰা হৈছে সেইটো বুজি পাব আৰু ঘটনাক্ৰম চিনাক্ত কৰিব পাৰিব।
- স্পষ্ট পটভূমি আৰু চৰিত্ৰৰে চুটি সাধু/গল্প/ক'ব বৰ্ণনা কৰিব পাৰিব।
- ফলপ্ৰসূভাৱে দৈনন্দিন বাৰ্তালাপ কৰিব পৰাকৈ শব্দ জানি ব্যৱহাৰ কৰিব পাৰিব আৰু জনা শব্দাৱলীৰ সহায়ত নতুনকৈ পোৱা শব্দৰ অৰ্থ অনুমান কৰিব পাৰিব।
- প্ৰথম ভাষাৰ অসমীয়া ধ্বনি-সচেতনতাৰ/ধ্বনি-সজাগতাৰ বিকাশ হ'ব আৰু অক্ষৰ/আখৰ লগ লগাই শব্দ গঠন আৰু শব্দ ভাঙি আখৰ/ অক্ষৰ উলিয়াই দেখুৱাব পাৰিব।
- কিতাপখনৰ মূল গঠন বুজি পাব, ছপা আকাৰত শব্দৰ ধাৰণা আৰু কোনটো দিশত ছপা হৈছে আদি বুজিব পাৰিব আৰু লগতে যতি-বিৰাম চিহ্নৰ ব্যৱহাৰ জানিব।
- দুয়োখন ফলাৰ বৰ্ণমালাৰ সকলো বৰ্ণ/আখৰ চিনি পাব আৰু শব্দ পঢ়িব আৰু লিখিবৰ বাবে সেই জ্ঞান ব্যৱহাৰ কৰিব পাৰিব।
- চুটি সাধু, গল্প/কাহিনী পঢ়িব পাৰিব আৰু পঢ়ি বুজি পাব- চৰিত্ৰসমূহ চিনাক্ত কৰিব পাৰিব, ঘটনাৰ ক্ৰম বুজিব পাৰিব।
- গীত/পদ্য পঢ়িব পাৰিব আৰু ব্যৱহৃত শব্দ চয়ন আৰু কাল্পনিক দৃষ্টিকোণৰ প্ৰতি আকৃষ্ট হ'ব।
- কিতাপ পঢ়িবলৈ আগ্ৰহী হ'ব আৰু বিভিন্ন ধৰণৰ শিশু-সাহিত্য পঢ়িব পাৰিব।

## শিকন-ফলাফলসমূহ

- নিৰ্দিষ্ট ধৰণৰ গীত আৰু পদ্য শুনিবলৈ আগ্ৰহী হ'ব আৰু সেইধৰণৰ গীত পদ্য ভালপোৱাৰ কাৰণ দৰ্শাব পাৰিব।
- দুই-তিনিটা স্তৱকৰ পদ্য/গীত আবৃত্তি কৰিব/গাব পাৰিব।
- চুটি পদ্য বা গীত নিজৰ শব্দশৈলীৰে নিজাববীয়াকৈ সৃষ্টি কৰিব পাৰিব।
- আলোচনা কৰোঁতে বহুজনৰ মতামতৰ মাজত আলোচ্য বিষয় সন্দৰ্ভত ধাৰাবাহিকতা ৰক্ষা কৰিব পাৰিব।
- যিকোনো বিষয়বস্তু সন্দৰ্ভত হোৱা আলোচনাত ভাগ লব পাৰিব আৰু সেই সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব আৰু নিজেও প্ৰশ্ন সুধিব পাৰিব।
- চৰ্তসাপেক্ষে একাধিক নিৰ্দেশনা অনুসৰণ কৰিব পাৰিব। (যেনেঃ যদি বৰষুণ দিয়ে, গছপুলিত পানী নিদিবা, তাৰ সলনি গুৰিবোৰ চাফা কৰিব দিবা)
- গাণিতীক ধাৰণা (যেনে ঃ দিশ সম্পৰ্কীয়, স্থান, জোখ-মাপ সম্পৰ্কীয়) সম্বলিত নিৰ্দেশনা দিব পাৰিব।
- গল্প বা সাধু এটা পঢ়ি লিখকৰ গল্প বা সাধুটো লিখাৰ উদ্দেশ্য ব্যাখ্যা কৰিব পাৰিব আৰু গল্প বা সাধুটো নিজে পুনৰ ক'ব পাৰিব।
- বহুকেইটা চৰিত্ৰ থকা আৰু জটিল পটভূমিৰ কাহিনী নিজাকৈ সাজিব পাৰিব।
- পাঠত পোৱা অপৰিচিত শব্দৰ অৰ্থ (অভিধানৰ) পৰা চাই ল'ব পাৰিব।
- সৰল যতিচিহ্ন (দাৰি, ক'মা আৰু প্ৰশ্নবোধক চিহ্ন) সঠিক সময়ত ব্যৱহাৰ কৰিব পাৰিব।
- বহু অক্ষৰযুক্ত শব্দ (যুক্তাক্ষৰ, ব্যঞ্জনবৰ্ণৰ মণ্ডলকে ধৰি), অৰ্থহীন শব্দ সঠিকভাৱে পঢ়িব পাৰিব।
- সঠিক লয় সুৰ আৰু বিৰামসহ চুটি পাঠ শুদ্ধকৈ আৰু সলসলীয়াকৈ পঢ়িব পাৰিব।
- ছবিৰ সহায়ত উপস্থাপন কৰা বিষয়তকৈ ছবি নথকা পাঠ নিজববীয়াকৈ পঢ়িবলৈ আৰম্ভ কৰিব।
- অপৰিচিত কাহিনী পঢ়িব পাৰিব আৰু কাহিনীৰ চৰিত্ৰ, পটভূমি, ঘটনাক্ৰম আৰু লিখকৰ দৃষ্টিকোণ আদি চিনাক্ত কৰিব পাৰিব।
- চুটি কবিতা পঢ়িব পাৰিব আৰু কবিৰ কাল্পনিক দৃষ্টিকোণৰ ব্যাখ্যা কৰিব পাৰিব।
- চুটি বাতৰি, বিজ্ঞাপন আদি পঢ়িব পাৰিব আৰু বিষয়বস্তু ব্যাখ্যা কৰিব পাৰিব।
- চুটি বাক্য শুনি, লিখিব (শ্ৰুতলিপি) পাৰিব।
- ক্ৰম অনুসৰি ছবি সজাব পাৰিব আৰু ছবিৰ লগত শুদ্ধকৈ দুটা বাক্য লিখিব পাৰিব।
- ছবি চাই সাধু লিখিব পাৰিব।
- কোনো ঘটনা বা অভিজ্ঞতাৰ বৰ্ণনা কৰি চুটি লেখা লিখিব পাৰিব।
- কল্পকাহিনী আৰু বাস্তৱিক কাহিনীৰ কিতাপ পঢ়িবলৈ আগ্ৰহী হ'ব আৰু পঢ়িব পাৰিব।
- বিদ্যালয়ৰ পুথিভঁৰালৰ কিতাপসমূহ সযতনে (যেনেঃ কিতাপৰ খুলি যোৱা পৃষ্ঠাবোৰ পুনৰ যোৱা লগোৱা, ফাটি যোৱা পৃষ্ঠাবোৰ পুনৰ লগ-লগাই থোৱা, বান্ধ খুলি গ'লে পুনৰ বান্ধি থোৱা আদি) ৰাখিব।

# পথ দুৰ্ঘটনাৰ পৰা ৰক্ষা পাবলৈ ল'বলগীয়া কিছুমান সাৱধানতা





**ৰাস্তাত যাওঁতে—**

- খোজ কাঢ়োঁতে সদায় নিজৰ বাওঁহাতে যাবা।
- ৰাস্তা পাৰ হওঁতে সোঁৱে-বাঁৱে চাই পাৰ হ'বা।
- ৰাস্তাত ফুটপাথ থাকিলে সদায় ফুটপাথেৰে খোজ কাঢ়িবা।
- 'জেব্ৰা চিন' থকা ৰাস্তা পাৰ হওঁতে সদায় জেব্ৰা চিন আঁকা ঠাইৰ ওপৰেদি খোজ কাঢ়ি পাৰ হ'বা।
- ৰাতি টৰ্চ লাইট ব্যৱহাৰ কৰিবা।
- চাইকেল চলাওতে দুজন উঠি নাযাবা।

**ৰে'ল ক্ৰছিং পাৰ হওঁতে—**

- ৰে'ল ক্ৰছিঙৰ বন্ধ গেট পাৰ হৈ যাত্ৰা নকৰিবা।
- ৰে'ল গাড়ীখন পাৰ হৈ নোযোৱালৈকে ৰে'লপথ পাৰ নহ'বা।
- ৰে'ল ক্ৰছিঙৰ দুয়োফালৰ গেট নদঙালৈকে ৰে'লপথ পাৰ নহ'বা।



**বাছত যাত্ৰা কৰোঁতে—**

- বাছত সাৱধানে উঠিবা।
- বাহিৰলৈ থু-খেঁকাৰ নেপেলাবা।
- যাত্ৰীৰ সংখ্যা বেছি হলে শাৰী পাতি উঠিবা।
- বাছৰ পাওদানিত উঠি যাত্ৰা নকৰিবা।
- হাত-ভৰি বা মূৰ খিৰিকীৰে বাহিৰলৈ নুলিয়াবা।
- বাছখন সম্পূৰ্ণৰূপে ৰখাৰ পিছতহে উঠা-নমা কৰিবা।
- বাছৰ পৰা নামোতে দুয়োদিশ ভালদৰে চাই ল'বা।



**ৰাস্তাত খোজ কাঢ়োঁতে বা পাৰ হওঁতে শিশু, বৃদ্ধ বা শাৰীৰিকভাৱে বাধাগ্ৰস্ত ব্যক্তিক সহায় কৰাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য।**




পেলনীয়া বস্তু ডাষ্টবিন বা গাঁতত পেলাব লাগে।
ঘৰ বা স্কুল পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ লগতে চুবুৰি আৰু চৌপাশ পৰিষ্কাৰ কৰাৰো প্ৰয়োজন।

**বিদ্যালয় শিক্ষা বিভাগ, অসম চৰকাৰ**